: সত্যৰ সদায় জয় :

# বিহলঙনি



—: নৱপৰ্য্যায় সপ্তম সংখ্যা শাওণ :—

সম্পাদক

শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী

...গতে, তাৰ শ্ৰেষ্ঠ স্বভাৱ

...ন আৰু বিজয়ৰ তৃষ্ণাই, গি...

# বিহলঙনি

"সত্যৰ সদায় জয়"

## নবপৰ্য্যায় ৭ম সংখ্যা

—সূচী—


| বিষয়— | লিখক— | পিঠি— |
|---|---|---|
| ১। কল্কি বা সভ্যতাৰ ভবিষ্যৎ ভাঙোতা— | শ্ৰীলক্ষেশ্বৰ হাজৰিকা | ১০৭ |
| ২। আৰ্য্য যোগানন্দৰ চিঠি (৬) | | ১৯৯ |
| ৩। গবন (উপন্যাস) | শ্ৰীহৰেশ্বৰ গোস্বামী বি. টি | ২০১ |
| ৪। অসম বুৰঞ্জীৰ পঠন-পাঠনৰ ব্যৱস্থা | শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্ত | ২০৪ |
| ৫। নাৰী পূজা— | শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস | ২০৭ |
| ৬। তুহুঁ জুই উমি উমি জ্বলে— (লঘুৰচনা) | শ্ৰীব্ৰজেন | ২০৯ |
| ৭। সত্যমেৱ জয়তে (গল্প) | শ্ৰীচন্দ্ৰ কান্ত বৰকাকতি | ২১১ |
| ৮। যুগৰ কবিতা | মোঃ মফজুল হুছেইন | ২১৩ |
| ৯। দেৱাঃ ন জানন্তি— | শ্ৰীমনোমোহন মহন্ত | ২১৪ |
| ১০। পুতেকলৈ চিঠি— | অনুবাদক— শ্ৰীদণ্ডি শইকীয়া | ২১৮ |
| ১১। অচিনা— | শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা | ২২১ |
| ১২। বুঢ়ীআই— | শ্ৰীমতী কৃষ্ণা হাথীসিং | ২২২ |
| ১৩। শিক্ষা-সাহিত্য-সংস্কৃতি — | | ২২৫ |
| ১৪। পুথি পৰিচয়— | | ২২৭ |
| ১৫। চাহিত্য— | | ২২৮ |
| ১৬। এই মাহত আপোনাৰ ভাগ্য— | পণ্ডিত শ্ৰীগিৰীশ চন্দ্ৰ শৰ্ম্মা, সামুদ্ৰিক বত্ন। | ২২৯ |


—{ }—


আপোনাৰ যাৱতীয় ছপাৰ কাম
সুন্দৰকৈ কৰাবৰ হলে
বিহলঙনি প্ৰেছত—
খবৰ কৰক।


আগতে, তাৰ শ্ৰেষ্ঠ স্বভাৱ
অনন আৰু বিজয়ৰ তৃষ্ণাই, গি

প্ৰবীণ সাহিত্যিক অধ্যক্ষ পদ্মধৰ চলিহা এম-এ বি-এল দেৱৰ
জনপ্ৰিয় ১৪৮ টি গীতি কবিতাৰ পুথি

**ফুলনি**

৪ৰ্থ পৰিবৰ্দ্ধিত তাঙৰণ কলিকতাত ধুনীয়াকৈ ছপা হৈ ওলাল।

বেচ কেচা বন্ধা—২৲ পকাবন্ধা— ২।৵০

মহাবীৰ লাচিত বৰফুকন ৸০, অমৰ-লীলা-- (২য় তাং) ১৸০

নিমন্ত্ৰণ-- (২ ·াঙৰণ) ॥০

সৰহকৈ নিওঁতাক উপযুক্ত কমিশ্যন দিয়া হব।

প্ৰাপ্তিস্থান :— শ্ৰীত্ৰিলোচন দত্ত, শিৱসাগৰ কলেজ,
পোঃ জয়সাগৰ আৰু প্ৰধান কিতাপৰ দোকান।

## ANNOUNCEMENT

We can supply you Rubber stamps, Signature stamps, Date stamps, Office stamps, Pads, Inks etc.

Rates are moderate, designs are attractive, for full particulars please write or consult the undersigned.

A trial order will convince you that, the satisfaction of the customers is our greatest reward.

While thanking all our customers and well-wishers we assure them of our best services at all times.

*Faithfully Yours,*

*Debeswar Bhattacharjee & Co.*
RUBBER STAMPS SUPPLIERS.
DORMYLODGE, SHILLONG.

## ৰমা বৰঠাকুৰৰ

'Helps to the Study of a Students' Book of English Poetry' (In Assamese)
For Matriculation Examinees,
GAUHATI UNIVERSITY, 1955.

আমাৰ ইয়াত পাব। দাম ২॥০ মাত্ৰ।

মেনেজাৰ :— বিহুলঙনি প্ৰেছ,
পোঃ বিহুলঙনি, নগাওঁ অসম।

আপোনাৰ কিতাপ, বহী, মহাজনী খাতা আৰু অফিচৰ ফাইল অতি সস্তাত অথচ আটাইতকৈ মজবুতকৈ চহৰৰ ভিতৰত একমাত্ৰ আমিয়েই বান্ধি দিও। প্ৰমাণ চাওকহি।

## লোকেল বুক বাইণ্ডিং ৱাৰ্কচ

মটৰ চিণ্ডিকেট— নগাওঁ, অসম।

বিহুলঙনি
"সত্যৰ সদায় জয়"
—মাহেকীয়া আলোচনী—

নৱ পৰ্য্যায় :– ৭ম সংখ্যা } শাওণ, ৫০৫ শ্ৰীশঙ্কৰাব্দ; ১৮৭৬ শঁক, { জুলাই ১৯৫৪।

# কল্কি বা সভ্যতাৰ ভবিষ্যৎ

( ডাঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ )

ভাঙোতা :— শ্ৰীলক্ষেশ্বৰ হাজৰিকা।

## আন্তৰ্জাতিক সম্বন্ধ

আন্তৰ্জাতিক অৱস্থাই মানৱ-প্ৰিয়-জনক উদ্দীপ্ত কৰিব পৰা নাই। জাতি সমূহে শান্তিৰ কথা কৈ আনহাতে যুদ্ধৰ বাবে সাজু হয়। গন্দগোললৈ নিয়া মনৰ ধাৰণা, তেওঁলোকে ত্যাগ কৰিব পৰা নাই। আনলোকৰ দৰে তেওঁলোক থাকিব নলগা হোৱাত, তেওঁলোক ঈশ্বৰৰ ওচৰত কৃতজ্ঞ। তেওঁলোকৰ ধাৰণা যে তেওঁলোকৰ জাতিটোৱেই অতি এদ্ধ আৰু উৎকৃষ্ট, তেওঁলোকৰ ধৰ্ম্মই জগতৰ আশাৰ স্থল আৰু তেওঁলোকৰ জাতিটোৱেই জগতৰ নেতৃস্থানীয়। এনে মনে পতা উদ্যানৰ পৰাই, জাতীয় প্ৰেমৰ পতাকা উৰুৱাই, শিঙা বজাই, জাতীয় প্ৰেমৰ গীত আৰু ঘৃণণীয় আবৃতি কৰি, মইবৰ ভাৱৰ গুটি গজাওঁ। যোৱা যুদ্ধত প্ৰত্যেক জাতিয়েই কেৱল সভ্যতা ৰক্ষাত ব্যস্ত আছিল বুলি দাবি কৰিছিল। এই নাম লৈ প্ৰত্যেক জাতিয়েই হত্যাকাণ্ড, ধ্বংস আদিক যুক্তিযুক্ত বুলি ক্ষমা কৰিছিল। মানুহে নিজে পশুবৎ হৈ জ্ঞাতি মানুহক কুকুৰ শিয়ালক মাৰিবলৈ খেদি যোৱাৰ দৰে, ভয়াবহ আৰু নিৰ্দ্দয় হোৱাৰ আগতে, তাৰ শ্ৰেষ্ঠ স্বভাৱ চৰিত্ৰ আদিক, ঘৃণাৰ অনল আৰু বিজয়ৰ তৃষ্ণাই, গিলি পেলাব লাগিব। অৰ্দ্ধেক সঁচা আৰু মিছাৰ আইনজাৰী কৰি আৰু জাতি আৰু শিক্ষাৰ এক কৰামুঠীয়া প্ৰতিনিধিত্ব কৰি মানৱ সমাজ বনৰীয়া তেজত তেজস্বী হৈ উঠিল। যি দৰে এণ্টনিয়ে ছিজাৰৰ ৰক্তৰঞ্জিত আভৰণ ডাঙি ধৰিছিল, সেই একে কৌশল আৰু উদ্দেশ্যৰেই অনেক পথৰ বাগ্মীয়ে, তেনে অনেক কাহিনী আৰু ঘটনাৰ পুনৰুক্তি কৰে "আঃ কি পুতৌ কৰিবলগীয়া দৃশ্য! আঃ অতি ৰক্ত ৰঞ্জিত ঘটনা! প্ৰতিশোধ! পুৰি ছাই কৰি দিয়া! জুই জলাই দিয়া! মাৰা! কাটা!" ইফালে পুনৰ্বিচাৰৰ সমাৰোহৰ সাক্ষী দিবলৈ নিয়া হেইনৰ (Heine) সৰু লৰাটি কেনে সত্য "এই সৈনিকবিলাক এসময়ত মানুহ আছিল।" সিহঁত এতিয়া বিবেকবিহীন, আত্মাবিহীন, আৰু উদ্দেশ্য বিহীন কিছুমান চকৰীৰ দাত বা কাঁইট— যিবিলাকৰ প্ৰতি পৰিনমস্কাৰ কৰিবলৈ শিকোৱা হৈছে আৰু যিবিলাক সিহঁতে কম বা বেছিকৈ উপাসনাও কৰে। বিবেকী লোকক বিবেকবিহীনত পৰিণত কৰা হয়। যেতিয়াই ৰণভেৰী বাজি উঠে, সভ্যতাৰ চলনা আতৰি যায় আৰু মানুহ পশু অৱস্থালৈ বাগৰ মাৰে। ধ্বংস স্তূপৰ ৰণস্থলি, বিধ্বস্ত নগৰ, লক্ষ লক্ষ মৰাণ

লক্ষাধিক পেঙুৰা আৰু জখমী, ভগাহিয়া আৰু কলুষিতা নাৰী, প্ৰাকৃতিক ৰক্ষাৰ পৰাও বঞ্চিত আৰু বুভুক্ষিত লৰা-ছোৱালী, ঘৃণা, মিথ্যা আৰু অসহনীয় পাৰিপাৰ্শ্বিকতাৰ সৈতে, যুদ্ধ হৈছে মানৱ মাত্ৰৰেই ওপৰত কৰা এক দৌৰাত্ম্য। যেতিয়ালৈকে এই আসুৰিক নৃত্যই আমাক ব্যথিত কৰি নুতুলিব তেতিয়ালৈকে আমি সভ্য বুলি লোকক দেখুৱাব নোৱাৰো। যেতিয়ালৈকে আমি যন্ত্ৰৰ দ্বাৰা পৰিচালিত বন্দুক, বিহৰ দ্বাৰা নিৰপৰাধী বৃদ্ধ, অলৰ নাৰী আৰু কেঁচুৱাক মোহাৰি গুৰি কৰি থাকিবলৈ ইচ্ছা কৰি থাকিম তেতিয়ালৈকে পশুৰ প্ৰতি দয়া বেমাৰীৰ কাৰণে পতা চিকিৎসালয় আৰু নিৰাশ্ৰয়ৰ বাবে আলহি ঘৰ সজাৰ পৰা কোনো লাভ নাই —কাৰণ এই বিলাক কিহৰ বাবে? কি ঈশ্বৰৰ মহিমা আৰু জাতিৰ সন্মানৰ কাৰণে।

এইটো ঠিক যেহেতু আমি ইয়াক দমাব নোৱাৰো তথাপিও শাসনৰ তলতীয়া কৰিবলৈ উন্মত হৈছো —কিন্তু এই উদ্যম কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰে। কাৰণ জোৰজুলুমৰ দ্বাৰা সমাধা কৰিব লগা দুটা জাতিৰ কাজিয়া পেচালৰ ক্ষমতাৰ পৰিচায়ক হৈছে, যুদ্ধ। যেতিয়া সেই কোনো বিৰোধিতা মিটমাতৰ এক মাত্ৰ যুক্তি শক্তি ব্যৱহাৰত বুলি মত দিওঁ, তেতিয়া আমি শক্তিৰ এটা বা আন এটা ৰূপ বা ধৰণৰ বাচবিচাৰ কৰিব নোৱাৰো। সকলো শক্তি আমাৰ মতৰ তলতীয়া কৰি বা পৰিচালনা কৰি সকলো বিৰোধিতা থমাব লাগিব। এডাল লাঠি আৰু এখন তৰোৱাল বা খাৰ-বাৰুদ আৰু বিহবাষ্পৰ মাজত কোনো বিশেষ পাৰ্থক্যতা নাই। যেতিয়ালৈকে এইটোৱেই কাজিয়া ভঙাৰ অনুমোদিত প্ৰথা হৈ থাকিব, প্ৰত্যেক জাতিয়েই তাৰ ধ্বংসকাৰী অস্ত্ৰ-শস্ত্ৰবোৰ বেচি নিপুণ কৰিবলৈ ইচ্ছা কৰি থাকিব। যেতিয়া যুদ্ধই একমাত্ৰ আইন আৰু জয়েই শ্ৰেষ্ঠ ধৰ্ম্ম, তেতিয়া প্ৰত্যেক জাতিয়েই ভয়াবহ আৰু মৰণৰ পথত খোজ দি যাব লাগিব। যুদ্ধ সজ্জাত মত দি তাৰ নিয়ম প্ৰণালী লৈ আলোচনা কৰা যেনে, কুকুৰ নেচীয়া বাঘক ছাগলী পোৱালী খাবলৈ দি তাৰ ভোজনাচৰণত ইতিকিং কৰাটোও তেনে বুলি ঠিকেই কোৱা হয়। যুদ্ধ যুদ্ধই, ইয়াক কোনো খেল ধেমালিৰ নিয়ম প্ৰণালীৰে খেলিবলৈ ই কোনো খেল নহয়।

এইটো ঠিক যে আন্তৰ্জাতিকতা বাঢ়িব লাগিছে। অৰ্থনৈতিজ্ঞ সকলে আমাক সাৱধান কৰি দিছে যে যুদ্ধই একো নিদিয়ে। ই এক বেয়া ব্যৱসায়। যদিও বিশ্বাসৰ দ্বাৰা নহয় তথাপিও আমাৰ অনেকেই কৌশলত শান্তিকামী হৈ পৰিছে। আন্তৰ্জাতিকতাৰ ক্ষমতা অতি সামান্য। প্ৰত্যেক জাতিৰ মাত্ৰ মুষ্টিমেয় কিছুলোক, যি সাহসেৰে সৈতে সেই নিয়মত বিশ্বাসী আছিল, তেওঁলোকৰ বাহিৰে বাকী সকলোৱে যোৱা যুদ্ধৰ বলিশালত নিজৰ মনুষ্যত্ব জলাঞ্জলি দিছিল। আনকি গীৰ্জ্জাৰ সম্ভ্ৰমী ধৰ্ম্ম যাজক সকলেও মেফিস্ত'ফেলিজ (Mephistopheles) বুলি প্ৰমাণ দিছিল— "যি ঈশ্বৰক গীৰ্জ্জাত সৃষ্টি কৰি তেওঁৰ বাণী গালি পাৰি উপলুঙা কৰিছিল।" গীৰ্জ্জাবিলাক লোকসংগ্ৰহ কৰা ঘৰত পৰিণত কৰা হৈছিল। সকলো ফালৰ পৰা হোৱা, পৰম পিতাৰ উদ্দেশ্য, নিৰাশজনক প্ৰাৰ্থনাই, কিজানি "তেওঁ"কো গোলমাল কৰি দিছিল। দৰ্শক বিলাকৰ মনৰ গতি কেনে আছিল সেইটো জে, চি, স্কোৱাৰৰ কবিতাসমূহত ভালকৈয়ে প্ৰকাশ পাইছে। "ঈশ্বৰে যুদ্ধৰ অন্তত জাতিবিলাকৰ চিঞৰ বাখৰ শুনিছিল। ইংলণ্ডত ৰক্ষা কৰা আৰু ৰজাক উদ্ধাৰ কৰা, ইটো, সিটো অন্য বস্তু সকলোৱেই ভগৱান হৈ পৰিছিল। ঈশ্বৰে সহায় হৈ কলে "মই মোৰ কাম ঠিক কৰি ললোঁ।" এইটো ঠিক যে আমাৰ এখন জাতিসজ্ঘ আছে; কিন্তু ই কেৱল এক যান্ত্ৰিক আকাৰহে প্ৰাপ্ত হৈছে। ইয়াৰ দেহত এতিয়াও আত্মা বা জীৱনীশক্তি আৱিৰ্ভাৱ হব লগা হৈ আছে। দুবৃৰ্ত্ত আকাঙ্খা আৰু অবিশ্বাসৰ ক্ষমতা এতিয়াও পৰিব্যাপ্ত। আন্তৰ্জাতিকতা মাত্ৰ কিছুমান মুষ্টিমেয় লোকৰ ধাৰণাহে। মানৱ মনস্তত্বৰ কোনো অংশ নহয়। শান্তিৰ দহ



বছৰৰ পিচতো ১৯১৪ চনৰ আগষ্ট মাহতকৈ আকাশ বেচি নিৰ্ম্মল নহয়। যুদ্ধৰ আগতকৈ ইউৰূপৰ লক্ষাধিক লোক বেচি অস্ত্ৰে-শস্ত্ৰে সুসজ্জিত। কোনো জাতিয়েই শ্ৰেষ্ঠতাৰ ধাউতি আৰু পৃথিৱীত অভিমান প্ৰচাৰৰ নীচ ভাৱ, যি বোৰেই যুদ্ধৰ বাবে দায়ী, সেইবোৰ অন্তৰৰ পৰা পাতলাবলৈ হাবিয়াস কৰা নাই। প্ৰত্যেক জাতিয়েই কয় "কেৱল আমিয়েইহে" আৰু তেওঁৰেই দেশপ্ৰেমিক যি থিয়ডৰ ৰুজভেল্টৰ মত অনুসৰণ কৰে "নিজৰ ভাৰ্য্যাক আতিকে ভালপোৱা স্বামীয়ে, অন্য তিৰুতাৰ প্ৰণয়ৰ অংশ গ্ৰহণ কৰাটো যি দৰে অশোভনীয় আৰু অসন্মান জনক, সেইদৰে নিজৰ দেশক আতিকে ভালপোৱা নাগৰিকে. অন্যদেশ ভালপোৱাৰ অংশ গ্ৰহণ কৰিবলৈ যোৱাটোও, তেনে অশোভনীয় আৰু অপমান বোধক।" জাতীয় নিন্দা আৰু দুৰাকাঙ্খাত শান্তি, সৈনিকৰ মৰণ সদ্গতিৰ কাৰণে অলপ সময়ৰ বাবে যুদ্ধৰ পৰা লোৱা বিৰামৰ (Armistice) দৰে হৈ পৰিছে। মেচিবেলিৰ (Machiavelli) বিশ্ব নিন্দকী মতানুসাৰেই ৰাষ্ট্ৰ শাসিত হৈছে। আৰু জাতি সমূহ নিস্পৃহ সহযোগিতাৰ ঠাইত, একাধিপত্যতাৰ বাবেহে বাহিৰ হৈছে।

—০—

# আৰ্য্য যোগানন্দৰ চিঠি

## (৬)

সেহিসে চতুৰ যিটো পুণ্যৰ নিন্দান ভূত
নাৰায়ণ নামক স্মৰে।
অচতুৰ সিটো আতি পাপৰ নিদান ভূত
নামে অৰ্থবাদ যিটো কৰে ॥ ১৩ ।

যি জনে পুণ্যৰ নিদানভূত নাৰায়ণ নাম স্মৰে তেৱেঁই চতুৰ। যি জনে নামত পাপৰ নিদানভূত অৰ্থবাদ কৰে তেওঁ অচতুৰ বা বুদ্ধিহীন।

সকলো পুণ্যৰ গুৰি হৈছে নাৰায়ণ নাম। সেই নাম ললেই মানুহৰ মনৰ পৰা হিংসা খিয়াল. গৰ্ব্ব, অভিমান আদি কু-ভাববোৰ আঁতৰি সজ ভাবেৰে পূৰ্ণ হয়।

হৰি নামৰ অৰ্থলৈ যুঁজ পাতি ফুৰিলে, নানা অকথা আৰু আবৰি জাবৰি কথা কৈ চুপতি মাৰি ফুৰিলে মানুহে নিজৰ অন্তৰৰ পাপ বা কু-ভাব আঁতৰাব নোৱাৰে। ইহাতে জেদ, অভিমান আদি পাপে অন্তৰ আবৰি ধৰে। এনেকৈ যুঁজ পাতি, জেদ কৰি ফুৰা কাৰ্যটোৰ নাম অৰ্থবাদ। এই অৰ্থবাদেই সকলো পাপৰ গুৰি। এতেকে বুদ্ধিয়ক মানুহে হৰি নাম লৈ নিজৰ অন্তৰৰ কু-ভাব দূৰ কৰি পৱিত্ৰ হয়।

কিন্তু যি বুদ্ধিহীন. মূৰ্খ সি আনৰ আগত জনা বোলাবলৈ জেদ কৰি, যুঁজ কৰি, তৰ্ক কৰি, ফেৰ পাতি ফুৰোঁতেই যায়। নিজৰ অন্তৰ যে পৱিত্ৰ কৰিব লাগে তালৈ খবৰেই নাই।

নজনা কথা জানিবৰ কাৰণে খুচৰি খুচৰি কথা সুধিলে অৰ্থবাদ কৰা নহয়। আমাৰ দেশৰ এদল ভব্য লোকক কথা সুধিলেই অৰ্থবাদ হোৱাৰ ভয়ত জিকাৰি উঠে। সেই কাৰণেই নিৰ্ম্মল উদাৰ মহাপুৰুষীয়া ধৰ্ম্মৰ ঠাই আজি কুৎসিত বিভৎস ধৰ্ম্মই দখল কৰিবলৈ সুবিধা পাইছে।

ইফালে যি সকলে অৰ্থবাদ হোৱাৰ ভয়ত কোনো কথা সন্দেহ থাকিলেও একো নুসুধি যি শুনে তাকে অন্ধভাবে মানি লয়, সি অন্তৰত প্ৰবেশ নকৰে তেনে লোকৰ সদ্গতি হব পাৰে বুলি কোনো শাস্ত্ৰই নকয়।

মহেশে যোলন্ত মোৰ ৰকাৰাদি নাম শুনি
পৰম প্ৰসন্ন হোৱে মন।
শুনিও পাৰ্ব্বতী মই মনত শঙ্কৰো ৰঙে
ৰাম বুলিবেক ইটো জন ॥ ১৪।

মহাদেৱে পাৰ্ব্বতীক কৈছে "হে পাৰ্ব্বতী মই ৰাম কৃষ্ণ আদি নাম শুনি বৰ সন্তোষ পাওঁ। এই জন সমাজে ৰাম নাম লব বুলি জানি মোৰ বৰ আনন্দ লাগিছে।"

কৰ্ণ পথে ভকতৰ হিয়াত প্ৰবেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয়।
জলৰ যতেক মল যেহেন শৰত কালে
স্বভাৱতে নিৰ্ম্মল কৰয় ॥ ১৫।

হৰিয়ে কাণৰ বাটেদি ভকতৰ হিয়াত প্ৰবেশ কৰি অন্তৰৰ সকলো কু-ভাৱ হৰণ বা নষ্ট কৰে। শৰত কাল বা আহিন কাতি মাহত আপোনা আপুনি পানীৰ গেদ তল পৰি নৈ পানী বিলৰ পানী নিৰ্ম্মল হয়। সেই দৰেই হৰি নাম কাণেদি সোমাই মানুহৰ অন্তৰত থকা দুষ্ট ভাববোৰ দূৰ হয়। কিন্তু মন অন্য কথাত লগাই দি ৰাম নামৰ মাজত বহি থাকিলেও একো লাভ নহয়। মনৰ কু-ভাৱ মনতে থাকি যায়। কুহিলা পানীৰ মাজত থাকে যদিও তাৰ গাত সমূলি ৰস নাথাকে। সেই দৰে নামত মন নলগাই কু-ভাৱ ভাবি নামৰ মাজত চিৰকাল বহি থাকিলেও অন্তৰৰ পৰা পাপ বা কু-ভাৱ আতৰি নেযায়। গতিকে এনে জীৱনৰ সদ্গতিও নহয়। এনে মানুহৰ অন্তৰত হৰি প্ৰবেশ নকৰে। এতেকে ভকতৰ কাণেদিহে ঈশ্বৰ অন্তৰলৈ সোমায়। ঈশ্বৰৰ প্ৰতি যাৰ প্ৰীতি ভাৱ নাই, যি অন্য কথা মনেৰে ভাবি কেৱল ওঠেৰে নাম গায় তাৰ অন্তৰত হৰি প্ৰবেশ নকৰে। তাৰ অন্তৰৰ পৰা হিংসা আদি কু-ভাৱ আঁতৰো নহয়।

হুয়া দেৱ দিগম্বৰ ভস্মে বিভূষিত অঙ্গ
শিৰত ধৰিয়া জটা ভাৰ।
মহেশো সেৱন্ত যাক হেন হৰি বিনে আন
কোন শ্ৰেষ্ঠ দেৱ আছে আৰ ॥১৬

মহেশে শিৰত জটা ভাৰ লৈ, শৰীৰত ভস্ম সানি দিগম্বৰ হৈয়ো যি জন বিষ্ণুক পূজা কৰে সেইজন বিষ্ণুৰ সমান শ্ৰেষ্ঠ দেৱতা কোনো নাই। মহেশ অৰ্থ মহাদেৱ বা ব্যাপক চৈতন্য। এই ব্যাপক চৈতন্যৰ ব্যাপ্তিৰ সীমা দিব নোৱাৰি, পূব আদি দিকেৰেহে ধাৰণা দিব পাৰি। এতেকে ব্যাপক চৈতন্য বা ব্যোম শক্তি বা মহেশ দিগম্বৰ বা দিক বিলাকেই তেওঁৰ পিন্ধা কাপোৰ। স্থূল জগত আকাশ তত্বত বা ব্যোম শক্তিত লীন যায় কাৰণে তেওঁৰ শৰীৰ ভস্মেৰে আবৃত বোলা হৈছে। চৈতন্য প্ৰবাহৰ অকিয়া-পকিয়া গতিৰ নাম জটা। এই ব্যোমতত্ব মহেশ বা ব্যাপক চৈতন্যয়ো অনন্তকোটী ব্ৰহ্মাণ্ডৰ অধিপতি পৰমেশ্বৰৰ আদেশ পালন কৰি ভৃত্য ভাৱে ঈশ্বৰৰ কাৰ্য্য চলাইছে।

এই ব্যাপক চৈতন্যৰো যি জন অধিপতি তেওঁতকৈ শ্ৰেষ্ঠ দেৱতা কেনো নাই। এই ব্যাপক চৈতন্যৰ প্ৰবাহ সৃষ্টিৰ প্ৰত্যেক বস্তুৰ ভিতৰেদি বৰ লাগিছে। সেই কাৰণে আমাৰ গাত গম পোৱা শক্তি আছে। এই গম পোৱা শক্তিটোকে শিৱ বা মহেশ বোলো। সেই কাৰণেই যত জীৱ তত শিৱ বুলি কোৱা হয়।

ব্ৰহ্মা আদি দেৱগণ নিশ্চল সম্পত্তি মনে
লক্ষ্মীও সেৱন্ত তপ কৰি।
লক্ষ্মীও সেৱন্ত যাক হেন মহেশ্বৰ বিষ্ণু
আন কোন দেৱ তাঙ্ক সৰি ॥ ১৭

ব্ৰহ্মা আদি দেৱতা সকলে অচল সম্পত্তি পাবৰ আশাত লক্ষ্মীক পূজা কৰে। সেই লক্ষ্মীয়ে যি জন বিষ্ণুক পূজা কৰে তেওঁতকৈ শ্ৰেষ্ঠ দেৱতা কোনো নাই। এতেকে আনক এৰি সেই শ্ৰেষ্ঠ দেৱতা বিষ্ণুক পূজা কৰিব লাগে।

ওপৰৰ পদত লক্ষ্মী অৰ্থ ব্যাপক সৌন্দৰ্য্য শক্তি; সৃষ্টিৰ প্ৰত্যেক বস্তুতে এই শক্তি আছে। আৰু ই জগতৰ জেউতি চৰাই সৃষ্টি কাৰ্য্যত ভৃত্য ভাৱে ভগৱন্তৰ সেৱা কৰিছে।

সমস্ত বেদান্ত সাৰ শ্ৰীভাগৱত শাস্ত্ৰ
ইহাৰ অমৃত ৰস পাই।
পৰম সন্তোষ পান কৰিলে যি জনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই ॥ ১৮

সকলো শাস্ত্ৰৰ সাৰ অংশ বেদান্ত শাস্ত্ৰ বোৰত আছে, সেই বেদান্ত শাস্ত্ৰ বোৰৰ সাৰ অংশ আনি ভাগৱত ৰচনা কৰা হৈছে। এই ভাগৱতত ৰাম নামৰ মহিমা প্ৰকাশ কৰা হৈছে। যি জনে সেই ৰাম নামৰ সোৱাদ বা উপকাৰ বুজি তৃপ্তি পাইছে। তেওঁ মুক্তি আদি সুখ কেতিয়াও নিবিচাৰে।

মহাভাগৱত ৰস মাধৱৰ নাম যশ
আকু পান কৰিল যি জনে।
কৃষ্ণৰ চৰণে চিত্ত দিয়া মোক্ষ আদি ৰস
ৰতি আন নকৰয় মনে ॥ ১৯

ভাগৱতত ভগৱন্তৰ গুণ যশ প্ৰকাশ কৰা হৈছে। যি জনৰ অন্তৰ ভগৱন্তৰ গুণ যশত মজি গৈছে তেওঁ মুক্তি আদিৰ সুখ বাঞ্ছা নকৰে।

—(*):%%:(*)—



—প্ৰেমচন্দ্ৰ সাহিত্য—

# গবন

—ভাঙোতা— শ্ৰীহৰেশ্বৰ গোস্বামী বি টি

উপন্যাস]

( যোৱা সংখ্যাৰ পিচৰ পৰা )

[৪]

গুৱাহাটীৰ কাচাৰীত দয়াৰাম নামে এজন পিয়দা আছিল। অতি কম বয়সতেই দয়াৰামে কাচাৰিত এই কাম লৈছিল আৰু তাতেই তেওঁৰ চুলি পকিল। এই সুদীৰ্ঘ চাকৰি জীৱনৰ ভিতৰত কচাৰিৰ তলানলা দয়াৰামৰ বাকী নৰৈছিল। কোনজন হাকিম কেনেকুৱা আছিল, নতুন ডেকা হাকিম কোন জন কেনেকুৱা, কোনজন উকীল চোকা, কাৰ "পইণ্ট" কোনে কাটিব পাৰে, নতুন ডেকা উকীল, মোক্তাৰ বিলাকৰ ভিতৰত কোনে পইচা পায়, কোন আবেলি গুদাহাতে ঘৰলৈ ওভটে, কোনজন কেৰাণীয়ে কেনেকৈ কাম কৰে এই সকলো বিলাক তেওঁ জানে আৰু সুবিধা পালেই আনৰ আগত বকলা মেলি কাচাৰিত নিজৰ অভিজ্ঞতা প্ৰকাশ কৰে। ভেটি খোৱাৰ প্ৰমাণ দিব নোৱাৰিলেও কাচাৰিত চাকৰী কৰিলে "বাহিৰা" বহুত পায় বুলি জন সমাজত এটা প্ৰবাদ আছে! দয়াৰামৰ কিন্তু এই "বাহিৰা" বোলা বস্তুটো সমূলি নাছিল আৰু এই কাৰণেই বহুত সময়ত বহুত ডেকা কেৰাণীয়ে তেওঁলৈ ভয়ো কৰিছিল। বাহিৰা নলৈছিল বুলি দয়াৰামে গাঁৱৰ পৰা অহা হোজা মানুহ বিলাকক সহায় নকৰাকৈ নাথাকিছিল। লোকক সহায় কৰিবলৈ পালে যে, কি আনন্দ উপলব্ধি কৰিব পাৰি, তাক দয়াৰামে বুজিছিল আৰু সেই নিজৰ অভিজ্ঞতাৰ গৌৰব কৰিছিল।

দীনৰাম আৰু দয়াৰামৰ মাজত বহুত দিনৰ পৰাই চিনাকী। বয়সতো দুয়ো প্ৰায় সমনীয়া। কাচাৰীত নানা কামত অনেক সময়ত দীনৰামক দয়াৰামে সহায় কৰে কিন্তু দীনৰামৰ পৰা এটা পইচাও কেতিয়াও নলয়। জোৰ কৰিও দীনৰামে দয়াৰামক কেতিয়াও দোকানত নি চাহ একাপ খুৱাব নোৱাৰে। দয়াৰামৰ এনে সজ আচৰণত দীনৰাম বৰ মোহিত হৈছিল। দুয়োৰো মাজত বেচ বন্ধুত্ব আছিল। দীনৰামে দয়াৰামৰ ঘৰৰ প্ৰায় বিলাক কথা-বাৰ্ত্তা বা নীতি নিয়মৰে ভূ পাইছিল। দীনৰামে পেটে পেটে এই বন্ধুত্ব বেচি গাঢ় কৰিবলৈ ইচ্ছা কৰিছিল। কেনেকৈ ?.........

দয়াৰামৰ পৰিয়ালৰ ভিতৰত আছিল স্ত্ৰী যোগেশ্বৰী আৰু ৰমাকান্ত আৰু গোপীকান্ত নামে দুটা ল'ৰা। ৰমাই মেট্ৰিক পাচ কৰি কটন কলেজত নাম লগাই লৈছিল। কিন্তু দুমাহ মান যোৱাৰ পাচতে দয়াৰামে তাক পৰিষ্কাৰ ভাৱে কৈ দিলে যে, তাৰ কলেজৰ

খৰচ দি ইফালে তেওঁ ঘৰে ঘৰোৱাহৰ লঘোণৰ ব্যৱস্থা কৰিব নোৱাৰে। বহুতে দিনত চাকৰি কৰি ৰাতি "বি, বৰুৱা কলেজত" পঢ়ে। পাৰে যদি তেনেকৈয়ে সিও পঢ়ক, নোৱাৰে যি কৰে কৰক। তাৰ উপৰি সৰু ভায়েকক পঢ়াব লাগে।

ৰমাকান্ত কষ্ট কৰি পঢ়া বিধৰ মানুহ নাছিল। বাপেকে পঢ়াব নোৱাৰে নপঢ়ে, তাৰনো কি হল। ফুৰিব, খেলিব, ফুৰ্ত্তি কৰিব আৰু বাপেকৰ চাকৰি আছে যেতিয়া ঘৰত বহি খাই থাকিব। কেতিয়াবা কিবা অসুবিধা হলে মাক আৰু ভায়েকৰ ওপৰত "ওস্তাদী" চলাব। ৰমাকান্ত পিয়নৰ লৰা হলেও বন্ধু মহলত তাৰ যথেষ্ট নাম আছিল। তাৰ বন্ধুৰ ভিতৰত আছিল, কোনোবা উকীলৰ লৰা, কোনোবা ডাক্তৰৰ ল'ৰা, কোনোবা হাকিমৰ ল'ৰা সি আছিল দলৰ দলপতি। গতিকে জেপত পইচা নাথাকিলেও চিগাৰেটৰ অভাৱ নহৈছিল, চাহৰ দোকানত চাহ খাবলৈ নোপোৱাকৈ নাছিল, আন কি বহুত সময়ত বন্ধুহঁতৰ সাজ-পোছাকৰেই ৰমাকান্তৰো কাম চলিছিল! কলেজত যদিও এতিয়া তাৰ নামটো নাই, তথাপি সি কলেজৰ ফালে এপাক যায়, আৰু বন্ধুহঁতক লগ ধৰি কলেজত কথা পাতে, চাহ খায়, চিগাৰেট খায়, "কমন ৰুমত" গৈ খেলা ধুলাও কৰে। মাকে কেতিয়াবা চাকৰি এটা বিচাৰি লোৱাৰ কথা কলে সি কয়, "তোৰ কাৰণে চাকৰি পৰি আছে নহয়।" বাপেকে কাচাৰিতে সুমুৱাই দিবৰ মনেৰে "ৰেভিনিউ চিৰস্তাদাৰক" একাষাৰ কব খোজে কিন্তু ৰমাকান্তই কাচাৰিত কেৰাণী কাম নকৰে। ৰমাকান্তই এই দৰে কাল কটাওঁতেই তাৰ বন্ধুহঁতৰ বহুতেই বি,এ, পৰীক্ষা দিলেগৈ। বন্ধুৱে চাহ চিগাৰেটৰ খৰচহে দিব পাৰে, কিন্তু কলেজত পঢ়িবৰ কাৰণেতো কিতাপ এখন দিও সহায় কৰিব নোৱাৰে।

কিছুমান দিনৰ পৰা দীনৰামে জীয়েক জানেকীক এই ৰমাকান্তলৈকে বিয়া দিবৰ মন কৰিছিল। ভাবী জোৱাইতকৈ তেওঁৰ বেচি পচন্দ হৈছিল ভাবী বিয়েহে। বহুত দিনৰ পৰা ভাবি থাকি থাকি এদিন সুবিধা বুজি দয়াৰামৰ আগত দীনৰামে মনৰ ভাব প্ৰকাশ কৰিলে। লগে লগে কথাটো ৰমাৰ মাকৰ কাণতো পেলালে। মাক বোৱাৰীৰ বনকৰা খাবলৈ বিয়াকুল হৈ আছিল। পুতেকৰ বিয়া পতাৰ কথা দয়াৰামকো মাজে মাজে কৈছিল। কিন্তু দয়াৰামে বিয়াৰ নামেই নুশুনে। যাৰ নিজৰ পেটৰ আহাৰৰ ব্যৱস্থা নাই, গাত এখন কাপোৰ লবৰ শক্তি নাই তাৰ আকৌ বিয়া! বিয়া কৰাই সি তিৰোতা কেনেকৈ পুহিব। এনেকুৱা মানুহে বিয়া কৰোৱাটোও পাপহে। তাৰ উপৰি এতিয়া বিয়া পাতিবলৈ দয়াৰামৰ হাতত টকা পইচাও নাই। বিয়া কৰোৱাৰ লগে লগে খাবৰীয়া এটা বাঢ়িব, কিন্তু আৰ্জোতা কোনো নহব; সদায় সেই আৰ্জ্জিৰ নট গুৱালে খাব বোন্দা শিয়ালে। কিন্তু যোগেশ্বৰীৰ কথা, যেনে তেনে বিয়া পাতিবই লাগিব। লৰাৰ স্বভাৱ দেখিয়েই কোনেও ছোৱালী দিবলৈ নাহে, আগেয়ে যি দুই এজনী ছোৱালী দিছিলহি, সিহঁতে এতিয়া চাগৈ কোঁচত কেঁচুৱা ললে। যোগেশ্বৰীয়ে বাৰু কেনেকৈ সহি থাকে? এইবাৰ এই সুবিধা আৰু এৰিব নোৱাৰি। যোগেশ্বৰীৰ যুক্তি হৈছে যে জানকী দীনৰামৰ একমাত্ৰ সন্তান। গতিকে ছোৱালীৰ বিয়াত তেওঁ নিশ্চয় পইচাৰ মুখলৈ নাচাব। বিয়াত সন্মতি দিলে তেওঁলোকেও নিশ্চয় দীনৰামৰ পৰা কিছু টকা পাব। গহনা পাতিৰ কাৰণে সোণাৰীৰ তাত কিছু বাকীও ৰখা যাব। পাচত দীনৰামৰ পৰা পালে ধাৰ মাৰিব পাৰিব। দয়াৰামে কিন্তু দীনৰামক টকা খুজিবলৈ মান্তি নহয়। কাচাৰিৰ পিয়ন হলেও তেওঁৰ আত্ম সন্মান আছে। তাৰ উপৰি ধাৰ কৰি বিয়া নাপাতে। অগত্যা বিয়া পাতিব লাগিলে হাতত যি দুপইচা জমা আছে তাৰেই কাম চলাব। যোগেশ্বৰীয়ে কলে,— "দীনৰামক টকাৰ কথা কবই নালাগে। তেওঁ এনেয়ে দিব। তাৰ উপৰি বিয়াৰ পাচত নিশ্চয় ৰমাৰো মতি গতি ভাল হব। কৰবাত নহয় কৰবাত তাৰ কাৰণেও চাকৰি এটা ওলাব। নিজৰ গাত চিকুট মাৰি চালেই হয় নহয়। অমুকীক অনাৰ আগলৈকে বোধকৰোঁ দুটা পইচা জমাব লাগে বুলি মনত ভাব হোৱাই নাছিল। নিষ্কৰ্ম্মী মানুহক সজ পথলৈ আনিবলৈ বিয়াৰ বাহিৰে অন্য উপায় নাই।"



( ৫ )

বোলে, "জোৰৰো জোৰ অদ্ভুত জোৰ, এটা কাণ কটা এটা চোৰ।" দয়াৰাম আছিল অতি সৰল সহজ আৰু সাধু স্বভাৱৰ মানুহ। দীনৰামে কিন্তু "মাছুৰৈৰ লগত মাৰে চিতল, মৰিয়াৰ লগত খুন্দে পিটল।" তেওঁ সাধুৰ লগত অতি সাধু আৰু অসাধুৰ লগত একেবাৰে "চয়তান"। সাধু দয়াৰামৰ লগত গৃহবাস কৰাৰ ফলত যোগেশ্বৰীৰ স্বভাৱ চৰিত্ৰও সজেই; কিন্তু তেৰোঁ সুবিধা পালে এৰি দিয়া ভকতনী নহয়। দয়াৰাম আছিল আত্ম নিৰ্ভৰ শীল, গতিকেই আনৰ লগত খাতিৰ ৰখা বা মিলা মিচা কৰি ফুৰা তেওঁৰ স্বভাৱ নহয়। কিন্তু পুত্ৰ ৰমাকান্ত হল সম্পূৰ্ণ বিপৰীত। ৰমা সম্পূৰ্ণ পৰনিৰ্ভৰশীল, গতিকেই তাৰ সকলোৰে লগত খাতিৰ আৰু সকলোৰে লগত মিলামিচা।

বিয়ালৈ এমাহ আছে, কিন্তু বন্ধু মহলৰ চাহৰ দোকানত বহা "কাউঞ্চিলত" ৰমাৰ বিয়া ইতিমধ্যেই এটা ভাল "টপিক' হৈ পৰিছে। সদায় আলোচনা ৰমাৰ বিয়া কেনেকৈ হব। কাগজ কলম লৈ এজনে সদায় লিখি যায় আৰু চহৰৰ দোকানৰ পৰা ওলাই যোৱাৰ লগে লগে কাগজখন ফালি পেলায় থৈ যায়। বন্ধু সকলৰ ভিতৰতে "পৰ্টফলিয়ৰ" ভাগ হয়; এজনৰ গাত যানবাহন, এজনৰ গাত যোগান, এজনৰ গাত খাদ্য, এজনৰ গাত ৰভা, এজনৰ গাত বিদ্যুৎ; কিন্তু বিত্ত? বিত্ত থাকিব ৰমাকান্তৰ পিতৃ দয়াৰামৰ গাত। আন এদিন হয়তো "বাজেট চেছন" বহে কিন্তু তেওঁলোকে বাজেট বনায়, বিত্ত মন্ত্ৰীৰ অনুপস্থিতিত কব নোৱাৰে বিত্তমন্ত্ৰীয়ে কিমান টকা মঞ্জুৰ কৰে, আৰু শেষত প্ৰস্তাব লয় যে, তেওঁলোকৰ বাজেট অনুমোদন কৰিবলৈ বিত্ত মন্ত্ৰীক সকলোৱে জোৰ কৰি ধৰিব।

ঘৰত মাক বাপেক বহে পুতেকৰ বিয়াৰ তালিকা কৰিবলৈ। বিশেষ আলোচনাৰ বিষয় হল গহনা। দয়াৰামে এখন তালিকা তৈয়াৰ কৰে, যোগেশ্বৰীয়ে নাকচ কৰে; আকৌ যোগেশ্বৰীয়ে এখন বনাই দিয়ে দয়াৰামে নাকচ কৰে। যোগেশ্বৰীৰ প্ৰস্তাব মতেই ঠিক হল যে, দীনৰামে নিশ্চয় কমেও ৫০০৲ টকা দিব। গতিকে তেওঁলোকে জমাৰ ঘৰত সেই ৫০০৲ টকাও ধৰি থব পাৰে। শেষত কাণপাচা, চেইন, খাৰু, আঙঠি সকলো ঠিক হল। লাগিলে সোণাৰীৰ তাত দুই এশ বাকীও ৰাখিব, দীনৰামৰ পৰা টকা পালেই পৰিশোধ কৰিব। ৰমাৰ পৰা প্ৰস্তাব আহিল "নেক লে'চ"। দয়াৰামেও ভাবি চালে যে সেই পদো হলে যোল অনা পূৰ হয় আৰু কন্যাফালৰ কোনেও একো কব নোৱাৰা হয়। কিন্তু এইবাৰ যোগেশ্বৰী সন্মত নহয়। তেওঁ কয় যে, চেইন্ দিয়া হব যেতিয়া "নেক লে'চ" নালাগে; তাৰ সলনি এজোৰ কাপোৰকে বেচিকৈ দিয়া ভাল। শেষত সকলোৱে যোগেশ্বৰীৰ কথাকে মানি ললে। জানকীয়ে বিয়াৰ দিনালৈ যি বস্তুটোৰ কাৰণে আশা কৰি আছিল, যোগেশ্বৰীৰ তালিকাত সেই বস্তুটোহে বাদ পৰিল।

এতিয়া বিয়া যাব কিহত? দয়াৰামে এখন টেক্সি আৰু লৰী ঠিক কৰিছিল। কিন্তু ৰমা তাত সন্মত নহয় মাল কঢ়িয়া লৰীত তাৰ বিয়া যাবনে? গতিকে সি কলে যে বাছ এখন লাগিবই। তাৰ উপৰি তাৰ বন্ধুহঁতৰ যাবৰ কাৰণেই এখন টেক্সি লাগিব। আৰু দৰা যাবৰ কাৰণে এখন আছেই। অন্ততঃ এই তিনিখন মটৰ লাগিব। ৰমাকান্তৰ এই কথা শুনি দয়াৰাম খঙত জলজলাই উঠিল। "লুইতহে জানে বঠা কিমানলৈ বহে।" তেওঁৰ কথা হৈছে লোকৰ মূৰত খাই ভটীয়া পানীত যাবলৈ বিচাৰিলে নহব। ৰমাই কৈ দিলে, "তেনেহলে বিয়া পাতিবলৈ কোনে কৈছিল; বিয়া নালাগে পাতিব; মই বিয়া নকৰাওঁ।" যোগেশ্বৰীয়ে দেখিলে কথা বেয়া হয় এতিয়া। এই হোৱা বিয়া খনো ভাগিব লাগিলে তেওঁৰ মনৰ আশা মনতে থাকিব। পুতেকৰ এই

কথাত দয়াৰামে বিয়া ভাঙিয়েই দিব। গতিকে তেওঁ ৰমাকান্তৰ কথাকে সমৰ্থন কৰি দয়াৰামক বুজালে যে, অহা যোৱা খৰচটোতো অন্ততঃ দীনৰামে দিবই। গতিকে ইমান চিন্তা কিহৰ? দয়াৰামে কৈ থলে "বাৰু, পৰত আশ বনত বাস। পাচত মোৰ গাত কিন্তু দায় নাই।" দয়াৰামে বাহিৰা আড়ম্বৰ ভাল নাপায়। কিন্তু ৰমাকান্ত হৈছে আড়ম্বৰ প্ৰিয়। মটৰৰ উপৰিও সি এটা "এম্প্লিফায়াৰ" ঠিক কৰিলে। এজোৰা বেণ্ড পাৰ্টী থাকিব লাগিবই। তাৰ কথা হৈছে বিয়া ইমান ধুমধামেৰে যাব লাগিব যাতে কন্যাৰ গাঁৱত হুলস্থূল লাগি যায় আৰু সকলোৱে বুজি পায় সিহঁতৰ ক্ষমতা।

—•:•:•—

# অসম বুৰঞ্জীৰ পঠন-পাঠনৰ ব্যৱস্থা

—শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মহন্ত—

ভাৰতীয় ভাষা সমীক্ষণত গ্ৰীয়াৰ্চন চাহাবে অসমীয়া বুৰঞ্জী সাহিত্যৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে, অসমৰ বুৰঞ্জী-সাহিত্য ভাৰতৰ একক আৰু অতুলনীয়। অসমীয়া সম্ভ্ৰান্ত লোকসকলৰ শিক্ষাৰ অপৰিহাৰ্য্য অঙ্গ আছিল বুৰঞ্জীৰ জ্ঞান। * সেয়েহে ৰাজ্য আৰু ৰাজবংশ সমূহৰ বুৰঞ্জীৰ বাহিৰেও সত্ৰ আৰু সম্ভ্ৰান্ত পৰিয়াল বিলাকৰ ইতিবৃত্তৰো প্ৰাচুৰ্য্য দেখা যায়। কাশ্মীৰী কবি কল্হনৰ ঐতিহাসিক কাব্য "ৰাজতৰঙ্গিণী"য়ে কাশ্মীৰত বুৰঞ্জী চৰ্চ্চাৰ কিঞ্চিৎ আভাস দিয়ে। বুৰঞ্জী হিচাবে লিখিত পুথি হলে তাতো নাই। অসমত কিন্তু আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত বহুত দিনৰ আগৰে পৰা বুৰঞ্জীৰ বহুল চৰ্চ্চা হৈছিল। ভাষাতত্ত্ববিদ্ ডাঃ সুনীতি কুমাৰ চট্টোপাধ্যায় মহাশয়েও সিদিনা বাণীকান্ত সোৱঁৰণী বক্তৃতাৰ প্ৰসঙ্গত কৈছিল— আহোমৰ ৰজাদিনীয়া অসমৰ বুৰঞ্জী লিখা প্ৰথাৰ লগত তুলনা কৰিব পৰা বস্তু ভাৰতৰ আৰু আন কতো পাবলৈ নাই। বুৰঞ্জী লিখাৰ ব্যাপক প্ৰথাৰ কাৰণেহে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জী-কুখ্যাত বুৰঞ্জীদাহৰ পিছতো অসমত গদ্য পদ্য বুৰঞ্জী ইমান প্ৰচুৰ পৰিমাণে ৰ'ল। একে আষাৰে কবলৈ গলে— স্বৰ্গদেৱ সকলৰ দিনত অজ্ঞৰ কাৰণে জ্ঞানৰ ভঁৰাল হিচাবে বুৰঞ্জীৰ বৰ সমাদৰ আছিল।

আজিও অসম বুৰঞ্জীৰ সমাদৰ একেবাৰে নোহোৱা নহয়, —আছে; বিশেষকৈ ডাঃ সূৰ্য্যকুমাৰ ভূঞাদেৱৰ অপৰিসীম প্ৰচেষ্টাত আৰু অসম চৰকাৰৰ পৃষ্ঠপোষকতাত ঐতিহাসিক আৰু পূৰাতত্ত্ব বিভাগটো নিখুঁত ভাৱে পৰিচালিত হৈছে, আৰু বহুতো বুৰঞ্জীমূলক গ্ৰন্থ আৰু ঘটনাৱলীয়ে (anecdotes) পোহৰ দেখিছে। কিন্তু এই খিনিয়েই যথেষ্ট হব নোৱাৰে। কিয়নো, এই চৰ্চা কেইজন-

* The Assamese ar justly proud of their national literature. In no department have they been more successful than in a branch of study in which India, as a rule, is curiously deficient. The historical works or Buranjis are numerous and voluminous.

A knowledge of the Buranjis was an indispensable qualificaton to an Assamese gen l m .

Sir G. A. Grierson in the Journal—
The Linguistic Survey of India.



মান আঙুলিৰ মূৰত লেখিব পৰা পণ্ডিতৰ মাজতেই সীমাবদ্ধ। এই পণ্ডিত সকলে যিমানেই সাৰগৰ্ভ বুৰঞ্জীমূলক গ্ৰন্থ আৰু আলোচনা বাহিৰ নকৰক, সৰ্ব্বসাধাৰণ কিয়, উচ্চ শিক্ষিত লোক সকলৰ এটা শকত অংশয়ো তাৰ ভূ নাপায়। বিশেষকৈ অসম বাসী অনাঅসমীয়া শিক্ষিতলোক কেতবিলাকে অসম বুৰঞ্জীৰ কিছুমান কথা প্ৰবাদ বা উপকথা বুলি ধৰি লোৱা দেখা যায়। শিক্ষিত মণ্ডলী আৰু ছাত্ৰ সমাজত কৌতুহলী আৰু তীক্ষ্ণবুদ্ধি সম্পন্ন বুলি খ্যাতি থকা, উচ্চ শিক্ষাত ব্ৰতী, অসমতে ডাঙৰ দীঘল হোৱা বঙালী যুৱক এজনক অসমত আহোমৰ দিনৰে পৰা বুৰঞ্জী লিখাৰ প্ৰথা থকাৰ কথা কোৱাত তেওঁ সেই কথাৰ সত্যতাতে সন্দেহ কৰিছিল। আকৌ বঙ্গ আৰু বঙালীৰ গুণ-গানত পঞ্চমুখ আন এজন অসমবাসী বঙালী উচ্চশিক্ষিত যুৱকে মূলাগাভৰুৰ কথা শুনি কলে— "মূলাগাভৰু কোন উপন্যাসৰ নায়িকা?"

এনে অদ্ভূত অজ্ঞতাৰ কাৰণ— গুৱাহাটী বিশ্ববিদ্যালয়ে অসম বুৰঞ্জীৰ পঠন পাঠনৰ ব্যৱস্থা নকৰাটো। কেৱল হাইস্কুলৰ চতুৰ্থ মান শ্ৰেণীত --তাকো বোধহয় অসমীয়া হাইস্কুল বোৰত হে-- অসম বুৰঞ্জীৰ সামান্য আভাস দিয়া হয়। গতিকে অসমতে থাকি— অসম বুৰঞ্জীৰ বু টোকো নজনাকৈ আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষাত অসম বুৰঞ্জীৰ এটাও প্ৰশ্নৰ উত্তৰ দিব লগা নোহোৱাকৈয়ে— ছাত্ৰসকলে পৰীক্ষাৰ ডেঙনা পাৰ হৈ আছে; এইখিনিতে এটা প্ৰশ্ন হব পাৰে— ভাৰত বুৰঞ্জী, প্ৰৱেশিকা পৰীক্ষাৰ বাবে বাধ্যতামূলক আৰু ডিগ্ৰী কোৰ্চৰ বুৰঞ্জী বিষয়ৰ ভিতৰুৱা যেতিয়া, ভাৰতৰ এক অংশ অসম ৰাজ্যৰ বুৰঞ্জীৰ সুকীয়া পঠন পাঠনৰ প্ৰয়োজনীয়তা ক'ত? প্ৰয়োজনীয়তা আছে। কিয়নো, বৃটিছ শাসনৰ আগলৈকে অসম সদায় এখন স্বতন্ত্ৰ দেশ হিচাপে আছিল। ভাৰতৰ কোনো দিনেই অন্তৰ্গত আছিল। গুপ্ত, পাঠান আৰু মোগলৰ সাম্ৰাজ্যয়ো অসমক তলতীয়া কৰি ভাৰতৰ অঙ্গীভূত কৰিব পৰা নাছিল। আনকি বৃটিছেও সমগ্ৰ ভাৰতৰ ওপৰত প্ৰভুত্ব প্ৰতিষ্ঠা কৰাৰ পিচতহে অসমক তলতীয়া কৰে ১৮২৬ খৃঃ ত। সেই কাৰণে প্ৰাক্ বৃটিছ যুগৰ অসমৰ, ভাৰতৰ লগত সম্পৰ্ক বৰ বেচি নাছিল। গতিকে বিদ্যালয় বোৰত প্ৰচলিত ভাৰত বুৰঞ্জীত অসমৰ কথা একেবাৰে নাই বুলিলেও অকণো মিছা কোৱা নহয়।

গতিকে আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা পৰীক্ষাৰ বাবে অসম বুৰঞ্জীকো বুৰঞ্জী বিষয়ৰ ভিতৰুৱা কৰা সমীচীন হব। এনে কৰাত বিষয়টো যদি গধুৰ হোৱা যেন লাগে তেনেহলে ইংলণ্ডৰ বুৰঞ্জীৰ পঠন-পাঠন উঠাই দিলেই হ'ল। কলেজীয়া শিক্ষাততো ইংলণ্ডৰ বুৰঞ্জী কিয় গ্ৰীক, ৰোম প্ৰভৃতি জাতিৰ উত্থান পতনৰ ঘটনা বহুল ইতিহাসৰ শিক্ষাও বুৰঞ্জী বিষয়ৰ উচ্চ অধ্যয়নৰ অপৰিহাৰ্য অঙ্গ। প্ৰকৃততে এই বিষয়ত অনুৰক্ত সকলে ইয়াক অনুধাবন নকৰি নাথাকে। জিজ্ঞাসু আৰু নিষ্ঠাবানৰ জ্ঞানৰ পৰিধি বাঢ়িবই বাঢ়িব। তথাপি নিজ জাতিৰ জন্মকথা নজনাকৈ, যিমানেই শিক্ষনীয় নহওক— বিদেশী বুৰঞ্জীৰ অধ্যয়নৰ একো সবল যুক্তি নাই। লোকৰ সাতপুৰুষৰ ইতিবৃত্ত জানিও আপোন পিতৃৰ নাম কব নোৱাৰাৰ নিচিনা লাজৰ কথা একো হব নোৱাৰে। নাইবা, পহিলাতে কেই বছৰ মানৰ কাৰণে ভাৰত বুৰঞ্জীক সাধাৰণ পাঠ্য হিছাবে ৰাখি অসম বুৰঞ্জী আৰু বৃটিছ বুৰঞ্জীক পৰস্পৰ বিকল্প (alternative) বিষয় হিচাপে ৰাখিও চাব পাৰে। তেনে কৰিলে অসম বুৰঞ্জীয়ে বৃটিছ বুৰঞ্জীক স্বাভাৱিকতেই অপসৰণ কৰিব কিয়নো বিদেশী বুৰঞ্জীত থকা উচ্চাৰণ কৰোতে জিভা দোৱোল খোৱা নাম আৰু অপৰিচিত ৰীতি-নীতিৰ কথা বোৰতকৈ, অসম বুৰঞ্জীৰ কথা বিলাক কোমলমতি ল'ৰা-ছোৱালী বিলাকৰ সহজ পাঠ্য হব। নকলেও হয় যে অতীত অসমৰ সংস্কৃতি সভ্যতা প্ৰচাৰৰ দৃষ্টি কোণৰ পৰা চালে অসম বুৰঞ্জীৰ পঠন পাঠনৰ উচ্চ শিক্ষাতো প্ৰৱৰ্ত্তন কৰা নিতান্ত দৰ্কাৰ। কাৰণ, মাধ্যমিক শিক্ষাৰ

বুৰঞ্জীত চন-তাৰিখ আৰু ৰজা ৰাজবংশৰ নামত বাজে বেছি বিস্তৃত আলোচনা আৰু সম্যক বিচাৰ কেতিয়াও থাকিব নোৱাৰে। অকল সেয়ে নহয় অসমৰ এ, চি, এচ পৰীক্ষাতো অন্ততঃ পঞ্চাশ নম্বৰৰ কাৰণে হলেও অসম বুৰঞ্জী প্ৰৱৰ্ত্তন কৰা উচিত। অসমৰ ঐতিহ্য আৰু অসমীয়া জাতিৰ উৎপত্তি সম্পৰ্কে নজনালোকৰ অসমৰ শাসন সংক্ৰান্ত পদবী (Administrative job) পদৰ সম্পূৰ্ণ যোগ্যতা ক'ত?

আমাৰ দৃঢ় বিশ্বাস অসম চৰকাৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্ম্মকৰ্ত্তা সকলে এই বিষয়ে চিন্তা কৰি চাব। এনে কৰাৰ পৰা লাভৰ বাহিৰে লেশমাত্ৰও লোকচান নাই। প্ৰথমতে, অসমৰ অতীত সম্পৰ্কে অজ্ঞলোকৰ ভুল ধাৰণা কিছু কমিব। ৰোমানৰ বিৰুদ্ধে অস্ত্ৰধৰা কুইন বোডেচিয়া আৰু ফ্ৰাঞ্চৰাজৰ হৈ ইংৰাজৰ সেনাক পৰাস্ত কৰা জোৱান্ অব আৰ্কৰ বিষয়ে লিখা নোটবুক মুখস্থ কৰা ছাত্ৰসকলে লগতে এইটোও জানিব পাৰিব যে মূলাগাভৰু 'উপন্যাসৰ নায়িকা' নহয়,— পতিবৈৰী দেশবৈৰী বিদেশী মুছলমানৰ বিপক্ষে তীক্ষ্ণ অস্ত্ৰ ধাৰিণী ৰণচণ্ডীৰূপা বুৰঞ্জী প্ৰসিদ্ধা বীৰাঙ্গনা হে। দ্বিতীয়তে, উচ্চ শিক্ষাত অসম বুৰঞ্জীৰ পঠন-পাঠনৰ ফলত চৰকাৰে অশেষ ধন ভাঙি প্ৰতিষ্ঠা কৰা ঐতিহাসিক আৰু প্ৰত্নতত্ত্ব বিভাগটোৰো সমাদৰ বাঢ়িব। তৃতীয়তে অসম বুৰঞ্জীৰ বহুতো কথা সাম্প্ৰদায়িক সম্প্ৰীতি আৰু জাতীয় সংহতি ৰক্ষাৰ অনুকূল; তেনে কথা সদৰি কৰি জনতাক জনোৱা অৱশ্যে কৰ্ত্তব্য। যথা, স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত নগা, মিৰি প্ৰভৃতি পৰ্ব্বতীয়া বিলাকে আহোম ৰাজৰ আনুগত্য স্বীকাৰ কৰিছিল আৰু স্বৰ্গদেৱৰ প্ৰিয় প্ৰজাৰূপে পৰিগণিত হৈছিল। পুৰণি কালৰে পৰা পৰ্ব্বত ভৈয়াম বাসী অসমীয়াৰ মাজত থকা ওচৰ সম্বন্ধৰ ই এটা বুৰঞ্জী প্ৰসিদ্ধ উদাহৰণ। আকৌ, অসমীয়া মুছলমানেও হিন্দুৰ লগত যোগ দি উভয়ৰে দেশবৈৰী ৰাজ্য লোলুপ বিদেশী মোগলৰ বিপক্ষে যুদ্ধ কৰা কথাও বুৰঞ্জীত আছে। প্ৰবীণ কবি মফিজুদ্দিন আহম্মদ হাজৰিকা দেৱৰ উৰ্দ্ধ্বতন পুৰুষ এজনে বহুত সেনাৰ ওপৰত নায়কত্ব কৰি মহাবীৰ লাচিত বৰফুকনৰ তলত শৰাই ঘাটত মোগলৰ বিৰুদ্ধে ৰণ দিছিল। (ডিম্বেশ্বৰ নেওগৰ সাহিত্যৰ বুৰঞ্জীত উক্ত কবিৰ বংশ পৰিচয় দ্ৰষ্টব্য)। সদৌ শেহত ইয়াকো থোৱতে কৈ থব পাৰি যে প্ৰাক্ ঐতিহাসিক যুগৰে পৰা অসমৰ বহুক্ষেত্ৰত সৰ্ব্ব ভাৰতীয় প্ৰধান্য আছিল। অসম বুৰঞ্জীৰ স্বকীয়া পঠন-পাঠনে তাৰ প্ৰচাৰতো বহুদূৰ সহায় কৰিব। অসমৰ ঐতিহ্য-কৃষ্টি-সভ্যতাৰ ওপৰত আলোকপাত অসমত স্বকীয় বিশ্ববিদ্যালয় স্থাপনৰ অন্যতম উদ্দেশ্য নহয় জানো?

—•:•:•—


কিতাপ! কিতাপ!! কিতাপ!!!

ভাল কিতাপ উপহাৰৰ বিশিষ্ট সামগ্ৰী।

সদায় কিতাপ উপহাৰ দিব।

আপুনি মাহে এখন অসমীয়া কিতাপ আৰু এখন আলোচনী কিনকচোন।

—পাঠচক্ৰ—

পোঃ বিহলঙনি, নগাওঁ।


# নাৰী পূজা

(সত্য ঘটনাৰ সহায়ত লিখা)

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস।

এক

বহৰি সত্ৰ মহাপুৰুষ হৰিদেৱৰ লীলা ক্ষেত্ৰ। বহৰিৰ পৰা ব্ৰহ্মপুত্ৰ প্ৰায় তিনি মাইল মান হব। অসমৰ থান সত্ৰৰ বুৰঞ্জীতো বহৰিৰ নাম আছে। নাম ঘৰটি অতি ধুনীয়া। তাত এটা মধুৰ গাম্ভীৰ্য্য আছে। হৰিদেৱৰ তিথিৰ সময়ত বহৰি সত্ৰ জয় জয় ময় ময় হৈ পৰে। তিথিৰ আগনিশা নাম ঘৰত অসংখ্য চাকি জ্বলায়। সেই সোণবৰণীয়া বিমোহন দৃশ্য দেখিলে মনত শান্তি পোৱা যায়। তিথিৰ সময়ত সত্ৰবাসী সকলো ৰাইজেই অতিথি আলহীক সেৱা কৰি ৰাখে।

মহাপুৰুষে যি ধৰ্ম্ম প্ৰচাৰ কৰি গৈছে, তাকে মহাপুৰুষীয়া ধৰ্ম্ম বোলে। এই উদাহৰণ আন আন মহাপুৰুষে প্ৰচাৰ কৰা ধৰ্ম্মতো খাটিব। অসমৰ মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰচাৰক জন শ্ৰীমন্ত শঙ্কৰদেৱ। তেৰাক অসমৰ ধৰ্ম্ম ৰাজ্যৰ সূৰ্য্য বুলি কোৱা হয়। অসমৰ সকলো সম্প্ৰদায়ৰ ধৰ্ম্মতে শঙ্কৰদেৱৰ এক শৰণ নাম ধৰ্ম্মৰ চাব পৰিছে। ঠেক ভাৱ এৰি বহল ভাৱত কবলৈ হলে অসমত সকলো সত্ৰই মহাপুৰুষীয়া। ক্ষুদ্ৰ গণ্ডী এৰি দি মতত্বৰ উপাসনা কৰিলে কোনো ভেদ ভাৱ থাকিব নোৱাৰে।

—দুই—

হৰি দেৱৰ তিথিৰ আগ দিনা এজন ভকত গৈ বহৰি সত্ৰৰ গাওঁবুঢ়াৰ ঘৰত উপস্থিত। অতিথিৰ নাম ৰঘুনাথ বায়ন। বায়ন সত্ৰৰ তামৰ ফলিত লিখা থকা ভকতৰ ঘৰৰ মানুহ। গাওঁবুঢ়া আৰু বায়ন নতুন কুটুম্ব। অথাৎ গাওঁবুঢ়াৰ লৰা এজনে বায়নৰ ছোৱালী বিয়া কৰাইছে। চলতি কথাত গাওঁবুঢ়া হৰিদেৱ পন্থী আৰু বায়ন মহাপুৰুষীয়া। দুয়ো জনেই এক-শৰণ নাম ধৰ্ম্মৰেই ভকত।

নতুন কুটুম্ব বায়ন ঘৰলৈ অহা বাবে গাওঁবুঢ়াৰ মনত বৰ আনন্দ। অলপ পিচত তেওঁ আথে-বেথে সুধিলে— "বিঐ, খোৱাৰ দিহা কি হব? একেলগে ৰন্ধা চলিবনে?"

গাওঁবুঢ়াৰ কথা শুনি বায়ন বিপদ সাগৰত পৰা যেন হল। তেওঁৰ স্বৰগ মৰত গণিলে। ভাবি চিন্তি তেওঁ পিচত কলে— "একে লগে নচলিব। কাৰণ আমি মহাপুৰুষীয়া মানুহ। আমাৰ দুজনা গুৰুৰ ধৰ্ম্ম মত হল— এক দেউ এক সেউ, একত বিনে নাই কেউ। আমাৰ ধৰ্ম্মৰ মূল মন্ত্ৰ এয়ে। আমি পূজা পাতি একো নকৰো।

—এই বুলি বায়ন নীৰব হল।

তিনি

এই খিনিতেই ঘৰৰ মূল গৃহস্থ হিচাবে গাওঁবুঢ়াৰ আচল কৰ্ত্তব্য উপস্থিত হল। তেওঁ চিন্তাশীল লোক; তপ্‌কৈ একো কথা নহয়। তেওঁৰ ঘৰত বায়ন আজি অতিথি। সেই কাৰণে তেওঁ আগ পিচ সকলো দকৈ ভাবি চিন্তি চাই ৰান্ধিবৰ কাৰণে সিধা পাতি যোগাৰ কৰি দিয়ালে।

সেই দৰে বায়নে গাওঁবুঢ়াৰ ঘৰত দুদিন নিজে ৰান্ধি বাঢ়ি খাই ব্যক্তিগত ধৰ্ম্মটি কোনোমতে ৰক্ষা কৰিলে।

চাৰি

বায়ন ঘৰমুৱা হবৰ কিছু আগতে দুয়োৰে ভিতৰত এইদৰে আলোচনা হল।

গাওঁবুঢ়া— বিঐ ডাঙৰীয়া, মহাপুৰুষীয়া সকলে একো পূজা নকৰে নে?

বায়ন— "হয়, একো পূজাকে নকৰে।"

গাওঁবুঢ়া—"যদি সেয়ে হয়. তেন্তে মোৰ প্ৰশ্নৰ উত্তৰ মই নিজেই দিওঁ, একো বেয়া নাপাব।"

বায়ন—"হয়, কব পাৰে, মই একো বেয়া নাপাওঁ।"

গাওঁবুঢ়া—"আপোনালোকৰ সত্ৰখন ডাঙৰ আৰু পুৰণি সঁচা। তাত গুৰুসকলৰ পৱিত্ৰ চৰণ-ধূলি আছে। সেই সত্ৰ অসম ব্যাপী সকলো ৰাইজৰে সম্পত্তি; তাত আমাৰো সমান ভাগ আছে। তাত আমিও সেৱা কৰোঁ। কিন্তু তাৰ কিমান ভকতৰ ঘৰত আজি কালি লক্ষ্মী পূজা, গনেশ-পূজা সত্যনাৰায়ণ পূজা আৰু বিশ্বকৰ্ম্মা পূজা, নহয় কব নোৱাৰোঁ। সত্ৰৰ ভিতৰত থকা দোকান বিলাকত সন্ধ্যা সময়ত গনেশ মূৰ্ত্তিৰ আগত চাকি জ্বলোৱা হয় কিয়? তাৰ পৰিবৰ্ত্তে তাত 'কীৰ্ত্তন' বা 'নাম ঘোষা' পুথি ৰাখিলে কি হয়?

অকল সেয়েই নহয়,— আপোনালোকৰ সত্ৰত নাৰী-পূজাও হয়। অৰ্থাৎ আপোনালোকৰ সত্ৰৰ কিছুমান নাৰীৰ পৰাই আমাৰ ইয়াতো লাহে লাহে নাৰীপূজা বহলভাৱে চলিব লাগিছে। দিনক দিনে উৎসৱৰ সংখ্যা বাঢ়িহে গৈছে। নাৰী অৰ্থাৎ মাইকী সকলে যি কৰিবলৈ কয়, অনেক সময়ত আমিও আগ গুৰি নাচাই তাকেই কৰো। তাৰ ফলত অযথা খৰচ বাঢ়ি যায়। তাৰ কিছুমানৰ নাম দিয়া হল— কাণ বিন্ধোৱা, জেওৰা দিয়া, আইৰা দিয়া, আইলনা দিয়া, বিয়াৰ খাতা কৰা, জাপা দিয়া, উন্টা তেলৰ ভাৰ দিয়া, ছোৱালী পুষ্পিতা হলে গণোৱা, বিয়া, সবাহ আৰু ভোজ-ভাত ইত্যাদি। আজি কালি আকৌ নতুনকৈ ওলাইছে "ছয় দিনীয়া ৰথা।" অৰ্থাৎ কোনো ঘৰত এটি শিশুৰ জন্ম হলে বোলে জন্মৰ ছয় দিনৰ দিনা নিশা তাক বিধাতাই গণাবলৈ আহে। সেয়ে নাৰীসকলৰ ধাৰণা। তাৰ ফলত গোটেই নিশাটো ঘৰখনত গণ্ডগোল। ঈশ্বৰ বিশ্ব নিয়ন্তা,— তিনিও লোকৰে গৰাকী। সেই হেন ঈশ্বৰে কেৱল ছয় দিনৰ দিনাহে অজান শিশুটিক ৰক্ষা কৰিবলৈ আহে. আনদিনা নাহে,— কেনে কথা। তেওঁ নাথাকে ক'ত? তেওঁ কাক দয়া নকৰে? হায়, মানুহৰ কেনে অজ্ঞানতা। আমাৰ ছয় দিনীয়া ৰথা উৎসৱটি সোমোৱা নাই; বোধ শক্ৰ হয়, আইসকলৰ আলাপ আলোচনাৰ জৰিয়তে লাহে লাহে সিও সোমাব। আমাৰদৰে সাধাৰণ মানুহে তাক বাধা দি ৰাখিব নোৱাৰে। মানুহৰ খৰচ বাঢ়ি যাব লাগিছে, কিন্তু আয় উৎপন্ন একো নাই। এনেকুৱা স্থানীয় উৎসৱ আৰু অনেক হৈছে,— সেইবোৰ বিষয়ে বহলাই লিখিলে ডাঙৰ কিতাপ হব। আমি মুখত —"এক দেউ এক সেউ এক বিনে নাহি কেউ" বুলি কওঁ; কিন্তু কাৰ্য্যক্ষেত্ৰত গুৰু-শিষ্য বেচি ভাগেই নাৰী পূজাৰ বশ। মোৰ কথাখিনি কিছু কৰ্কশ যেন হলেও ই তেনেই সত্য কথা। আমাৰ পিচত যে গুৰুধৰ্ম্মৰ কি ৰূপ হয়, কব নোৱাৰি। যুগেহে সকলো কৰিব। সেই বিষয়ে আমি ভাবি কি পাৰ পাম! সকলো হৰিৰ লীলা আপুনি মোৰ ভগা পজাত আজি আলহী; সেই কাৰণেই মোৰ মানত সাক্ষাৎ দামোদৰ। ভালকৈ সোধ পোচ কৰি আপোনাক সন্তুষ্ট কৰিবৰ মোৰ ক্ষমতা নাই। কিনো আছে কিনো দিম? আপুনি যেন নিজ গুণেই সন্তুষ্ট হৈ যায়, এয়ে নিবেদন। মোৰ সকলো দোষ মাৰ্জ্জনা কৰিব।"

* ০ *

গাওঁবুঢ়াৰ মুখত তত্ব কথা শুনি বায়নৰ মনত জ্ঞান ভকতিৰ পোহৰ পৰিল। তেওঁ আজিহে পুনৰ শৰণ হোৱা যেন হল। আজিহে তেওঁ এক শৰণ নাম-ধৰ্মৰ তত্ব বুজি পালে। তেওঁৰ ভাৱ হল মোৰ ছোৱালীৰ কপাল বৰ ভাল। তাই প্ৰকৃত ভকতৰ ঘৰতেই পৰিছে।

—•—

# তুঁহ জুই উমি উমি জ্বলে

(লঘুৰচনা)

—ব্ৰজেন—

তুঁহ জুই উমি উমি জ্বলে। দপ্ দপকৈ নহয়। বিজ্ঞানে কয়— "যিটো বস্তু যিমান সোনকালে গৰম হয় সি সিমান সোনকালে চেঁচা হয়।" দপ্ দপকৈ জ্বলা জুই সোনকালে নুমায়। তুঁহ জুই দপ্ দপকৈ নজ্বলে। তুঁহ পুৰি শেষ হৈ জুই নুমাবলৈ সময় লাগে। অন্তৰৰ জুই তুঁহ জুই। ই উমি উমি জ্বলে। সোনকালে নুনুমায়। যাৰ অন্তৰত এবাৰ চিতাৰ তুঁহ জুই জ্বলে সি লাহে লাহে জ্বলি পুৰি মৰে। চিন্তাৰ জুই নুমাবলৈ বহুত সময় লাগে। অনেক সময়ত এই জুয়ে পোৱোতা জনক শেষ কৰি পেলায়।

লুপ্ত সত্য বৈজ্ঞানিকৰ অন্তৰৰ টিঙ্গিৰি তুলা। সংসাৰৰ জ্বালাত আধ্যাত্মিক তত্ব দাৰ্শনিকৰ অন্তৰৰ তুঁহ জুই। মুক্তি পথৰ পথহাৰা যাত্ৰী মহাপুৰুষ সকলৰ পথচিন্তাই অন্তৰত উমি উমি জ্বলে। "সত্যম্ শিবম্ সুন্দৰম্' কবিৰ অন্তৰৰ জ্বলি থকা তুঁহ জুই। আৰু বিৰহী কিশোৰ অন্তৰৰ লুপ্ত বেচুভিয়াচৰ জ্বলন্ত লাভা।

মন আৰু কাৰণ ভেদে চিন্তাৰ ফলাফল বিভিন্ন ধৰণৰ। বৈজ্ঞানিকৰ চিন্তাৰ ফলত জগত এখোজ আগুৱাই যায়। কেতিয়াবা উন্নতিৰ বাটত আৰু কেতিয়াবা ধ্বংসৰ পথত। আপেল গছৰ তলত বহি পঢ়ি থাকোতে আপেল সৰি নিউটনৰ বুকুত জুই জ্বলালে। ফলত পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তি লোক চক্ষুত ধৰা পৰিল। চৰাই আকাশত উৰা দেখি উনৈচ শ শতাব্দীত মানুহৰ অন্তৰত চিন্তাৰ তুঁহ জুই জ্বলিল। শেষত ৰাইট ভাতৃদ্বয়ে আকাশী জাহাজ তৈয়াৰ কৰিলে। কুৰিশতিকাৰ মানুহে আঠচল্লিচ ঘণ্টাত পৃথিৱী ভ্ৰমণ কৰিব পাৰে। গ্ৰেহেমবেলৰ চিন্তা হল দূৰৰ পৰা কথা পাতিবৰ। টেলিফোন্ আবিষ্কাৰ হল। সেইদৰে বিভিন্ন বৈজ্ঞানিকৰ চিন্তাৰ ফলত টেলিভিশ্যন্. ৰে'ডাৰ, বাকৃচিত্ৰ, যুদ্ধ জাহাজ, টৰ্পেডো, হায়ড্ৰোজেন্. এটোম বোমা আদি বিভিন্ন বস্তুৰ আবিষ্কাৰ হল। পৃথিৱীৰ শিল্প, বেহা, বাহন আদিৰ বৈপ্লৱিক পৰিবৰ্ত্তন (Revolutionary change) হল। শতিকাৰ পৰিবৰ্ত্তন আহিল। মানুহ আধুনিক হল। সভ্যতাৰ জখলাত আমি এখোজ আগুৱাই গলো।

দাৰ্শনিকৰ অন্তৰৰ তুঁহ জুইৰ ফলত গধুৰ তথ্যৰ লগত মানুহৰ পৰিচয়। চক্ৰেটিচ, এৰিষ্টটোল, প্লেটোৰ বুকুত তুঁহ জুই জ্বলিছিল। ফলত তেওঁলোক মৰিও অমৰ। ডাঃ ৰাধাকৃষ্ণনৰ অন্তৰৰ তুঁহ জুইৰ ছাঁয়— "Indian philosophy," "The Heart of Hindusthan," "An Idealist view of Life" "Eastern Religion and western thought" আদি অমূল্য গ্ৰন্থৰাজী। সৰ্ব্বসাধাৰণে বুজিব নোৱাৰে। কাৰ্লমাক্স, টলষ্টয় আদি মনিষীৰ বুকুৰ তুঁহ জুইয়েই সাম্যবাদৰ গুৰি।

কবিৰ চিন্তাৰ ফলত অমৰ কাব্যৰ জন্ম। বিশ্বাৱতীৰ টিঙ্গৰীৰ ফিৰিঙতিত কালিদাসৰ বুকুত তুঁহ জুই জ্বলিল! ফলত ৰঘুবংশম, অভিজ্ঞান শকুন্তলা মেঘদূত আদি অমৰ কাব্যবোৰৰ জন্ম হল। ৰবীন্দ্ৰ নাথৰ বুকুত জুই জ্বলিল। গীতাঞ্জলি, সঞ্চয়িতা আদি কাব্যই বঙালী সাহিত্যৰ ভঁড়াল চহকী কৰিলে। ভাৰতবৰ্ষৰ গৌৰৱ। সাহিত্যৰ নোবেল প্ৰাইজ আহিল। এই বিষয়ৰ নোবেল প্ৰাইজ সদৌ এচিয়াতে ইয়েই একমাত্ৰ। বিৰহৰ তুঁহ জুয়ো বহুতৰ অন্তৰত জ্বলে। কিছুমানে কাব্য লিখে তুঁহ জুইৰ পোৰনিৰপৰা ৰক্ষা পাবলৈ। ইলিয়ট, শেলী, ৱৰ্ডচৱৰ্থ আদিৰ বুকুৰ বিৰহৰ তুঁহজুয়ে ইংৰাজী সাহিত্যৰ ভঁড়াল চহকী কৰিলে। গনেশ গগৈ, ৰঘুনাথ চৌধাৰী আদিৰ

বুকুতো এই ধৰণৰ তুঁহ জুই জলিছিল। অসমীয়া সাহিত্যৰ “পাপৰি” “দহিকতৰা” আদি অমৰ কাব্য।

ৰাজপুত্ৰ গৌতমৰ বুকুত তুঁহজুই জলিল। ঘৰ এৰি বহুত বছৰ হাবিয়ে বনে ঘূৰিলে। শেষত বৌদ্ধ গয়াৰ আহত গছৰ তলত জ্ঞান লাভ হল। গৌতম বুদ্ধ বা জ্ঞানী হল। মহম্মদৰ বুকুতো তুঁহজুই জলিল। সমাজ বিৰোধী কথা কবলৈ ধৰিলে। শেষত একে ৰাতিৰ ভিতৰত মক্কাৰ পৰা মদিনালৈ পলাই গৈহে কোনোমতে ৰক্ষা। যীশুখৃষ্টৰ বুকুৰ জুইৰ তাপত ইহুদীবোৰ জলিবলৈ ধৰিলে। ফলত যীচুৰ ক্ৰচত মৃত্যু। অৱশ্যে পাছত ইহুদীবোৰে বুজিব পাৰিলে ভুল ক'ত? কুৰিশতিকাত ভাৰত বৰ্ষতো মোহনচাদৰ বুকুত তুঁহ জুই জলিল। “ভাৰতী স্বাধীনা হল।” জুই নুমাল। শেষত আততায়ীৰ গুলিত “বাপুৰ জীৱন বন্তি নুমাই গল।”

মানুহৰ অন্তৰত এই তুঁহ জুই আদিৰ পৰাই জলি আহিছে। এতিয়াও জলি আছে। ভৱিষ্যতলৈকো জ্বলি থাকিব। ভগবানে হেনো মানুহক সৃজন কৰি কৈছিল “সকলো কৰা। কিন্তু সাৱধান! জ্ঞান গছৰ গুটি নাখাবা।” অকৰা মানুহে ভগবানৰ হাক নামানিলে। জ্ঞান গছৰ গুটি খালে। ফলত অন্তৰত তুঁহ জুই জলিল। মানুহৰ অন্তৰত চিন্তাৰ জুই জলে। বানৰ বা আন আন ইতৰৰ তেনে জুই নাই। সিহঁতৰ অন্তৰ সেমেকা। জুই জলিব নোৱাৰে। তাতেই মানুহ আৰু ইতৰ শ্ৰেণীৰ পাৰ্থক্য।

সকলো বস্তুৰে দুটা পিঠি। এটা উজ্জল। আনটো ক'লা। এইটো চিন্তা জুইৰ উজ্জল পিঠি মাত্ৰ। ইয়াৰ অন্ধকাৰ পিঠিও এটা আছে। এই অন্ধকাৰ পিঠি ফঁহিয়াই চালে দেখা যায় যে এজনৰ চিন্তাৰ সুফল যি দৰে জগতৰ বা সমাজৰ সকলোৰেই ভোগ কৰিবলৈ পায় সেইদৰে ইয়াৰ কু-ফলেও মানুহক জুলুকি জুলুকি শিকায়। চিন্তাজুইৰ এই পিঠিয়ে অকল পোৰোতা জনকেই শেষ নকৰে। সমাজৰো বহুত ইয়াৰ ফলত দেই পুৰি মৰিব লগা হয়।

তাহানি কালৰ কথা। ৰাজকুমাৰ শ্ৰীৰাম চন্দ্ৰ ৰাজ পাটত বহিবলৈ যো-জা কৰা দেখি মাহীমাক কৈকেয়ীৰ অন্তৰত তুঁহ জুই জলিল। ফল স্বৰূপে একে ৰাতিৰ ভিতৰতে শ্ৰীৰাম চন্দ্ৰৰ সস্ত্ৰীক চৈধ্য বছৰ বনবাস, দশৰথৰ অকাল মৃত্যু আৰু ৰাক্ষসৰাজ লঙ্কেশ্বৰৰ হাতত অযোধ্যাৰ ৰাজবধূ লাঞ্ছিতা। এয়েই ঈৰ্ষা। মহাভাৰতৰ যুগত হস্তিনাপুৰত ৰাজ মাতুল শকুনিৰ অন্তৰত তুঁহ জুই জলিল। পিতৃ হত্যাৰ তৰ্পণ কৰিব নোৱাৰা পৰ্য্যন্ত চকুত টোপনি নাইকিয়া হল। দুৰ্য্যোধনক উচতাই দিলে। শেষত মাত্ৰ পাঁচ পাণ্ডৱৰ হতুৱাই ওঠৰ দিনৰ ভিতৰতে কুৰুকুল ধ্বংস। শকুনিৰ অন্তৰৰ তুঁহ জুয়ে শাম কাটিলে।

কুৰিশতিকাত মহামতি চাৰ্চিল হিট্‌লাৰ, ৰুজ্‌ভেল্ট, আইচেন্‌হাৱাৰ আদিৰ বুকুতো তুঁহ জুই জলিল। পৃথিৱী জুৰি দুখানকৈ মহাসমৰ লাগিল। লাখলাখ লোক নিহত হল। অলেখ গৃহহীন। নাগাচাকি, হিৰোচিমা ধ্বংস হল। জাৰ্ম্মানী, জাপানী আদি শক্তিশালী জাতিবোৰৰ কঁকাল ভাঙিল। বৈজ্ঞানিকৰ অন্তৰৰ তুঁহজুই জলি উঠিল। নানাবিধ মাৰাত্মক অস্ত্ৰ শস্ত্ৰৰ আবিষ্কাৰ হল। প্ৰশান্ত মহাসাগৰৰ বুকুত আমেৰিকাই আনবিক শক্তিৰ পৰীক্ষা চলালে। জাপানৰ নিৰীহ মাছ মৰীয়া কেইটাৰ মৃত্যু হল, ৰেডিও এক্টিভত। পূব এচিয়াৰ জাতি সমূহ ভয়ত কম্পমান; কোনদিনা “ৰেডিও এক্টিভ”ত কাৰ মৃত্যু হয়। পৰাক্ৰমী জাতিসমূহ আনবিক গৱেষণাত ব্যস্ত। মাত্ৰ চাৰিটা হায়ড্ৰোজেন্ বোমাৰ দ্বাৰা পৃথিৱীক ৰোলে এতিয়া গেচ্ কৰি উৰাই দিব পাৰে। (“কলিৰ শেষত হৈব কল্কি অৱতাৰ.......... ।”)

অপৰিপক্ক মগজুত চিন্তাৰ শেষ আত্মহত্যাত। হিন্দু শাস্ত্ৰৰ মতে আত্মহত্যাই ডাঙৰ পাপ। এনে মহা পাপলৈকো ভয় নকৰি বহুতেই আত্মহত্যা কৰে। কিয়? চিন্তাৰ তুঁহ জুইৰ পোৰণি শাম কটাবলৈকে নহয় জানো? আত্মহত্যা কৰোতা সকলৰ মাজত এনে এজন নোলাব যাৰ চিন্তাই আত্মহত্যাৰ কাৰণ নহয়। মৰিলে কেনে লাগে তাকে চাবলৈ কেৱে আত্মহত্যা কৰিবলৈ নাযায়। মানুহৰ বুকুত বিশেষ কাৰণ বশতঃ চিন্তাৰ তুঁহ জুই জলে আৰু এই তুঁহ জুইৰ উপশমৰ কোনো পথ বিচাৰি নেপোৱা মূৰ্খ জনেই শেষত আত্মহত্যা কৰে। অযথা বাহিৰা চিন্তাৰ ফলত বহুতো ছাত্ৰই বাৰে বাৰে পৰীক্ষা দিও কৃতকাৰ্য্য হব নোৱাৰে। বহুতে আকৌ এই জুইৰ পোৰণিত আনৰ অপকাৰ চিন্তে। এয়েই হিংসা। চিন্তাৰ তুঁহ জুইৰ অন্ধকাৰ ফালৰে ইও এটা অংশ বিশেষ। পৰৰ অপকাৰ কৰি হলেও হিংসুকলোকে অন্তৰত তুঁহ জুই নুমুৱাবলৈ যত্ন কৰে। ফলত সমাজ তথা দেশৰ অপকাৰ হয়।

তুঁহ জুই উমি উমিহে লাগে।

—০:*:০—



# “সত্যমেৱ জয়তে”

গল্প]

শ্ৰীচন্দ্ৰকান্ত বৰকাকতী

নিশা ১১ বাজিল। অসহ্য গৰমত বিছনাত দীঘল দি ছাটি ফুটি কৰিছো। দুৱাৰ খিড়িকি জপাবৰ সাধ্য নাই। কতো গছৰ পাত এটিও লৰা নাই। হাতত বিছনিখন লৈ বাহিৰ ওলালো। ফৰিং ফুটা জোনাক। বিজুলী বিছনিৰ তলত ধনীৰ দুলালহঁত আৰামেৰে নিদ্ৰা গৈছে। মোৰ নিচিনা দুৰ্ভগীয়া দুই এজনৰ বাহিৰে বাট পথত কাৰো সাৰ সহাৰিয়েই নাই। বিশাল লুইতৰ পাৰলৈ খোজ ললো। কিজানিবা এছাটী বতাহ পাওঁৱেই, সেই বুলি। লুইতৰ পাৰৰ পাহাৰৰ এমূৰে নামনিত ধুনীয়া ফুলনিখনি। বিধে বিধে ফুলা ফুলৰ সুবাসেৰে ঠাইডোখৰ মলমলাব লাগিছে। ফুলনিখনৰ মাজতে শান্তিৰ প্ৰতীক গান্ধীজীৰ মৰ্ম্মৰ প্ৰতি মূৰ্ত্তিটোৱে নৈৰ ফালে মুখ কৰি, সেই নিস্তব্ধ নিশা, স্নিগ্ধ আকাশৰ তলত যেন জগতত শান্তিৰ বাণী প্ৰচাৰ কৰিব ধৰিছে। ৮ ফুট ওখ বেদীৰ ওপৰত প্ৰতিমূৰ্ত্তিটো। বেদীৰ চাৰিওফালে নগৰ সমিতিয়ে দিয়া চাৰিখন বেঞ্চ। ফুলনিলৈ সোমাই দক্ষিণৰ বেঞ্চখনতে দীঘল দিলো। মনত নানা ভাবৰ খলকনি। বেদীৰ সিপাৰে উত্তৰৰ বেঞ্চখনত কোনোবা দুজনে কথা পতা শুনিলো। ৰাতিৰ নিস্তব্ধতা ভেদি তেওঁলোকৰ কথোপকথন খিনিয়ে মোৰ কাণত খল্‌খলাবলৈ ধৰিলে। উদ্বিগ্নভাৱে তেওঁলোকৰ কথালৈ কাণ জাগি ৰলো। ওখ বহল বেদীৰ ইপাৰে সিপাৰে কোন আছে, দেখিবৰ উপায় নাই। গতিকে আমি কোনেও কাকো দেখা পোৱা নাছিলো। পশ্চিমৰ পৰা অহা এছাটী বতাহে গা জুৰ লগাই দিলেহি। টোপনিয়ে চকু মুদাই নিছিল যদিও, তেওঁলোকৰ ৰসাল কথাখিনিয়ে মোক চকু জপাবলৈ নিদিলে। কাণত পৰিল এজনে কৈছে, “বুজিছা নবীন, তুমি যেতিয়া খদ্দৰৰ চোলা চুৰিয়াজোৰ পিন্ধি মূৰত গান্ধী টুপীটো লৈ, সেইদিনা স্বাধীনতা উৎসৱৰ সভাত উপস্থিত হলাহি তোমাক দেখা পাই মোৰ যে কিমান উকটি উকটি হাঁহি উঠিছিল। কি কম অকল ময়ে নহয় বহুতে তোমাক দেখা পাই ফিচিঙা ফিছিং কৰি হাঁহিছিল বুজিছা?” নবীনে কলে “তাৰ কাৰণ কি তৰুণ?”

তৰুণে কলে, “তোমাৰ হঠাৎ অভূতপূৰ্ব্ব পৰিবৰ্ত্তন দেখি। ৪২ৰ বিপ্লৱত পুলিচৰ গুপ্তচৰ হৈ, তুমি নিৰীহ গাৱলীয়া ৰাইজৰ ওপৰত যি অমানুষিক অত্যাচাৰ কৰিছিলা, তাক দেশবাসীয়ে সতকাই পাহৰা টান। গান্ধীজীৰ নামত তুমি জুইতো খেৰ এডাল নিদিছিলা। আজি সেই গান্ধীজীৰ মৰ্ম্মৰ মূৰ্ত্তিৰ তলত শান্তি বিচাৰি আহিছা। তোমাৰ আন্তৰিকতাত ৰাইজৰ সন্দেহ,— আনকি মোৰো সন্দেহ,

নবীনে কলে, "তুমি কি বুজিবা ভাই, ৰাজনীতিৰ খেলা এনেকুৱাই। দেখা নাই, আজি মোৰ নিচিনা বহুতো লোকৰ দেশ প্ৰেমৰ জোৱাৰ ভাটাত খুন্দা খাই, নিজকে দেশ প্ৰেমিক বুলি পৰিচয় দিয়া দালদবিদ্ৰহঁত ফৰিং ছিটিকাদি চিটিকি পৰিব ধৰিছে। সিহঁতৰ ঠাই আজি দেশৰ ৰাজনীতিত নহয়, সিহঁতৰ কাম গাৱঁত, সেৱা কৰিবলৈ জন্ম লৈছে সিহঁতে সেৱা কৰিব। কিছুমান চকুচৰহাৰ, মোৰ ধন সম্পত্তি দেখি বুকুত জুই জ্বলিছে। কিন্তু দেশৰ নেতা সকলে মোক বুকুত সাৱটি লৈছে। কিছুমানে দাবী কৰিব পাৰে, তেওঁলোকৰ বুকুৰ তেজ দি স্বাধীনতা আনিছে, আমিও দাবী কৰিব পাৰো, মূৰৰ ঘাম মাটিত পেলাই তীক্ষ্ণধাৰ খুৰৰ সাকো বগাই উপাৰ্জ্জন কৰা ধনেৰে সেই স্বাধীনতা উজ্জল কৰি তুলিছো। জীৱনত অন্যায় কৰি বহুত টকা ঘটিছো কণ্ট্ৰল দেৱীয়ে আমাৰ নিচিনা কতজনক, ধূলিৰ পৰা মানুহ কৰিলে। তাৰ প্ৰতিদানো আমি নিদিয়াকৈ থকা নাই।"

তৰুণে কলে, "আৰু তাৰ কাৰণে, লক্ষ লক্ষ এমুঠি খাবলৈ নোপোৱা দৰিদ্ৰৰ বুকুৰ তেজ শুহি আনি, নিজৰ অট্টালিকা বান্ধিলা. ৰোলচয়েলচ, গাড়ী কিনি আভিজাত্যৰ জখলাত উঠিলা, কানি বৰবিহৰ উচ্ছেদৰ কাৰণে হেজাৰ হেজাৰ ডেকাই নিৰ্য্যাতন ভুগিলে, আৰু তোমালোকে চোৰাং কানিৰ ব্যৱসায় কৰি সমাজত ধনী বোলাইছা। দেশৰ এই নিৰ্য্যাতিত নিপাড়িত ৰাইজে মুখেৰে তোমালোকক ভালৰি বোলালেও পেটে পেটে ঘিণ কৰে, অভিশাপ দিয়ে বুজিছা।"

"থোৱা সেই অভিশাপ! ধন হলেই সকলো হয় বুজিছা! চোৱা এই ধনৰ দ্বাৰা মই কি কাম কৰা নাই, মোৰ ধনেৰে দেশৰ কিমানবিলাক অনুষ্ঠান গঢ়ি উঠিছে। তুমি দেখা নাইনে, মোৰনো মান কত নাই, স্কুল, কলেজ, ডাক্তাৰখানা, সকলোতে পাবা। এইবোৰ জানো দেশৰ কাম নহয়?"

তৰুণে কলে, "তুমি যিমানেই যি নোকোৱা, সকলোবিলাক খুচৰি চালে পাবা, দুখীয়াৰ তেজ। দেশৰ অনিষ্ট সাধন কৰি অসৎ উপায়ে উপাৰ্জ্জন কৰা ধনেৰে যিমানেই ভাল কাম নকৰা, সি কেতিয়াও স্থায়ী ভাৱে দেশৰ মঙ্গল সাধন কৰিব নোৱাৰে। তাত গৌৰৱ কৰিবলগীয়া একো নাই। একোটা পৱিত্ৰ অনুষ্ঠানত অসৎ উপায়েৰে ঘটা ধনেৰে কৰা সাহায্যই, অনুষ্ঠানটো কলুষিত হে কৰে। সেইদেখি গান্ধীজাক তিলক স্বৰাজ ফণ্ডলৈ কোনোবা এজন লাভখোৰে এক কোটি টকা দিবলৈ আগবঢ়াতো তেনে দান তেখেতে প্ৰত্যাখ্যান কৰিলে। দেশৰ আবাল বৃদ্ধ, ধনী দুখী সকলোৰে পৰা চাৰি অনাকৈ সংগ্ৰহ কৰি, সেই ফণ্ড গঢ়ি তুলিবলৈ সচেষ্ট হৈছিল, বুজিছা।"

নবীনে কলে, "সেইবোৰ কথা আজি বাদ দিয়া, আজি গান্ধীও নাই, গান্ধীৰ নীতিও নাই। দেখা নাইনে, একালে চোৰাং বজাৰ দুৰ্নীতিয়ে দেশ ছাটি ধৰিছে, আনকালে গান্ধীজীৰ আদৰ্শৰ কথা নেতা সকলৰ মুখত আখৈ ফুটাদি ফুটে। এয়ে আজি দেশৰ নীতি। সিদিনা কি হৈছিল তোমাৰ মনত নাইনে? মনিলালৰ গুদামত যেতিয়া কেবালাখো টকাৰ চোৰাং কাপোৰৰ গাঁথ ওলাল, দেশৰ ৰাইজে তবধ মানিলে, কিছুমান নেতাই ভাবিলে, ভাল চিকাৰ ওলাল, কিমান যে নেতা ইয়াৰ পৰা উপকৃত হল কি কম। দান দক্ষিণাই সকলো পাপ খণ্ডন কৰে, সেইদেখি এই যে দেখিছা মহামানৱৰ প্ৰতিমূৰ্ত্তি, ইয়াতময়ো দুহেজাৰ টকা দান দিছো, মোৰ আৰু মনিলালৰ নিচিনা বহুতো চোৰাং বেপাৰীৰ ধনেৰে এই মূৰ্ত্তি প্ৰতিষ্ঠা হৈছে। উঃ! কথাত কথা কৈ বহুত কথা কৈ পেলালো। তাকো তুমি কতো কুলিওৱা বুলিছে। এনেকৈয়ে আমাৰ পাপৰ প্ৰায়শ্চিত্ত কৰিছো বুজিছা!"

তৰুণে কলে, "এৰা এতিয়া পাপৰ প্ৰায়শ্চিত্তও এনেকৈ নকৰি কেনেকৈ কৰিবা। জীৱিত অৱস্থাত গান্ধীজীৰ সেৱাৰ সুযোগ তোমালোকৰ ভাগ্যত নঘটিল, এতিয়া গান্ধীজীৰ মৰ্ম্মৰ মূৰ্ত্তি আগত ৰাখি দুৰ্নীতিৰ পোহাৰ মেলিবলৈ সুযোগ মিলিল। মূৰত গান্ধীটুপী, গাত খদ্দৰৰ চোলা চুৰিয়া, ভিতৰৰ গেঞ্জিটো অৱশ্যে মিলৰ হলেও হানি নাই, এই সাজটো পিন্ধি যলৈকে যোৱা তাতে সমাদৰ পাবা। ত্ৰিশ বছৰ সাধনা আৰু নিৰ্য্যাতনৰ ফলত আনে যিখিনি কৰিব নোৱাৰিলে, তোমালোকে সেইখিনি এক তিলিকতে আদায় কৰিলা। এইবোৰ ভাললৈহে হৈছেনে বেয়ালৈকে হৈছে কব পৰা নাই এচোন।"

নবীনে ঠাট্টাৰ সুৰত হাঁহি হাঁহি কলে, "বিষকুম্ভ পয়োমুখহে চলিব পৰাটোৱেই জানো আজি দেশৰ নীতি হৈ পৰা নাই তৰুণ? নহয় বুলি কোৱাচোন!"

তৰুণে কলে, "নহয় বুলি কম এশ বাৰ কম; তোমালোকৰ ভণ্ডামী, তোমালোকৰ মুখা পিন্ধা ভাওনা, বেচিদিন চলি থাকিবলৈ দেশে নিদিয়ে। এদিন আহিব, যিদিনা দেশবাসীয়ে তোমালোকৰ ভণ্ডামীৰ মুখা খুলি আচল স্বৰূপ উলিয়াই দিব, বুজিছা বন্ধু, সেই দিন আহিবলৈ সৰহ দিন নাই। ৰাষ্ট্ৰৰ বাণীয়ে সেই দিনলৈ আহ্বান জনাব লাগিছে। সত্যমেৱ জয়তে।"

কথোপকথন শুনি থাকোতেই টোপনিয়ে চকুজোৰ জাপ খুৱাই নিবলৈ ধৰিলে। এনেতে কাছাৰীৰ ঘৰ কাঁহত এটাৰ কোব পৰিল। গিৰিপকৈ উঠি বহিলো। একাদশীৰ চন্দ্ৰই পশ্চিমাকাশত ডুব দিবৰ উপক্ৰম কৰিছে। ততাতৈয়াকৈ ঘৰ মুৱা হলো। নানা ভাৱে মনতে খুন্দিয়াবলৈ ধৰিলে। দেশে আজি কোনফালে গতি কৰিছে। আজি গান্ধীও নাই গান্ধীনীতিও নাই। গান্ধীজীৰ নীতিৰ অন্তৰালত যেন, এটা বিৰাট উপহাসৰ আখৰা চলিব লাগিছে! ভাৱাক্ৰান্ত হৃদয় লৈ ঘৰ পাই বিছনাত দীঘল দিলো। স্মিত হাস্য গান্ধীজীৰ সেই সৌম্য মূৰ্ত্তিকে ধ্যান কৰি আছো। চিল্ মিলকৈ টোপনি আহিল। সপোনৰ ৰামৰাজ্যৰ অধঃপতন দেখি গান্ধীজীয়ে স্বৰগৰ পৰা মৰ্ত্তালৈ চাই চকুলো টুকিছে। তাৰে এটোপাল চকুপানী মোৰ চকুত পৰা যেন পালো। ছাট কৰে সাৰ পালো। পূৱে চল ফাট্ দিলে।

—০—



# যুগৰ কৱিতা

মোঃ মফজ্জুল হুছেইন।

কৱিতা]

চলে ভগা ফ'ৰ্ড গাড়ী
—ঘণ্টাত ৩০ মাইল।
বোকা বাট বাৰিষাৰ;
চকা চিলিপ কৰে,
"ভোঁ-ভোঁ-ভোঁ ওঁ--ওঁ"—
(ব্যৰ্থতাৰ হুমুনিয়া।)
বাটৰুৱাই হাঁহে— তাচ্ছিল্যৰ হাঁহি।
গছকৰ দুবৰি বন বিদ্ৰোহী,
ষ্টুডিবেকাৰে ধূলি উৰুৱাই ঢাকি ধৰে
এল. পি. ৰ "প্ৰিন্সিপালৰ"
৬০৲ টকা দৰ্ম্মহাত আক্ষেপ;
মন্ত্ৰীয়ে কয় "ত্যাগী হোৱা"।

প্ৰিয়া, বৰ ডাঙৰ ভুল কৰিছা।
টকাৰ দুনীয়া, টকাৰ বিৰহা;
প্ৰেমৰ জানো?.........
ভিক্ষাৰীৰ অভিযোগ ভিক্ষা নিদিয়ে,
মোৰ অভিযোগ দৰ্ম্মহা নাবাঢ়ে
নাগিচৰ হাঁহিত হাজাৰ টকা;
তোমাৰ অভিযোগ কি?
আকাশৰ ধ্ৰুৱ তৰা বেচি উজ্জ্বল জানো
-খিলিকিৰ কাঁচৰ আইনাৰ মাজেদি
জিলিকা লাইটৰ পোহৰত কি?

—:০:—

গল্প ]

# “দেৱাঃ ন জানন্তি”

শ্ৰীমনোমোহন মহন্ত।

তেওঁবেই সংস্থাৰ সহকাৰী অধ্যক্ষজনৰ ঘৰৰ এক সান্ধ্য ভোজনোৎসৱত মঁচিয়ে লঁাটিয়ে সেই সুন্দৰী ছোৱালীজনী লগ পাইছিল আৰু প্ৰথম দৃষ্টিতেই তেওঁৰ প্ৰেমত আত্মহাৰা হৈ উঠিছিল।

ছোৱালী জনী কিছুদিনৰ আগতে মৃত্যু হোৱা এজন গ্ৰাম্য ডাক্তৰৰ কন্যা আছিল। নিজৰ কন্যা-দায়ৰ পৰা ৰক্ষা পাবৰ সুবিধা বিচাৰি ঘূৰি ফুৰা মাকৰ লগত আহি এওঁ পেৰী চহৰত বাস কৰিছিলহি। এওঁলোক গৰীব, সজ, শান্ত, আৰু নিৰ্ব্বিকাৰ আছিল।

ডেকা ছোৱালী জনী প্ৰকৃত ধাৰ্ম্মিক স্বভাৱৰ আছিল। আৰু প্ৰত্যেক যুৱকেই তেওঁক জীৱনত লাভ কৰাৰ স্বপ্ন দেখিছিল। তেওঁৰ সৰল সৌন্দৰ্য্যত স্বৰ্গীয় সৌম্য পৰিস্ফুত হৈ উঠিছিল আৰু যুগল ওঁঠৰ বিৰিডি থকা হাঁহিত এটি নিৰ্ম্মল প্ৰাণৰ প্ৰতিবিম্ব ফুটি উঠিছিল। চতুৰ্দ্দিকে তেওঁৰ যশ বিয়পি গৈছিল। সাধাৰণতে মানুহে কৈছিল :

“এওঁৰ প্ৰেম যি জনে লাভ কৰিব, তেওঁ প্ৰকৃততে সুখী হব। মানুহে এওঁতকৈ সুন্দৰী স্ত্ৰী পাবই নোৱাৰে।”

মঁচিয়ে লঁাটিয়ে সাত শ ডলাৰ সুসংস্থান কৰিছিল। লগতে বিয়াৰ চিন্তাও কৰিলে—এই অননুকৰণীয় ছোৱালী জনীৰ লগতে। বিয়া হৈ গল।

তেওঁ ছোৱালী জনীৰ লগত অৱৰ্ণনীয় ভাবে সুখী হল। তাই ঘৰখন এনেকৈ শাসন কৰিলে আৰু খৰছ পাতিৰ পৰিপাট্য এনেকৈ কৰিবলৈ ধৰিলে যে দুজনেই বিলাসত বাস কৰা যেন অনুমান কৰিলে।

তাই স্বামীক নানা নিপুনতাৰে আয়ত্বাধীনত আনিছিল আৰু তাইৰ উপস্থিতিয়েই মঁচিয়ে লঁাটিৰ মনত এনে ভাব আনিছিল যেন তেওঁৰ তাইৰ প্ৰতি প্ৰেম প্ৰথম মধুনিশাতকৈও গাঢ়তৰ আৰু গভীৰতৰ হৈ উঠিছে— দৈনন্দিন — এই দীৰ্ঘ ছয় বছৰ !………

কেৱল দুটা কথা মঁচিয়ে সঁচায়ে অপছন্দ কৰিছিল : এক — ঠিয়েটৰৰ প্ৰতি প্ৰবল ইচ্ছা আৰু দুই— নকলী অলঙ্কাৰৰ প্ৰতি তাইৰ আকাঙ্খা। তাইৰ বন্ধুসকলে তাইৰ কাৰণে প্ৰতি ঠিয়েটৰতে এট এটি উপহাৰৰ বাকচ আনিছিল আৰু দিনৰ কঠোৰ পৰিশ্ৰমৰ অন্তত ক্লান্ত হৈ থকা স্বত্বেও তেওঁ স্ত্ৰীৰ লগত ইচ্ছাই অনিচ্ছাই ঠিয়েটৰলৈ যাবলৈ বাধ্য হৈছিল।

কিছুদিনৰ পিচত মঁচিয়ে লঁাটিয়ে স্ত্ৰীক অনুৰোধ কৰিছিল যেন তাই তেওঁক আহুকাল নকৰি পৰিচিতা বান্ধৱীসকলৰ লগতে ঠিয়েটৰ আদিলৈ যোৱা কৰাৰ বন্দোবস্ত কৰি লয়। স্বামীৰ মনত শান্তি আৰু আনন্দ দিবৰ হকে শেহত তাই তাকেই কৰিলে।

পিচে, লাহে লাহে ঠিয়েটৰৰ প্ৰেমে তাইৰ অন্তৰত ৰূপ গ্ৰহণ কৰিলে পুৰুষ-প্ৰেমৰ ৰূপে ! তাইৰ পোচাক পৰিচ্ছদ অৱশ্যেই আগৰ দৰে সৰল হিচাবেই ৰল ; কিন্তু কাণত সুন্দৰ সুন্দৰ নকলী মণিৰ কেৰু,— প্ৰকৃত হীৰাৰ দৰে উজ্জ্বল হৈ জিলিকিবলৈ ধৰিলে। গলত পিন্ধিলে নকলী মুকুতাৰ হাৰ ;—বহুত নকলী সোণৰ বাহুবন্ধ।

তাইৰ স্বামীয়ে তাইক প্ৰায়েই কৈছিল :

“প্ৰিয়ে, তুমি আচল-মণি-মাণিকৰ অলঙ্কাৰ কিনিবলৈ সক্ষম নোহোৱা। গতিকে নিজকেই তুমি অনুমান কৰা উচিত যে তুমি তোমাৰ সৌন্দৰ্য্যেৰে সুশোভিতা। কাৰণ স্ত্ৰী জাতিৰ প্ৰকৃত অলঙ্কাৰ সৌন্দৰ্য্য আৰু নিৰ্ম্মলতা।” …………

কিন্তু তাই মিচিকি হাঁহি কেৱল কৈছিল :

“মই কি কৰোঁ ? অলঙ্কাৰ-প্ৰেমেই যে মোৰ আনন্দ। অৱশ্যেই ই মোৰ দুৰ্ব্বলতা। কিন্তু আমি সাধাৰণতে স্বভাৱ পৰিবৰ্ত্তন কৰিব নোৱাৰো।”

তাৰ পিচত তাই হাৰদাল আঙুলিত মেৰাই তাৰ উজ্জ্বলতম মণিটো স্বামীক দেখাই কৈছিল :

“চোৱা, ইহঁত প্ৰকৃততে সুন্দৰ নহয়নে ? মানুহ পতিয়ন যাব যেন এইবোৰ আচল মণিহে।”

মঁচিয়ে লঁাটিয়ে হাঁহি উত্তৰ দিছিল : “তোমাৰ তৃপ্তি স্বতন্ত্ৰ প্ৰিয়ে।”

প্ৰায়েই সন্ধ্যা তেওঁলোক যেতিয়া জুইশালৰ ওচৰত মনে মনে বহি থাকিছিল তেতিয়া তাই অলঙ্কাৰ-ৰখা চামৰাৰ বাকচটো আনি টেবুলৰ ওপৰত ৰাখিছিল আৰু নকলী অলঙ্কাৰবোৰ— যিবোৰ মঁচিয়ে লঁাটিয়ে আৱৰ্জ্জনা বুলি কৈছিল— সেইবোৰ তাই এনেকৈ লিৰিকি বিদাৰি থাকিছিল— যেন কি এক আন্তৰিক তীক্ষ্ণতা আৰু দুৰ্ভেদ্য গভীৰ আনন্দ সেইবোৰৰ লগত সংশ্লিষ্ট আছিল !! ………

তাৰ পিচত তাই এধাৰ হাৰ লৈ স্বামীৰ গলত পিন্ধাই দি কৈছিল :

“চোৱা তোমাক কেনে সুন্দৰ দেখায়।” এই বুলি কৈ লাহে লাহে তাই স্বামীৰ দুবাহুৰ মাজত নিজকে বিলীন কৰি দি চুম্বন কৰিবলৈ আৰম্ভ কৰিলে। … …

এক শীতৰ সন্ধ্যা তাই থিয়েটৰৰ পৰা ঘূৰি আহোঁতে বাটতে শীতে আক্ৰমণ কৰিলে। ৰাতি-পুৱাৰ পৰা কঠোৰ কাঁহ আৰম্ভ হল। আঠদিনৰ পিচত তাইৰ মৃত্যু ঘটিল।

তাইৰ মৃত্যু-শোকে মঁচিয়ে লঁাটিক এনেকৈ পীড়ণ কৰিলে যে এক মাহৰ ভিতৰতে তেওঁৰ চুলিবোৰ সমস্ত পকি গল। তেওঁ অনৰ্গল ক্ৰন্দন কৰিলে। শোকত অন্তৰ বিদীৰ্ণ হল আৰু তেওঁৰ মন একেবাৰে বিচলিত কৰিলে— তেওঁৰ মৃতা পত্নীৰ হাঁহি, মাত আৰু সৌন্দৰ্য্যৰ স্মৃতিয়ে ! … …

—তেওঁৰ শোক সময়ে হৰণ কৰিব নোৱাৰিলে। অফিচত বহি থাকোতে তেওঁৰ সঙ্গীসকল যেতিয়া আলোচনাত ব্যস্ত আছিল— তেতিয়া তেওঁৰ দুচকু বাগৰি লোতক বৈছিল আৰু উচুপি শোক পাতলাইছিল। পত্নীৰ মৃত্যুৰ আগতে ঘৰৰ মালপত্ৰ যেনে আছিলে তেনেকৈয়ে ৰাখিলে। তেওঁ ঘৰটোৰ কোঠাত অকলে অকলে বহি মৃতাপত্নীৰ কথা চিন্তা কৰিছিল— যি গৰাকী পত্নী তেওঁৰ যথাসৰ্ব্বস্ব আৰু আনন্দৰ স্বৰূপ যেন আছিল।

লাহে লাহে তেওঁৰ জীৱন হাহাকাৰময় হৈ উঠিল। তেওঁৰ যি কণ আয় আছিলে সেইয়েই পত্নীৰ হাতত পৰি ঘৰৰ খৰচ পাতিৰ কাৰণে যথেষ্ট হৈ উঠিছিল ; কিন্তু এতিয়া সেই আয়ে অতি প্ৰয়োজনীয় অভাৱকণো পূৰাব নোৱাৰা হৈ পৰিল। তেওঁ এতিয়া তাকে ভাবি আচৰিত হয় যে তেওঁৰ পত্নীয়ে সেই সামান্য আয়েৰে সুন্দৰ মদ কিনি, প্ৰয়োজনীয় সামগ্ৰী আৰু অন্যান্য যাৱতীয় জিনিছ পত্ৰ কিনি কেনে সুন্দৰ ভাৱে ঘৰ চলাব পাৰিছিল !

তেওঁৰ ধাৰ লাগিব ধৰিলে। আৰু দুৰ্ব্বল দৰিদ্ৰই আগুৰি ধৰিলে। এদিন পুৱা জেপত এক চেণ্টও বিচাৰি নাপাই জিনিছপত্ৰ বিক্ৰি কৰাৰ চিন্তাকে আৰু পত্নীৰ নকলী অলঙ্কাৰবোৰকে বেচাটো ঠিক কৰিলে। সেই নকলী অলঙ্কাৰ বোৰৰ কাৰণে তেওঁৰ অন্তৰত এক ঘৃণ্য-তিক্ততা জন্মিল। সেইবোৰে অতীততো তেওঁৰ অন্তৰ দহিছিল আৰু বৰ্ত্তমানো মৃতাপত্নীৰ চিন্তা আনিছিল।

তাই জীৱনৰ শেষ দিন পৰ্য্যন্ত এনে অলঙ্কাৰ কিনিছিল আৰু প্ৰতিদিন পুৱাই ঘৰলৈ একোপদ কিনি আনিছিল। যদিও নকলী আছিল, তথাপি সুন্দৰ কাৰুকাৰ্য্য কৰা ভাৰী হাৰ দালকে-যি দাল তাই বৰ আদৰ কৰিছিল— বেচি পেলাবলৈ ঠিক কৰিলে— ছয় বা সাত ফ্ৰাঙ্কত। সেই হাৰদাল জেপত সুমাই লৈ তেওঁ স্বৰ্ণকাৰৰ দোকান বুলি যাত্ৰা কৰিলে। প্ৰথমেই যিখন দোকান দেখিলে তাতেই সোমাল। কিন্তু এনেএটা মূল্যহীন নকলী মাল বিক্ৰি কৰিবলৈ, অনা কথাটো ভাবি নিজে লাজ অনুভৱ কৰিলে।

“মহাশয়, এই বস্তুটোৰ দাম কিমান হব পাৰে— মই জানিবলৈ ইচ্ছা কৰোঁ।” —দোকানীক কলে।

দোকানীজনে বস্তুটো হাতত ললে, ভালকৈ পৰীক্ষা কৰিলে, তেওঁৰ কেৰানীজনক মাতি আনিলে আৰু ফুচ্ফুচাই কিবা কথা পাতিলে। বস্তুটো অলপ দূৰত ৰাখি পৰীক্ষা কৰি চালে— ই আৰু হয়বে

নহয়। ম'চিয়ে ল'াটিয়ে এইবোৰ কাণ্ড দেখি ক্রুদ্ধ হল আৰু মনে মনে কবলৈ ইচ্ছা কৰিলে: "জানো জানো এই বস্তুটোৰ কোনো মূল্যই নাই।"

ইতিমধ্যে দোকানীয়ে আৰম্ভ কৰিলে: "মহাশয় হাৰদালৰ মূল্য পোন্ধৰৰ পৰা ষোল হাজাৰ ফ্রাঙ্ক্ হব। কিন্তু এই বস্তুটো ক'ৰ পৰা পাইছিলে— তাকে নকলে মই ইয়াক কিনিব নোৱাৰোঁ।"

ম'চিয়ে ল'াটিয়ে চকু মুখ মেলি ৰৈ গল আৰু দোকানীয়েনো কি বুলিলে একো ততেই ধৰিব নোৱাৰিলে। শেষত অপ্রস্তুত হৈ কবলৈ আৰম্ভ কৰিলে: "আপুনি কথাটো ঠিক্ কৈছেনে?"

অন্যজনে নিৰস ভাবে উত্তৰ দিলে— "হয়তো কোনোবাই মোতকৈ বেচি দামও দিব পাৰে। গতিকে আপুনি অন্য ঠাইত চেষ্টা কৰি চাব পাৰে। মই হলে খুব বেচি পোন্ধৰ হাজাৰ ফ্রাঙ্কেই দিম। যদি অন্য ঠাইত ভাল সুবিধা কৰিব নোৱাৰে তেন্তে আকৌ আহি জনাব।"

ম চিয়ে ল'াটিয়ে আচৰিত হৈ হাৰদাল লৈ দোকান এৰিলে। বাহিৰত আহি এবাৰ হাঁহিবৰ ইচ্ছা হল আৰু নিজে নিজেই কৈ উঠিল: "মূৰ্খ! যদি মই তাৰ কথাকে মানিলোহেঁতেন! স্বৰ্ণকাৰ টোৱে আচল নকলৰ ততকে ধৰিব নোৱাৰিলে।"

কিছু সময়ৰ পিচত তেওঁ অন্য এখন দোকানত সোমাল। তাৰ দোকানীজনে বস্তুটো দেখা মাত্রকে চিয়ৰি উঠিল।

"আঃ বস্তুটো ঠিক চিনিছোঁ। এইটো ইয়াৰ পৰাই কিনা হৈছিল।" ম'চিয়ে ল'াটিয়ে অপ্রস্তুত বোধ কৰিলে আৰু কলে-"ইয়াৰ দাম কিমান হব?"

"দেখক, মই ইয়াক বিশ হাজাৰ ফ্রাঙ্কত বেচি-ছিলোঁ। যদি আপুনি ৰীতিমত জনাই যে ই আপোনাৰ হাতত কেনেকৈ পৰিল, তেন্তে মই ঘূৰাই কিনিলে ওঠৰ হাজাৰ ফ্রাঙ্ক দিম।"

এইবাৰ ম'চিয়ে ল'াটি একেবাৰে বোবা হল। কলে: "কিন্তু ভালকৈ পৰীক্ষা কৰি চাওক। এই পৰ্য্যন্ত মোৰ ধাৰণা আছিলে যে ই নকলীহে।"

দোকানী জনে কলে— "আপোনাৰ নাম?"

ল'াটি। আভ্যন্তৰীণ-মন্ত্রী-দপ্তৰত চাকৰি কৰোঁ। '১৬ নং ৰাঁ ড্য' মাৰ্টায়ৰ্স্'ত থাকোঁ।"

দোকানী জনে খাতা খুলিলে। আৰু কলে— "এই হাৰদাল ম্যাডাম্ ল'াটিলৈ পঠোৱা হৈছিল— ১৬ নং ৰাঁ ড্য' মাৰ্টায়ৰ্স'ৰ ঠিকনাত। ১৮৭৬ চনৰ ২০ জুলাইত।"

দুয়ো চকুৰে চকুৰে চায়েই ৰল। ল'াটি নিৰ্ব্বাক-আশ্বৰ্য্যান্বিত। দোকানীজনে যেন এটা চোৰৰহে সন্ধান পালে! আৰু কলে। "চব্বিশ ঘণ্টাৰ কাৰণে এই বস্তুটো ইয়াত থৈ যাব পাৰেনে? অৱশ্যে মই তাৰ ৰচিদ দিম।"

"নিশ্চয়।" ম'চিয়ে ল'াটিয়ে উত্তৰ দিলে আৰু ৰচিদ খন জেপত ভৰাই লৈ দোকান ত্যাগ কৰিলে।

তেওঁ বাটে বাটে নিৰুদ্দিষ্ট মনে ঘূৰি ফুৰিব ধৰিলে। মনত ভয়ঙ্কৰ হাঁহাকাৰ জাগিল। কথাবোৰ হৃদয়ঙ্গম কৰিবলৈ খুব চেষ্টা কৰিলে। নিশ্চয় তেওঁ এনে মূল্যবান অলঙ্কাৰ কিনিব নোৱাৰিছিল। তেন্তে এইবোৰ উপহাৰ হব লাগিব! কিন্তু উপহাৰ কাৰ পৰা?? তাইক এনে উপহাৰ দিয়াৰ অৰ্থই বা কি থাকিব পাৰিছিল???.........

তেওঁ মাজ পথতে স্তব্ধ হৈ ৰ'ল। এক ভয়ঙ্কৰ সন্দেহ তেওঁৰ মনত জাগিল। উঃ তাই!... তেন্তে বাকী সকলোবোৰ অলঙ্কাৰ নিশ্চয় উপহাৰেই হব লাগিব! তেওঁৰ ভৰিৰ তলৰ পৃথিৱীখন কঁপি উঠিল সন্মুখৰ গছজোপা যেন উঘালি বাগৰি গল। হাত মেলি অজ্ঞান হৈ মাটিত তেওঁ বাগৰি পৰিল!!

এখন ডাক্তৰখানাত তেওঁৰ জ্ঞান ঘূৰিল। তালৈ তেওঁক বাটৰুৱাবোৰে পাই লৈ আহিছিল। পিচত তাৰ পৰা ঘৰলৈ লৈ গল। ঘৰত দুৱাৰ খিৰিকি বন্ধ কৰি তেওঁ কেৱল কান্দিলে। ৰাতি হোৱালৈকে তেওঁ কেৱল কান্দিলেই। শেষত ক্লান্ত হৈবিচনাত বাগৰি পৰিল। গোটেই নিশা অশান্তিত কটালে।

পুৱা উঠি অফিচলৈ যাবলৈ দিহা কৰিলে। কিন্তু এনে এটা অৱস্থাৰ পিচত কাম কৰাটো অসম্ভৱ



হৈ উঠিল। অফিচাৰলৈ এখন চিঠি দি ছুটি ললে। তেওঁ যে স্বৰ্ণকাৰৰ দোকানলৈ যাব লাগে কথাটো মনত পৰিল। কথাটো অৱশ্যেই মনঃপুত নহল। কিন্তু হাৰ-দাল যে তাত এৰিব নোৱাৰি। গতিকে পোচাক পিন্ধি যাত্রা কৰিলে।

দিনটো বৰ সুন্দৰ আছিল। ওপৰত মুক্ত নীলাকাশ তলত চহৰ। মানুহবোৰে জিৰণিত পকেটত হাত সুমুৱাই আনন্দ মনেৰে তহলি ফুৰিছিল। তেওঁ-লোকক দেখি ম'চিয়ে ল'াটিয়ে ভাবিছিল— "ধনীবো-ৰেই প্রকৃত সুখী। ধনৰ দ্বাৰা মানুহে গভীৰতম শোকো ভুলি যাব পাৰে। ধন থাকিলে মানুহে য'তে ত'তে যাব পাৰে! যাত্রাত শোকৰ নিৰাময় হয়। হায় মই যদি ধনী হলোহেঁতেন!".........

তেওঁ ক্ষুধা অনুভৱ কৰিলে। কিন্তু জেপ উদং। হাৰদালৰ কথা আকৌ মনত পৰিল। ওঠৰ হাজাৰ ফ্রাঙ্ক! ওঠৰ হাজাৰ ফ্রাঙ্ক!! বাঃ কিমান মূল্য!! কুৰিবাৰ তালৈ যাবলৈ স্থিৰ কৰিলে। কিন্তু কুণ্ঠাই তেওঁক বন্ধ কৰিলে। ক্ষুধাই তেওঁক জৰ্জ্জৰ কৰি তুলিলে। কিন্তু জেপত এক চেণ্টও নাই। যোৱা-টোকে তৎক্ষণাৎ স্থিৰ কৰি ৰাস্তাৰ ওপৰেদি দৌৰি-বলৈ ধৰিলে— যেন চিন্তাই তেওঁক ক্লিষ্ট কৰিব নোৱাৰে। শীঘ্রে দোকান খন পালেগৈ। দোকানৰ মালিক জন আগবাঢ়ি আহি এখন চকী আগবঢ়ালে। কেৰাণীজনে তেওঁলৈ দৃষ্টিপাত কৰি ৰ'ল!

"মই খবৰ কৰিলো— ম'চিয়ে ল'াটি।" মালিক জনে কলে— "আৰু যদি আপুনি এতিয়াও বস্তুটো বিক্রি কৰাতে আছে, তেন্তে মই আপোনাক আগতে আগবঢ়োৱা মূল্য দিবলৈ প্রস্তুত।"

"নিশ্চয় মহাশয়!" ল'াটিয়ে খোনাই কলে। এনেতে মালিক জনে টেবুলৰ ড্রয়াৰৰ পৰা ওঠৰখন ডাঙৰ নোট উলিয়াই ম'চিয়ে ল'াটিৰ হাতত দিলে। এওঁ চহী কৰি ধনখিনি লৈ কঁপা হাতেৰে জেপত থলে।

দোকান এৰি পুনৰ বাটৰ পৰা ঘূৰি আহি ল'াটিয়ে দোকানীজনক কুণ্ঠিত ভাবে কলে— "ঠিক একে সূত্রেই পোৱা মোৰ আৰু এনে বহুতো অলঙ্কাৰ আছে। সেইবোৰ আপুনি কিনিবনে?" মালিক জনে সন্মতি জনাই কলে "নিশ্চয়। নিশ্চয়।" গম্ভীৰ ভাবে ম'চিয়ে ল'াটিয়ে কলে— "মই সেইবোৰ শীঘ্রে আপোনাৰ ওচৰলৈ লৈ আহিম।" এঘণ্টাৰ পিচত অলঙ্কাৰ লৈ আহি দোকান পালেহি।

ঃঃ হীৰাৰ এজোৰ ডাঙৰ কাণফুলি- বিশ হাজাৰ ফ্রাঙ্ক।
বাহুবন্ধ— পয়ত্রিশ হাজাৰ ফ্রাঙ্ক।
আঙঠি— ষোল হাজাৰ ফ্রাঙ্ক।
এজোৰ নীলপদ্ম মণি - চৌদ্ধ হাজাৰ ফ্রাঙ্ক।
এধাৰ সোণৰ চেইন— চল্লিশ হাজাৰ ফ্রাঙ্ক।
সকলোখিনি মিলাই, এশ, তিয়াল্লিশ হাজাৰ ফ্রাঙ্ক।

মস্কৰাৰ সুৰত মালিক জনে কলে— "এনে এগৰাকী তিৰোতা অৱশ্যে আছিলে-- যি তেওঁৰ যথাসৰ্ব্বস্ব এনে মূল্যবান অলঙ্কাৰ কিনাতে ব্যয় কৰিছিল।"

ম'চিয়ে ল'াটিয়ে নিৰস ভাবে উত্তৰ দিলে- "এজনৰ ধন ব্যয় কৰিবলৈ অৱশ্যে ইয়ো এটা উপায়।"......

সেই দিনা তেওঁ ভয়'চি'ৰ হোটেলত ভোজন কৰিলে। আৰু কুৰি ফ্রাঙ্ক দামী এবটল ফটিকাও খটম কৰিলে। তাৰ পিচত এখন গাড়ী ভাৰা কৰি বিহাৰ ক'ৰি ফুৰিলে। বাটত চিঞৰি চিঞৰি কৈ ফুৰিলে "ময়ো ধনী হলোঁ— ময়ো ধনী হলোঁ। মোৰো দুশ হাজাৰ ফ্রাঙ্ক আছে।"........

তৎক্ষণাৎ তেওঁৰ অফিচৰ অধ্যক্ষ জনৰ কথা মনত পৰিল। অফিচলৈ গৈ তেওঁ কলেগৈ "মহাশয়, মই চাকৰি ইস্তফা দিবলৈ আহিছোঁ। মই বৰ্ত্তমান তিনিশ হাজাৰ ফ্রাঙ্কৰ উত্তৰাধিকাৰী হৈছো।"

তেওঁৰ পুৰণা বন্ধুবৰ্গৰ লগত কৰমৰ্দ্দন কৰি ভৱিষ্যৎ কৰ্ম্ম পদ্ধতিৰ কথা আলোচনা কৰিলে আৰু তাৰ পিচত 'কেফি-এংলিছ'লৈ ভোজনৰ কাৰণে গল। তাত এজন অভিজাত ভদ্রলোকৰ ওচৰত বহিল। কথা বাৰ্ত্তাৰ লগতে কলে যে "তেওঁ বৰ্ত্তমান চাৰিশ হাজাৰ ফ্রাঙ্কৰ উত্তৰাধিকাৰী হৈছে।"

ৰাতি থিয়েটৰলৈ গল আৰু জীৱনত প্রথম বাৰৰ কাৰণে এইবাৰেই থিয়েটৰ চাই অশান্তি অনুভৱ নকৰিলে। ৰাতিৰ শেষ ভাগটো আনন্দত কটাই দিলে।

ছয় মাহৰ পিচত আকৌ এখন বিয়া পা লে। তেওঁৰ দ্বিতীয় পত্নী ভয়ঙ্কৰ ধাৰ্ম্মিক স্বভাৱৰ মাইকী আছিল। তাই এওঁৰ মনত বৰ নিৰানন্দৰ সৃষ্টি কৰিছিল। *

* গ্যঁ দ্য' মোপাচাঁৰ "False Gems" গল্পটোৰ অসমীয়া ৰূপ।

—০:*:০—

# পুতেকলৈ চিঠি

মূল লিখক :— নিকলা চেকো। অনুবাদক :— শ্ৰীদণ্ডি শইকীয়া।

[ Nicola Sacco ( 1891--1927 ) আমেৰিকাৰ এজন বিশিষ্ট বিপ্লৱী গল্প লিখক আছিল। তেওঁ লিখা প্ৰবন্ধবোৰত সেই সময়ৰ আমেৰিকাৰ সৰ্ব্বহাৰা সমাজ খনৰ একোটা বাস্তৱ ছবি ফুটি ওলাইছিল। আমেৰিকাৰ নিচিনা এখন সমৃদ্ধিশালী দেশতো মানুহে কেনেভাৱে শোষণ আৰু শাসনৰ বিৰুদ্ধে প্ৰাণপাত কৰিব লগীয়া হয়, তাৰেই জ্বলন্ত ৰূপ 'Nicola Sacco'ৰ "A letter to his son" প্ৰবন্ধটো। ]

**মোৰ মৰমৰ ডাণ্টে!**

যোৱাবাৰ তোমাক দেখাৰ পিচৰে পৰা মোৰ সদায় ইচ্ছা হয় যেন তোমালৈ এই চিঠিখন লিখিম। কিন্তু মোৰ অনশন ধৰ্ম্মঘটৰ দৈৰ্ঘ্যাই আৰু তোমাক যেন মোৰ আটাইবোৰ কথা প্ৰকাশ কৰিব নোৱাৰিম তেনে এটা আশঙ্কাই মোক তোমালৈ চিঠি লিখাৰ পৰা বিৰত কৰি ৰাখিছিল। যোৱা পৰহিৰ দিনা মই মোৰ অনশন ধৰ্ম্মঘট ভঙ্গ কৰিলো আৰু যেতিয়াই সেইটো কৰি অটালোঁ, তেতিয়াই মই তোমালৈ চিঠি লিখাৰ কথা ভাবিছিলো; কিন্তু মোৰ যে যথেষ্ট শক্তি নাছিল আৰু সেইটো কৰি শেষ কৰা ক্ষমতাও মোৰ নাছিল। তথাপিতো সিহঁতে মোক মৃত্যুগৃহলৈ লৈ যোৱাৰ আগতে মই যে সেইটো কৰি অটাবই লাগিব; কাৰণ মোৰ কাৰণে এইটোৱেই শুনানী যে যেতিয়াই আদালতে মোৰ আপিল অগ্ৰাহ্য কৰিব তেতিয়াই সিহঁতেও মোক মৃত্যুগৃহলৈ লৈ যাব। হয়তো অহা শুক্ৰবাৰ আৰু সোমবাৰৰ ভিতৰতে একো নহলে আগষ্টৰ ২২ তাৰিখে মধ্যৰাতি আমাৰ ফাঁচী অনিবাৰ্য্য। গতিকেই এই সম্বন্ধে মই এক প্ৰকাৰ খাটাং যেতিয়া ঠিক আগৰ দৰেই তোমালোকৰ মৰম স্নেহকে আঁকোৱালি লৈ খোলা অন্তৰেৰে সুখেৰেই আছো।

মই কেতিয়াও ভবা নাছিলোঁ আমাৰ অভিন্ন জীৱন ভিন্ন ভিন্নহৈ পৰিব বুলি; কিন্তু দুখময় সাত বছৰৰ চিন্তাই সেইটো সম্ভব কৰি তুলিলে। কিন্তু সেইটোৱেইতো প্ৰকৃততে আমাৰ অন্তৰৰ স্নেহ মৰমৰ বান্ধোনটো শিথিল কৰিব নোৱাৰিলে! আগৰদৰেই ৰ'ল, বৰং আমাৰ পাৰ্থিব স্নেহ-বন্ধন আগতকৈয়ো দৃঢ়হে হ'ল। এইটো একো ডাঙৰ কথা নহয়, একো নতুন কথাও নহয়— মানুহৰ কাৰণে মানুহৰ জীৱন পাত! ইয়াৰ মাজতে প্ৰকৃত ভাতৃ স্নেহ লুকাই আছে, তাতেই আছে আনন্দ আৰু নিৰ্য্যাতনৰ কাৰণে নতুন শক্তি! মনত ৰাখিবা ডাণ্টে, আমি এইটো আহিহে দেখুৱাইছো; তোমালোকৰ কাৰণে, গোটেই বিশ্বৰ সৰ্ব্বহাৰা মানুহৰ কাৰণে পথপ্ৰ এইটোৱেই; কিন্তু সেইটো সততা আৰু ত্যাগৰ লগত জড়িত বুলিয়েই আজি আমি গৌৰৱান্বিত!

এই দীঘলীয়া কয়েদী জীৱনত আমি যথেষ্ট কষ্ট ভোগ কৰিছো, কিন্তু আমি আজিও তাকেই কওঁ, কালিলৈকে যি কৈ আহিছিলো; অৰ্থাৎ আমি মানুহৰ মুক্তিৰ কথাকেহে কওঁ। মই মোৰ অনশন ধৰ্ম্মঘট ভঙ্গ কৰিলো, মৰণৰ কাৰণে ভয় কৰি নহয়, তোমালোকৰ ওপৰত মোৰ শেষ কথাখিনি কৈ যাবৰ কাৰণেহে। মই অনশন ধৰ্ম্মঘটৰ যোগেদিয়েই মৰণ বৰণ কৰি হলেও মানুহৰ স্বাধীনতাৰ কথাকেহে দাবী কৰিছিলো; আজিও স্বাধীনতাৰ ব্যতিৰেকে মই মোৰ জীৱন নহয়, মৰণহে বিচাৰিছো।

মোৰ মৰণ যেতিয়া সুনিশ্চিত তেতিয়া আৰু অনশনৰ আৱশ্যকতা কত? সেই কাৰণেই মই সেইটো ত্যাগ কৰিলো, যাতে সিজন্মত আকৌ তোমাক, তোমাৰ ভনীয়েৰা আইনচ্‌ক, তোমাৰ মাৰাক আৰু মোৰ জীৱনৰ সহকৰ্ম্মী বন্ধু সকলক আহি আঁকোৱালি লব পাৰোঁ; কিন্তু সেইবাৰ মৃত্যুক নহয়! মৰণ পথৰ যাত্ৰী আমি, আমাৰ আজি আৰু কোনো লক্ষ্য নাই, জীৱনৰ গতি শান্ত আৰু মন্থৰ হৈ আহিছে আৰু সদায় চকুৰ আগত দুখ আৰু মৃত্যু বিভীষিকাৰ ছবি ভাহি উঠিছে!

বাৰু মোৰ সোণ, তুমি সেইবোৰ চিন্তা মনলৈ নানিবা। তোমাৰ মাৰাই মোৰ ওচৰত বহি কিমান কথা পাতিছিল! মই তোমালোকৰ সপোনকে দিনে ৰাতিয়ে দেখিব লাগিছো। তোমালোকৰ লগতে শেষবাৰ দেখা দেখি হওঁতে মোৰ কিমান যে আনন্দ লাগিছিল! আগৰ দৰেই, পুৰণা দিনবোৰৰ দৰেই আজিও যেন মই তোমালোকৰ লগত কথা পাতিয়েই আছো। তোমালোকে যোৱাবাৰ মোক চাবলৈ আহোতে মই বহুতো কথা তোমালোকক কৈছো, বহুতো হয়তো থাকিলো কবলৈ, তথাপিতো মই দেখিছোঁ, তুমি ঠিক আগৰ মৰমীয়াল ল'ৰাটো হৈয়েই আজিও আছা! কাৰণ তুমি মাৰাৰ ওচৰত এতিয়াও বিশ্বাসী, মৰমীয়াল ল'ৰাটিয়েই হৈ আছা! এই বিলাক কথা কৈ তোমাৰ অন্তৰত আঘাত দিবলৈ ইচ্ছা মোৰ নাছিলে, তথাপিতো দেউতাৰাৰ শেষ কথা বুলি তুমি এইবোৰ গ্ৰহণ কৰিবা আৰু মোৰ কথাবোৰ মনত ৰাখিবা। কিন্তু নাকান্দিবা ডাণ্টে, কাৰণ বহুত চকুলোয়েই শুকাই গ'ল নহয়! মাৰাই আজি সাত বছৰ ধৰি চকুলোৰে নৈৰ সৃষ্টি কৰিলে, কিন্তু তাৰ পৰা কি লাভ হ'ল? সেই কাৰণেই সোণ, কন্দাৰ পৰিবৰ্ত্তে দৃঢ় হোৱা, যাতে দুৰ্ব্বল মুহূৰ্ত্তবোৰত তুমি মাৰাক শান্তনা দিব পাৰা, তেতিয়া হ'লে মোৰ আত্মায়ো শান্তি লাভ কৰিব।

যেতিয়াই মাৰাক চিন্তা ক্লিষ্টা আৰু বেদনাসনা দেখিবা, তেতিয়াই তুমি তেওঁক দূৰ ঠাইলৈ ফুৰিবলৈ লগ ধৰিবা; নিৰ্জ্জন শান্তিপূৰ্ণ ঠাইবোৰলৈ, তেওঁক লৈ যাবা, অ'ৰ ত'ৰ বনৰীয়া ফুলবোৰ চিঙি আনি তেওঁৰ কোচ ভৰাই দিবা; নৈৰ পাৰ, পাহাৰৰ দাঁতি আদি প্ৰকৃতিৰ সুন্দৰ দৃশ্যবোৰৰ মাজে মাজে তেওঁক তুমি হাতত ধৰি টানি লৈ ফুৰাবা; তেওঁ মোৰ কথা পাহৰি যাব আৰু তোমাকলৈ আনন্দ কৰিব, ময়ো শান্তি পাম।

কিন্তু মনত ৰাখিবা ডাণ্টে, সুখৰ খেলা কেতিয়াও নিজৰ কাৰণে নেখেলিবা; সদায় আগে পিছে ঘূৰি চাবা, এজন সহায়হীনক সহায় দি, এজন আহাৰহীনক আহাৰ দি, এজন অভিযোগ কাৰিক যুক্তি যি আৰু এজন ধ্বংসমুখীক প্ৰাণ দি হ'লেও সহায় কৰিবা। কাৰণ তোমাৰ দেউতাৰৰ প্ৰকৃত বন্ধু সেই সকলেই,— যি সকলে কালিলৈকে তোমাৰ দেউতাৰৰ আৰু বাৰ-টলুৰ আন্দোলনত মন-প্ৰাণ দি সহায় কৰিছিল, ধ্বংসৰ বাটলৈকো যাবলৈ পিছভৰি নকৰিছিল। যিহেতু আমাৰ যুদ্ধ আছিল সৰ্ব্বসাধাৰণৰ স্বাধীনতাৰ কথা মুক্তিৰ যুদ্ধ; সি আছিল দুখীয়াৰ কাৰণে, সকলোৰে কাৰণে। এই মুক্তিৰ যুজত তুমি প্ৰেম দেখা পাবা, সকলোৱে তোমাকো মৰম কৰিব।

এই ভয়াবহ দিনবোৰৰ মাজতে যেতিয়া তোমাক তোমাৰ মাৰাই আমাৰ নিৰ্য্যাতনৰ কথা কওঁতেও তুমি ধৈৰ্য্য আৰু সাহসেৰে শুনি গৈছা, তাতেই মই বুজিছো মোৰ সোণ, তুমি মোৰ সপোনবোৰ বাস্তৱ কৰিবলৈ হয়তো নিশ্চয় চেষ্টা কৰিবা।

কালিলৈ কি হব, হয়তো কোনেও কব নোৱাৰে। সিহঁতে যদি আমাক অন্যায় ভাৱে হত্যাও কৰে,

তথাপিতো আমালৈ কৃতজ্ঞতাৰ হাঁহিৰেহে দৃষ্টি পাত কৰিব লাগিব। আপোনজনৰ দৰেই তোমালোকে আমাৰ সকলোলৈকে মৰমস্নেহ আগবঢ়াব লাগিব, যি সকল আজি মৃত্যু প্ৰতীক্ষাত বৈ আছে। তোমাৰ দেউতাৰৰ জীৱন সেই সকলৰ কাৰণেই যি সকলে অদ্ভুত কষ্টকে সাৰোগত কৰি হ'লেও দেউতাৰৰ জীৱনৰ আদৰ্শটো বুজিবলৈ চেষ্টা কৰিছিল, দেউতাৰৰ আন্দোলনত ইন্ধন যোগাইছিল। এইবোৰ মহৎ বিশ্বাস আৰু ত্যাগৰ কথা। বিশ্বাস আছে দেখিয়েই আজিও আমাৰ আন্দোলন জীয়াই আছে; সিহঁতে আমাৰ শৰীৰী মানুহ কিটা ধ্বংস কৰিব পাৰিব, কিন্তু আমাৰ অশৰীৰী আদৰ্শটো জানো ধ্বংস কৰিব পাৰিব? কাৰণ এইটো মানুহৰ মুক্তিৰ আৰু স্থিতিৰ আন্দোলন যিটো তুমি সময়ত বুজি উঠিবা।

মই পোতাশালত পৰি থাকোঁতে প্ৰায়ে তোমাৰ আৰু আইনচৰ কথা ভাবিছিলো। খেলা পথাৰ-খনৰ পৰা গানৰতা সৰু সৰু লৰা-ছোৱালীবোৰৰ কোমল মিঠামাত আহি মোৰ কাণত পৰিছিলহি, য'ত সকলোতে প্ৰাণময় হৈ উঠিছিল স্বাধীনতা আৰু মুক্তিৰ আনন্দ! ঠিক মোৰ পৰা এখোজ মাত্ৰ আঁতৰত, অৰ্থাৎ দেৱাল খনৰ সিপাৰে অবাৰিত মুক্তি আৰু আনন্দৰ গীত চলি আছিল আৰু এখোজ ইফালেই আমি তিনিটা স্পন্দনহীন বন্দী পৰি আছিলো। চকুৰ পৰা জৰজৰকৈ চকুলো ওলাই আহিছিল; ভালেই হ'ল যে তোমালোকে সেইবোৰ নেদেখিলা। দেৱালখনৰ সিপাৰে থকা ল'ৰাছোৱালীবোৰৰ দৰেই তোমালোকেও চাগৈ মুক্তি আৰু শান্তিৰ গান গাই আছা! তাতেই মোৰ আনন্দ, তাতেই সুখ। হয়তো সেই কাৰণেই প্ৰতি মূহুৰ্ত্তে মূহুৰ্ত্তে মই তোমালোকক চকুৰ আগতে ঠিয় হৈ থকা যেন দেখিছো।

তুমি যে এই মৃত্যু গৃহৰ ভিতৰখন আৰু আসন্ন মৃত্যু লৈ বৈ থকা তিনিটা প্ৰাণীৰ ভয়াবহ ৰূপ দেখা নাই তাৰ কাৰণে মই খুব সুখী হৈছো। কাৰণ এই দৃশ্যটোৱে তোমাৰ অন্তৰত যে কেনে আঘাত কৰিলেহেতেন তাক মই কল্পনা কৰিব নোৱাৰো। আনহাতে তুমি যদি বেছি অনুভূতিশীল নোহোৱাহেতেনো এক কথা আছিল। কাৰণ তুমি দেখা মাত্ৰেই হয়তো এই ঘোৰ অন্যায়ৰ বিৰুদ্ধে প্ৰতিশোধ লবলৈ উঠি পৰি লাগিলাহেতেন; নাইবা এই দেখাৰ স্মৃতিয়ে তোমাক জীৱনজুৰি অশান্তিৰ আকৰ কৰি তুলিলেহেতেন আৰু ঘৃণনীয় কামৰ বাবে তুমি নিশ্চয় শ্ৰেণী সংগ্ৰামৰ গুৰি ধৰিবলৈ বাধ্য হলাহেতেন! হয় ডাণ্টে! সিহঁতে আমাৰ শৰীৰ-বোৰহে ক্ৰচবিদ্ধ কৰিব পাৰিব, আমাৰ আত্মাটোক আমাৰ আদৰ্শটোক একো কৰিব নোৱাৰে; সেইটো হয়তো নতুন দলবোৰলৈ বৈ যাব, যিবোৰ এতিয়াও সৃষ্টিয়েই হোৱা নাই।

ডাণ্টে, যেতিয়া মই তিনিজন মানুহৰ কথা কৈছো, তাত এজন ডেকা লোকো আছে, যাৰ নাম চেলেচ টিন অ' মেদেৰিয়চ; তেওঁকো আমাৰ লগতে হত্যা কৰা হব। তেওঁ এই ভয়ানক মৃত্যুগৃহত আগতেই দুবাৰ সোমাইছে। মোচাচুচেট-চৰ নাগৰিকৰ কাৰণে ভৱিষ্যতেও এটা এইটো ঘৃণাৰ বস্তু হৈয়ে থাকিব, কিন্তু ন্যায় আৰু অগ্ৰগতিৰ হাতুৰিৰে হয়তো এদিন এইটো জনসাধাৰণে কোবাই নষ্ট কৰি দিব। বাস্তৱিকতে এইটো ধ্বংস কৰি ইয়াত এটি ফেক্টৰী নাইবা এখন বিদ্যালয় পতাহে হব; যাতে দেশৰ শ শ গৰীব, নিঠৰুৱা ল'ৰা-ছোৱালীক ইয়াত শিক্ষা দিব পাৰি।

ডাণ্টে মোৰ, মই পুনৰ এবাৰ তোমাৰ ভনীয়েৰাক আৰু মাৰাৰ কাষলৈ চাপি গৈছো, আৰু সকলোৱে সততাৰে সাহসেৰে আৰু সম্পূৰ্ণ শান্তিৰে জীৱন নিৰ্বাহ কৰি যাবা বুলি ভৰষা কৰিছো আৰু তুমিও মোক অকণ মৰম কৰিবলৈ নাপাহৰিবা অ' মোৰ সোণ। মোৰ প্ৰিয় সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তোমালৈ, তোমাৰ সৰু ভনীয়েৰা আইনচলৈ আৰু মাৰালৈ মোৰ হিয়াভৰা মৰম আশীৰ্ব্বাদ জনাইছো।

প্ৰীতি আৰু আশীষেৰে—
তোমাৰ দেউতাৰেৰা আৰু লগৰীয়া সকল।

পুনঃ—বাৰ্টলুয়েও তোমালৈ স্নেহাশীষ পঠাইছে। আশাকৰো তোমাৰ মাৰাই তোমাক এই চিঠিখন বুজাই দিয়াত সহায় কৰিব। মই অংগ্ৰেজী ভাল পোৱা হেতেন ইয়াতকৈ সহজ আৰু সৰল ভাষাত চিঠিখন লিখিব পাৰিলোহেতেন; কিন্তু মইযে দুৰ্ব্বল।

---

# অচিনা

কবিতা ]

শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা।

অচিনা!
তুমি জানো মোক চিনা?
জনমে-জীৱনে
মোৰ অন্তৰ মনে
তুমি নেকি চিৰচিনা?
সপোনে সচিতে
সৰগে মৰতে.
জীৱনৰ মোৰ
ভাঙি গল কোনে ছন্দবীনা?
সিদিনা
সন্ধিয়া
বজালাহি
বসন্ত-বিণা,
মূক-মৌন
নিবিড় পৰশে
ঢালি দিলা
উদ্দীপনা।
দিঠকে
তোমাক নাজানে
মই যে জানো
তুমি কোন?
কোন পথে আহি
বজালা বীণা
হেৰা চিৰনবীনা!
সুন্দৰ মোৰ
সপোন পথত
ফুলে শতদল
তোমাৰ খোজত
তুলি জানো হিয়াহীনা!
মৃদু পদক্ষেপে
আহিছা প্ৰেয়সী
কণ্ঠ-জুৰ সুৰে
জীৱন ৰূপ সী
থই যাবা নেকি
মোৰে পদূলিত
চিৰ চঞ্চলা তোমাৰ খোজৰ
ফুলৰ ৰেণুৰ কণা?
সাগৰ সিপাৰে
কিমান আশাৰে
কোনে ৰই আছে
দুহাতত লই
মধুমৰণৰ মালা;
তুমিয়েই নেকি
সেই পূজাৰিণী
বায়ু-সাগৰত উপঙি উপঙি
বতাহৰ সতে' আনিছা যে বাণী
জীৱন-সন্ধিয়া বেলা?
বিমুগ্ধ মোৰ
সচকিত মন
পাখি মেলি উৰি যায়,
উন্মনা কৰিছে
সাগৰ সঙ্গীতে
তাৰে আহ্বানে
জীৱন দাপোনে
মন্ত্ৰ উজাৰি
বন্দনা-গীতি গায়।
সেই সুৰেৰেই
এৰি থই অহা বীণা
ডাৱৰ মাজেদি মেঘৰ দেশলে'
দিঠক আঁৰেদি সপোন পাৰলে'
মনে মনে গই সুন্দৰ কাষলে'
আনিছা বাতৰি মৰত দেশলে'
তুমি নেকি প্ৰিয়-প্ৰাণা?

বান্ধিলা মোক
মায়াৰ জৰীৰে
মোহন মদিৰা ল'ই,
হৃদি দেউলত
পাতিলা আসন
বহিলা তাতেই,
মোৰ ব্ৰহ্মাণ্ডৰ
মোৰেই বিশ্বৰ
চিৰঅধিষ্ঠাত্ৰী হ'ই !
নীৰব মোৰ
মুখৰ ভাষা
অৰূপে হৰিলে
ৰূপৰ আশা
নিলা নেকি তুমি
বুকু উদঙাই
হেৰা মোৰ ৰূপহীনা !
অণু পৰমাণু
উতলি উতলি
অন্তৰ সমুদ্ৰ
থলকি থলকি
বিচাৰিছে কোনে
মোৰ ই হিয়াত
অতল তলিৰ মিনা ?
সেই কথা আছে জনা !
তুমি !
নীল সাগৰৰ
তৰঙ্গে তৰঙ্গে
সেউজী প্ৰকৃতিৰ
অঙ্গে অঙ্গে
বিজড়িতা প্ৰিয়-প্ৰাণা,
ফুল্ল কুসুমৰ
প্ৰতি পাহে পাহে
মোৰো জীৱনৰ
প্ৰতি আঁহে আঁহে
অনুৰাগ ৰঞ্জনা ।
শত জনমৰ
শত সাধনাৰ
হেৰা বাঞ্চিত পৰাধীনা !
তুমি মোৰ চিৰচিনা ।

—০:*:০—

# বুঢ়ী আই

শ্ৰীমতী কৃষ্ণা হাথীসিং ।

চকু কেইটি ঢুলঢুলীয়া কৰি পুলিছ ইন্সপেক্টৰে ৰেলৰ ডবাটোৰ সমুখত ঠিয় হৈ একোণত বহি থকা বুঢ়ী গৰাকীলৈ ওৱাৰেণ্টখন আগবঢ়াই দিয়ে। "মই সপোনতো ভবা নাছিলো যে আপোনাক এনে এটা অৱস্থাত দেখা পাব লাগিব"— ইন্সপেক্টৰে বৰ দুখেৰে কয়. "মোৰ আজি সাহ নাই, পৰাহলে এনে এটা কাম কৰিবলৈ নিশ্চয় আপত্তি কৰিলোহেঁতেন। কিন্তু চাকৰিটোৰ কাৰণে আজি মই সম্পূৰ্ণ অপাৰগ। যিমান পাৰে অভিশাপ দিয়ক ।"

বুঢ়ী গৰাকীয়ে হাঁহি হাঁহি ওৱাৰেণ্টখন ওভোতাই দিলে । "কোনো দিনেই ভবা নাছিলো যে এই বয়সতো মই দেশৰ সেৱা কৰিব পাৰিম। আজি মোৰ পৰিয়ালৰ সকলোৰেই কাৰাগাৰত; গতিকে মই যথেষ্ট গৰ্ব্ব অনুভৱ কৰিছো ।" বুঢ়ীয়ে কৈ যায় আৰু লগে লগে ইন্সপেক্টৰক আশীৰ্ব্বাদহে দিয়ে ।

ইন্সপেক্টৰে বুঢ়ীৰ ভৰিত পৰি সেৱা কৰিলে— "আই আজিলৈ ক্ষমা কৰিব; অনুগ্ৰহকৰি মোৰ সৈতে আহক ।"

* * *

জেইলৰ বিশেষ পৰিদৰ্শক এজনে কৰ্ম্মচাৰী সকলেৰে সৈতে সৰু কোঠা এটাৰ সমুখত কথা বতৰা হৈ আছিল। সৰু খাত খনৰ ওপৰত কোঁচমোচ খাই পৰি থকা দেহটি দেখি যেন নিজৰ চকুকেইটিকে বিশ্বাস কৰিবলৈ টান পালে; অলপ ওচৰ চাপি গৈ দেখে এগৰাকী ষাঠী সত্তৰ বছৰীয়া বুঢ়ী— মূৰৰ চুলি কেইডাল তেনেই বৰফ যেন বগা হৈ পৰিছে। অৱস্থাটো দেখি তেওঁৰ পুতৌ জন্মে। হঠাতে হুমুনিয়াহৰ লগতে এষাৰি মাত ওলাই আহে— "হাঁয় ভগবান ! এনে অৱস্থাতো মানুহক গ্ৰেপ্তাৰ কৰেনে ? বোধকৰো ৰাজনৈতিক কাৰণে। কিন্তু যিয়েই নহওক আমাৰ চৰকাৰ পগলানেকি ?"

"অসহযোগ আন্দোলনৰ বিষয়ে মানুহক উত্তেজিত কৰি বক্তৃতা দিবলৈ নিষেধাজ্ঞা জাৰী কৰিছিল তেওঁৰ ওপৰত— কিন্তু বুঢ়ীয়ে তাক অৱজ্ঞা কৰিলে। বুঢ়ীয়ে এই বয়সতো ঠায়ে ঠায়ে ঘূৰি বক্তৃতা দিবলৈ নেৰিলে। গৱৰ্ণমেণ্টে তেওঁৰ বাৰ্দ্ধক্যৰ কাৰণে সেই বিষয়ে বহুদিন চকু নিদিয়াকৈয়ে বাট চালে; কিন্তু যেতিয়া সেই আদেশো অমান্য কৰিলে তেতিয়া তেওঁক নিজ গাঁৱতে আৱদ্ধ থাকিবলৈ আন এখন আদেশজাৰী হয় । কিন্তু তেতিয়াও কোনো সলনি দেখা নগল। আজি পুৱাতে তেওঁ এইখিনি পাইছেহি এখন মিটিঙলৈ বুলি । এতিয়ালৈকে আমিও কোনো নতুন আদেশ পোৱা নাই"— জেইলাৰ জনে কৈ যায় ।

"আপুনি ভাবি চোৱা নাইনে যে বুঢ়ী গৰাকীক গ্ৰেপ্তাৰ কৰাটো কিমান দূৰ সমীচীন হৈছে ? ইমান ডাঙৰ পৰিয়ালৰ মানুহ তেওঁ ইপিনে আকৌ ইমান অলৰ-অচৰ । আজি তেওঁক ৰাখিছে এই অৱস্থাত ! মই এতিয়া পৰিদৰ্শন কৰিবলৈ সম্পূৰ্ণ অক্ষম। এতিয়াই গৱৰ্ণৰৰ সৈতে কথা-বতৰা হৈ কি কৰিব পাৰো চাওঁ।" তেওঁলোকৰ কথা-বতৰাৰ মাজত বুঢ়ীয়ে সাৰ পাই বিছনাত উঠি বহে। তেওঁলোক সকলোৱে বুঢ়ীৰ ওচৰত মূৰ দোঁৱালে । পৰিদৰ্শকে আগবাঢ়ি গৈ ক্ষমা খুজিলে— তেওঁক জেইললৈ অনা কাৰণেই ।

বুঢ়ীয়ে ওৱাৰ মুখলৈ আহি হাঁহি হাঁহি কবলৈ ধৰিলে— "আপোনালোকে ক্ষমা খোজাৰ কোনো কাৰণ নাই । মোৰ ওপৰত দিয়া আদেশ লঙ্ঘন কৰিছো ; গতিকে মোক গ্ৰেপ্তাৰ কৰাটো স্বাভাবিক । মই বৃটিছ শাসন মানিব নোখোজো কাৰণেই তেনে কৰিছোঁ। আপোনালোকে কিয় ভয় কৰিছে ?"

ক্ষন্তেকীয়া নিস্তব্ধতা ভঙ্গকৰি বুঢ়ীয়ে কবলৈ ধৰিলে— "আজি দেশৰ হেজাৰ হেজাৰ লোক জেইলৰ চাৰি বেৰৰ ভিতৰত আৱদ্ধ। মইও তেনে ঠাইতে— আজি মোৰ গোটেই পৰিয়ালটোৱেই জেইলত এনে অৱস্থাত । বৰ্ত্তমান চৰকাৰে মোৰ প্ৰতি আগ্ৰহ দেখুৱাবৰ কোনো কাৰণ নাই। তাতে আকৌ মই সত্যাগ্ৰহী —নিজৰ বাৰ্দ্ধক্যৰ দুৰ্ব্বলতাৰ স্বত্বেও মৰমী দেশৰ কাৰণে যি পাৰো চেষ্টা কৰাটো কৰ্ত্তব্য । মাতৃভূমিক ভালপোৱাৰ আজি এয়ে প্ৰতিদান- দেশৰ কাৰণেই মই ইয়াত ; মই আজি ইয়াতেই সুখী ।"

"কিন্তু আই, আপোনাক এনে অৱস্থাত চাবলৈযে অলপো সহ্য নহয়"— কোমল সহানুভূতি পূৰ্ণ মাতেৰে পৰিদৰ্শকে কয়,--- "দেশৰ কাৰণে দান দিওতা বহু-লোক আছে । দেশৰ কাৰণে আপুনি যথেষ্ট দান কৰিছে; কিন্তু আপুনি অন্ততঃ নিজৰ শৰীৰলৈওতো লক্ষ্য কৰা উচিত ! আজিলৈ ক্ষমা কৰিব। নমস্কাৰ আই ।"

"আজি আপুনি মোৰ কাৰণে যিখিনি কৰিব খুজিছে দেশৰ কাৰণে যদি তাকে কৰিলেহেঁতেন ! কিন্তু আপুনি সেইটো নোৱাৰে; আপোনাৰ কাৰণে অৰ্থহে মূল্যবান । কিন্তু যি একোকেই নিবিছাৰে তেওঁৰ কাৰণে কিয় ইমান ভাবিছে ? মোৰ দেশীয় ভাইভনী সকলতকৈ মই কোনো গুনেই ভাল ব্যৱহাৰ আশা নকৰো ।"

তেওঁলোক আঁতৰি যোৱাত ৰাণীদেৱী বিছনাত বহিলগৈ । সৰু কোঠাটোৰ চাৰিও পিনে এবাৰ নিৰীক্ষণ কৰিলে । টোপনিৰ পিচত তেওঁৰ শৰীৰত আৰু ৰেল ভ্ৰমণৰ ভাগৰটো নাই । আগতকৈ

যেন অলপ ভাল লাগিছে। তেওঁ অনুভব কৰে এই খনেই জেইল। একাপ গৰম চাহ পোৱাহলে বৰ ভাল পালে হেঁতেন; কিন্তু জেইলত কোনে দিব।

তেওঁ শুনিছিল জেইল হেনো বৰ শান্তি পূৰ্ণ কিন্তু আজিৰ অভিজ্ঞতাৰ দ্বাৰা যেন সম্পূৰ্ণ বিপৰীত। কিছু আঁতৰতে কয়দী সকলৰ হুলস্থূল— এনে গালি তেওঁৰ ষাঠী বছৰীয়া জীৱনত এয়ে প্ৰথম শুনিছে। অৱশেষত সান্ধ্য ভোজনৰ আহাৰ এখন এলুমিনিয়ামৰ কাঁহীত দি গলহি। আহাৰৰ অবৰ্ণনীয় অৱস্থা দেখি তেওঁ আৰু খোৱাৰ বিষয়ে ভাবিব নোৱাৰিলে। তেওঁ বিচাৰিলে তাৰ পৰিবৰ্ত্তে একাপ চাহ। যি হওক সম্ভ্ৰান্ত কয়দী বুলিয়ে চাহ একাপ তেওঁক দিলেহি; তেতিয়াহে যেন তেওঁ অলপ সুস্থ হবলৈ সক্ষম হয়। তেওঁ আকৌ বিচনাখনকে আশ্ৰয় ললে মনটোত নানা চিন্তাই খৌকি বাখৌ লগাবলৈ ধৰিলে।

আজি কিমান দিন হল তেওঁ অকলশৰে থকা- তেওঁলোকৰ সকলোৱেই জেইলত। তেওঁলোকৰ খোৱা বোৱাৰ চিন্তাই বুঢ়ীৰ মনতো খোৱা-বোৱাৰ কাৰণে একেবাৰে অনিচ্ছা হৈ পৰিছে আজি কিছুদিন ধৰি। এই চিন্তাৰ পৰা আঁতৰত থাকিবৰ উদ্দেশ্যেই অশেষ কষ্ট কৰিছিল দেশৰ কামত ব্যস্ত থাকিবলৈ। কিন্তু নিশাৰ নিৰ্জ্জনতাৰ মাজত নিজেই বৰ অকল শৰীয়া যেন অনুভৱ কৰে। জেইলৰ মাজত সেই নিৰ্জ্জনতা একেবাৰে নাই। ভঙা লেমটোৰ পৰা ওলোৱা ক্ষীণ আভাই বেৰৰ আন্ধাৰবোৰ আঁতৰাবলৈ যেন বৃথা চেষ্টা কৰিছে আৰু চেঁচা বতাহজাকো তেতিয়া নিঃশব্দে বৈ আছিল।

বেচেৰী বুঢীয়ে কোচমোচ খাই বিছনাখনতে বাগৰিবলৈ ধৰিলে কিজানি অলপ টোপনি আহেই- কিন্তু আজি যেন সকলো মিছা; জীৱনত আজি প্ৰথম তেওঁৰ জেইলৰ অভিজ্ঞতা। মনটো দূৰ অতীত-লৈ গুচি যায়— কি আনন্দ আৰু সুখ সম্ভোগৰ দিন সেইবোৰ। দূৰ ঠাইলৈ ফুৰিবলৈ যোৱা আৰু কিমান আশা কিমান সপোনেই যে নাচিল! কিন্তু জীৱনটো যে হঠাতেই ওলত পালত হৈ গল। ধনৰ পৰিবৰ্ত্তে দাৰিদ্ৰতা, সুখ সম্ভোগৰ সলনি জীৱনৰ প্ৰতি খোজতে দুখ কষ্ট আৰু আনন্দৰ পৰিবৰ্ত্তে নানা অনিশ্চিত আশঙ্কা। সৰু পৰিয়ালটোৰ সকলোৱেই আজি ভিন ভিন ঠাইত। এয়ে তেওঁৰ বৰ্ত্তমান অৱস্থা।

তেওঁৰ এই কষ্ট আৰু দানৰ মূল্য ক'ত? তেওঁ জানো আকৌ আগৰ জীৱন যাপন কৰিবলৈ ইচ্ছা কৰে? সেই আন্ধাৰৰ মাজত তেওঁ নিজে নিজেই হাঁহে। তেওঁ ভাৱে এইয়ানো কি, লাগিলে ইয়াতকৈও বেচি কষ্টৰ কাৰণেই মই সাজু। আজি হেজাৰ হেজাৰ দেশীয় নৰ-নাৰীৰ দৰে জেললৈ যাবলৈ সৌভাগ্য ঘটাটো তেওঁৰ জীৱনত যেন গৌৰৱৰ কথা। এই ভাব ৰাশিৰ মাজত আৰু ইমান জাৰৰ মাজতো লাহে লাহে তেওঁৰ চকু দুটি মুদ খাই আহিল— তেওঁৰ মুখত এটি মিচিকিয়া হাঁহি আৰু অন্তৰত যেন তেওঁৰ আজি মহা শান্তি। *

---

কৃষ্ণা হাথীসিঙৰ "মাতাজী" গল্পৰ ভাঙনি।

ভাঙোতা— শ্ৰীঅমল্য চন্দ্ৰ নাথ


THE ORIENT KNITTINGS LTD.,
A HOSIERY INDUSTRY OF ASSAM

FACTORY Ulubari, Gauhati | REGD OFFICE GAUHATI | TELEGRAMS "Yousee" Gauhati

HOSIERY MANUFACTURERS.

VESTS (GENJIS), UNDERPANTS, SPORTING SHIRTS, SOCKS AND ALL OTHER VARIETIES OF UNDER-GARMENTS OF COTTON & SILK.

FINER QUALITY THINGS— OUR SPECIALITY.

*Suppliers of Jerseys, Socks, Boots, Putties Blankets, Balaclava, Groundsheets etc. to N. E. F. A. Assam Jails & other Assam Government Departments.*




# শিক্ষা-সাহিত্য-সংস্কৃতি

## সঙ্গীত

"ভাৰতবৰ্ষৰ ক্ষুদ্ৰ সংস্কৰণ এই অসম ভূমিয়েই বৈদিক সংস্কৃত আৰু সঙ্গীত কলাৰ উৎপত্তি স্থল আছিল আৰু ভাৰতৰ কৃষ্টি কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰত প্ৰাক্ ঐতিহাসিক যুগৰে পৰাই অসমে অৰিহণা যোগাই আছে।" এই বুলি যোৰহাট সঙ্গীত সন্মিলনৰ উদ্বোধনী সভাত সভাপতিৰ অভিভাষণত নলবাৰী সংস্কৃত কলেজৰ অধ্যক্ষ শ্ৰীমনোৰঞ্জন শাস্ত্ৰীয়ে কয়।

যোৰহাট থিয়েটাৰ হলত জুলাইৰ ৪ তাৰিখে দুপৰীয়া এই সভা বহে।

ওজস্বী ভাষণত সভাপতি শ্ৰীশাস্ত্ৰীয়ে সঙ্গীত কলাৰ ভাৰতত উৎপত্তি আৰু বিকাশ, জাতীয়, সমাজিক আৰু ব্যক্তিগত জীৱনত সঙ্গীতৰ প্ৰভাৱ আৰু ভাৰতৰ জাতীয় সংস্কৃতি আৰু কৃষ্টিৰ প্ৰতি অতীত কালৰে পৰা অসমৰ অৱদান সম্বন্ধে অনুসন্ধানমূলক কিছুমান তথ্য সমজুৱাৰ আগত দাঙি ধৰে।

সঙ্গীত চৰ্চ্চাৰ উদ্দেশ্য সম্বন্ধে শাস্ত্ৰীয়ে কয় যে কলা চৰ্চ্চাৰ প্ৰয়োজন সাময়িক সুখ কিম্বা ৰসভোগ নহয়; চিৰসত্য, চিৰমঙ্গলময়, চিৰসুন্দৰ, সচ্চিদানন্দ-ৰূপ ভগৱদুপলব্ধিহে ইয়াৰ একমাত্ৰ উদ্দেশ্য।

"সঙ্গীতৰ ফল বা কাৰ্য্য হৈছে আত্মতৃপ্তি আৰু জনৰঞ্জন, কিন্তু এয়ে তাৰ প্ৰয়োজন নহয়। ভাৰতবৰ্ষ এখন আধ্যাত্মিক ভাৱ-প্ৰধান দেশ; দৈহিক সুখ-স্বাচ্ছন্দ্যক ইয়াত কোনো কালতে প্ৰাধান্য দিয়া হোৱা নাই।"

অসমত সঙ্গীত চৰ্চ্চাৰ সম্বন্ধে তেওঁ কয় যে অসমত অতীজৰে পৰা ভগৱৎ উপাসনাৰ অৰ্থে, উপাদানৰূপে আৰু ধৰ্ম্মকাৰ্য্যৰ অঙ্গ হিচাপে ইয়াত সঙ্গীতৰ চৰ্চ্চা হৈছিল। জনজাতীয় লোকসকলৰ ধৰ্ম্মকাৰ্য্যত অসমৰ দেৱালয়বিলাকত, বিভিন্ন দেৱ-দেৱীৰ পূজা-পাঠ আৰু মহোৎসৱত, নৃত্য-গীত বাদ্যৰ আড়ম্বৰ সদায়েই অপৰিহাৰ্য্যভাৱে চলি আহিছে। পুৰণি কামৰূপৰ নানা স্মৃতি গ্ৰন্থত গান্ধৰ্ব্ব শাস্ত্ৰত বৰ্ণোৱা শ্ৰুতি জাতি, তাল-লয় আদিৰ সহযোগত নৃত্য-গীত-বাদ্যৰে বিষ্ণু-জাগৰ, 'শিৱ-জাগৰ' আৰু 'দেৱী-জাগৰ' নামৰ উৎসৱ পালন কৰিবলৈ জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলোকে বাধ্যতা-মূলক ভাবে বিধান দিয়া হৈছে।

ভাৰতীয় সঙ্গীত চৰ্চ্চাত অসমৰ অৱদান সম্বন্ধে শ্ৰীশাস্ত্ৰীয়ে কয় যে মহামুনি পালকাপ্যৰ প্ৰণীত "হস্তায়ুৰ্ব্বেদ" সু-বৃহৎ গ্ৰন্থখন প্ৰাচীন ভাৰতৰ শিক্ষা সংস্কৃতিলৈ অসমৰ অমূল্য দান। ভাৰত বিখ্যাত "লাস্য" নাচৰ উৎপত্তিস্থলো এই অসমতেই। শ্ৰীশাস্ত্ৰীৰ মতে বানৰজাৰ জীয়ৰী উষাই এই নাচ প্ৰথমে আয়ত্ত কৰে আৰু তেওঁক অনিৰুদ্ধই হৰি নিয়াৰ পিচতে দ্বাৰকাৰ ৰমণীসকলে তেওঁৰ পৰা এই নাচ শিকি লয়। তাৰ পৰাই গোটেই ভাৰততে লাস্য নৃত্যৰ বিস্তৃতি হয়।

বৰ্ত্তমান অসমৰ দেওধনী নাচ, বিহু নাচ, মণিপুৰী নাচ, বড়ো নাচ আৰু অন্যান্য জনজাতীয় নৃত্যত ইয়াৰ প্ৰাধান্য দেখা পোৱা যায়।

লোক-নাট্য সম্বন্ধে শ্ৰীশাস্ত্ৰীয়ে কয় যে বৈদিক সঙ্গীত নানা নিয়ম-কাৰণৰ মেৰপাকত আৱদ্ধ আৰু শাস্ত্ৰৰ নিয়মৰ দ্বাৰা দৃঢ়ভাৱে নিয়ন্ত্ৰিত হোৱাৰ কাৰণে জনসাধাৰণৰ উপভোগ্য নহয়। সেই কাৰণেই মানৱ মাত্ৰেই যাতে সঙ্গীতৰ ৰস পাব পাৰে— তাৰ বাবে প্ৰজাপতি ব্ৰহ্মাৰ ভিন ভিন বেদৰ পৰা ভিন ভিন অংশ লৈ নাট্য-বেদৰ প্ৰণয়ণ কৰা হৈছিল। নাট্য বেদৰ গান্ধৰ্ব্ব অংশ নৃত্য, গীত, বাদ্য আৰু সঙ্গীতকে গান্ধৰ্ব্ব বেদ বোলা হয়। এই গান্ধৰ্ব্ব বেদ বা সঙ্গীত শাস্ত্ৰত লৌকিক সঙ্গীতৰ ৰূপ বিশ্লেষণ কৰি বৈজ্ঞানিক-ভাৱে সু-সৰ্জ্জিত আৰু সু-নিয়ন্ত্ৰিত কৰি প্ৰকাশ কৰা হৈছে। ভিন ভিন দেশত ভিন ভিন নামেৰে এই সঙ্গীত বিলাকৰ পৰাই লোকগীতি আৰু লোক নাট্যৰ সৃষ্টি।

শ্ৰীমন্তশঙ্কৰৰ অসমৰ কৃষ্টি কলা আৰু সঙ্গীতৰ মহান অৱদানৰ কথা সুঁৱৰি শ্ৰীশাস্ত্ৰীয়ে সেই গৰাকী মহাপুৰুষৰ গৌৰৱ ৰক্ষা কৰিবলৈ সত্ৰীয়া নৃত্য-গীতৰ আৰু প্ৰাক্ শঙ্কৰী যুগৰে পৰা ব্যৱহাৰ হৈ অহা

ৰাগ-ৰাগিনী আৰু নৃত্য গীতৰ সংস্কাৰ আৰু সংশোধনৰ আৱশ্যকতা উপলব্ধি কৰে ।

সামৰণিত তেওঁ সঙ্গীতানুৰাগীসকলৰ কৰ্ত্তব্যৰ কথা উল্লেখ কৰি কয় যে পুৰণি সম্পদ ৰক্ষা কৰি তাৰ লগতে নতুন সম্পদ উপাৰ্জ্জন কৰাটোৱেই হৈছে যুগৰ আহ্বান । "পুৰণিক একেবাৰে শেষ কৰি পেলোৱা নাইবা নতুন উপাৰ্জ্জন কৰিব নোৱাৰাটোও উত্তৰাধিকাৰীৰ অযোগ্যতা" বুলি তেওঁ কয় । "সঙ্গীত কলাই নতুন ৰূপ লোৱাটো দোষৰ কথা নহয় ।"

## ভূদান যজ্ঞ

অল ইণ্ডিয়া ৰেডিঅ'ৰ পৰা প্ৰচাৰ কৰা ৰাষ্ট্ৰিয় অনুষ্ঠানত দিয়া এটা ভাষণত শ্ৰীজয়প্ৰকাশ নাৰায়ণে কয় যে, "গান্ধীবাদৰ দৰে ভূ-দান আন্দোলনে আৰ্থিক আৰু সামাজিক বিপ্লৱ আনিব খুজিছে । নতুন জীৱনৰ সূচনা কৰিবলৈ ভূ-দান এটা নতুন সামাজিক দৰ্শন । ই নতুন মানৱতা আৰু নতুন সভ্যতাৰ এটা ইঙ্গিত ।"

তেওঁ কয় যে, ভূ-দান আন্দোলনৰ প্ৰতি যথেষ্ট পৰিমানৰ সমৰ্থন নোহোৱাটো দুখৰ কথা । "এইটো অতি আচৰিত কথা যে ভূ-দান সম্পৰ্কে তুলনামূলকভাৱে শিক্ষিতসকলৰ মাজত বেছি ভুল ধাৰণা আছে । আমাৰ শিক্ষিত লোকসকল জনসাধাৰণ আৰু তেওঁলোকৰ সমস্যাৱলীৰ পৰা ইমান আতৰি আছে যে অশিক্ষিত সকলক শিক্ষিত কৰাৰ দৰে শিক্ষিতসকলক অশিক্ষিত কৰাটোও সমানে আৱশ্যক হৈ পৰিছে ।"

তেওঁ কয়, ভূ-দানৰ বিষয়ে কওঁতে তেওঁ এই শব্দটো ঠেক ভাৱে কেৱল মাটি দান দিয়াৰ অৰ্থত ব্যৱহাৰ কৰা নাই । তেওঁ ইয়াক বাহুল্য আৰু আদৰ্শমূলক অৰ্থত ব্যৱহাৰ কৰিছে । সকলো মানুহেই এইটো ভালকৈ বুজা উচিত যে, ভূ-দান বদান্যতাৰ অন্দোলন নহয় । এই আন্দোলনৰ লগত মহাত্মা গান্ধীৰ সূত্ৰ জড়িত আছে । এইটো সহজ অথচ প্ৰকৃত সত্য যে মানুহ তেওঁৰ সম্পত্তিৰ গৰাকী নহয়, তেওঁ মাত্ৰ এজন জিম্মাদাৰহে । প্ৰকৃততে সমাজহে ইয়াৰ গৰাকী । সমাজৰ বস্তু সমাজক দিয়াটো বদান্যতা নহয়— ই সাধুতা আৰু সাধাৰণ কৰ্ত্তব্য মাত্ৰ । ইয়াকে নকৰাটো নীতি বিৰোধী আৰু চোৰৰ কাম ।

শ্ৰীজয় প্ৰকাশ নৰায়ণে কয় যে বদান্যতা এটা ভাল গুণ । কিন্তু সমাজত থকা অন্যায় আৰু অসমতাক কেৱল বদান্যতাই দূৰ কৰিব নোৱাৰে । ইয়াৰ কাৰণে এটা সামাজিক বিপ্লৱ লাগিব আৰু ইয়াকে কৰাটোৱেই বিনোৱাজীৰ আন্দোলনৰ মূখ্য উদ্দেশ্য ।

তেওঁ কয়, এইটো মনত ৰখা উচিত যে এটা নতুন সামাজিক মনোভাৱৰ সৃষ্টি কৰিবলৈ হলে কেৱল চহকী আৰু বিৰাট মাটিগিৰিসকলক দীক্ষিত কৰিলেই নহ'ব । সকলোৱে প্ৰতি এই কাম হাতত লব লাগিব । সম্পত্তিৰ প্ৰতি মানুহৰ বৰ্ত্তমান যি মনোভাৱ আছে সি কেৱল যে চহকী সম্প্ৰদায়ৰ মাজতেই আছে এনে নহয় দুখীয়া লোকসকলৰ মাজতো আছে । চহকী জমীদাৰ এজনে তেওঁৰ নিজৰ মাটিক সেই একে চকুৰেই চায় । সেই কাৰণে গান্ধীজীয়ে এইটো স্পষ্টভাৱে কৈ দিছিল যে সকলোৱে পৰিবৰ্ত্তন আনিবলৈ চেষ্টা কৰিব লাগিব ।

## উৰিষ্যাত বুনিয়াদী শিক্ষা

উৰিষ্যাত বুনিয়াদী শিক্ষাৰ কাল আঠবছৰীয়া কৰিবলৈ বুনিয়াদী শিক্ষা ব'ৰ্ডে সিদ্ধান্ত লৈছে । পাচ বছৰতে লৰা-ছোৱালীক প্ৰথম শ্ৰেণীত ভৰ্ত্তি কৰা হব আৰু অষ্টম শ্ৰেণীলৈকে বুনিয়াদী শিক্ষা দিয়া হব ।

তদুপৰি বৰ্ত্তমান চলি থকা স্কুলবিলাকো প্ৰথমৰ পৰা অষ্টম শ্ৰেণীলৈকে পূৰ্ণাঙ্গ বুনিয়াদী পঢ়াশালিত পৰিণত কৰিবলৈ ব'ৰ্ডে সিদ্ধান্ত লয় ।

বৰ্ত্তমানৰ বুনিয়াদী পঢ়াশালিত কিছুমান আৱশ্যক বুজি আঠোটা শ্ৰেণী বিশিষ্ট এই নতুন পঢ়াশালিলৈ পৰিবৰ্ত্তন কৰিব লাগে আৰু সংশোধিত বুনিয়াদী পাঠ্যক্ৰম মধ্য ইংৰাজী পঢ়াশালিত আৰু উচ্চ ইংৰাজী স্কুলৰ সপ্তম মান শ্ৰেণীলৈকে প্ৰবৰ্ত্তন কৰিব লাগে বুলিও ব'ৰ্ডে ঠিক কৰিছে । আগৰ পৰা চলি অহা বুনিয়াদী পঢ়াশালিবিলাকত আগৰ পাঠ্যক্ৰমকে চলাই ৰাখিবলৈ ঠিক কৰা হয় ।



বৰ্ত্তমান গাওঁ উন্নয়নৰ যি আচনিৰ কাম চলিছে এই কাম বুনিয়াদী পঢ়াশালিক কেন্দ্ৰ কৰিয়েই চলিব লাগে আৰু ইয়াৰ শিক্ষকসকলকে যিমানদূৰ পাৰি তাৰ দায়িত্ব দিব লাগে বুলি ব'ৰ্ডে নীতি গ্ৰহণ কৰিছে ।

ব'ৰ্ডে ১৯৫৪-৫৫ চনত ৬০ খন বুনিয়াদী নতুন পঢ়াশালি খুলিব । সাহায্যপ্ৰাপ্ত উত্তৰ বুনিয়াদী পঢ়াশালি এখনো আঙুলত খুলিবলৈ ঠিক কৰি ব'ৰ্ডে সাহায্য মঞ্জুৰ কৰিছে !

বুনিয়াদী শিক্ষাব'ডে আৰু বুনিয়াদী প্ৰশিক্ষণ অনুষ্ঠানবিলাক স্থায়ী কৰিব লাগে বুলি ব'ৰ্ডে অনুমোদন আগবঢ়াইছে । সেৱা গ্ৰামত উত্তৰ বুনিয়াদী শিক্ষা লাভ কৰা লোক এজনক দহটকীয়া বৃত্তি এটা দিবলৈকো ব'ৰ্ডে ঠিক কৰে ।

—০—

# পুথি-পৰিচয়

**তৰ্পণ** — কবিতা শ্ৰীৰত্নকান্ত বৰকাকতী, নগাওঁ বেচ ৷৷০ অনা । নটা খণ্ড কবিতাৰ সমষ্টি । বৰকাকতীৰ কবিত্বৰ পৰিচয় দিয়াৰ আৱশ্যক নাই । ভাৰতীয় সাংস্কৃতিক চিন্তাধাৰাক কেন্দ্ৰ কৰি লিখা এই নটি কবিতাৰ চাৰিটা "ভক্তি ভাজন আৰু প্ৰিয় জনৰ বিয়োগত কৰা তৰ্পণ ।" আলেকজেণ্ডাৰ আৰু পুৰু, সেই এটি গত দিন হিন্দু জীৱনৰ আৰু অঞ্জলি কবিতাই ভাৰতীয় সংস্কৃতিৰ অবিনাশী ফালটো প্ৰকৃত ভাৱে উন্মুক্ত কৰি তুলিছে । "মহাত্মাৰ তৰ্পণ" আৰু "মৰ্ত্ত্যৰ কবি আৰু স্বৰ্গৰ গান্ধীত এখনি কবিৰ আদৰ্শ ভূমি গঢ়ি উঠিছে । আচ্ছাদন গেৰুৱা হলেও কবি একেবাৰে সংসাৰ-বিৰাগী নহয় । কবিতা পুথি খনিয়ে ডেকা বুঢ়া সকলোৱে সমাদৰ পাব নিশ্চয় ।

**Red River & the Blue Hill or the State of Assam** by Hem Barua, Publisher : LAWYER'S BOOK STALL Gauhati. Rs. 4/-

কিতাপ খনি 'অসম কোষৰ' গুণমালা সংস্কৰণ বুলিব পাৰি । প্ৰাক্ ঐতিহাসিক যুগৰ পৰা আজিলৈকে অসমৰ ভৌ[illegible]লিক, সাংস্কৃতিক আৰু ৰাজনৈতিক চমু বিৱৰণ [illegible]টি ১৪০ পৃষ্ঠাৰ ভিতৰত লৌহিত্যৰ সাৱলীল খৰস্ৰোতৰ দৰেই বৈ গৈ ৰৈছি আহৰি-নথকা অথচ অসম সম্বন্ধে জানিব লগীয়া লোকৰ বাবে ই জ্ঞান ভাণ্ডাৰ হৈ পৰিছে । অসম সম্বন্ধে লাগতীয়াল কোনো কথা ইয়াত বাদ পৰা নাই অথচ বহল বিৱৰণীও নাই, বহল বিৱৰণী দিয়া উদ্দেশ্যও কিতাপ খনৰ নাই । সুচাৰু জহুৰীৰ দৰে অধ্যক্ষ বৰুৱাই পুথি খনিত সকলোকথা সন্নিবিষ্ট কৰি দিয়াত বিদেশী লোকৰ কাৰণে কিয় নিজৰ ডেকা-গাভৰুৰ কাৰণেও ইয়াক অৱশ্যে পঠনীয় পুথি কৰি তুলিছে । আমাৰ দেশত ভ্ৰমণ কাৰীৰ বাবে ই একমাত্ৰ হাত পুথি । অসম চৰকাৰে পুথি খনি সকলো বিভাগীয় পৰীক্ষাৰে (Departmental Examination) বাধ্যতামূলক পাঠ্য কৰা উচিত । অসমৰ ছাত্ৰ-ছাত্ৰী সমূহে যাতে কিতাপ খন যেনে তেনে পঢ়ে তাৰ বাবে শিক্ষা বিভাগৰ লোক সকলে যত্ন কৰা উচিত ।

মেপ আৰু বহুতো ছবি সংযুক্ত হোৱাত পুথি খন আৰু আটোমটোকাৰী হৈছে !

অধ্যক্ষ বৰুৱাই ইয়াৰ এখন বৃহৎসংস্কৰণৰ (অৰ্থাৎ অসম কোষ) কাম হাতত লব নোৱাৰেনে ?

**ফুলনি**— ( ১৪৮ গীতি কবিতাৰ সমষ্টি ) শ্ৰীপদ্মধৰ চলিহা, প্ৰকাশক— শ্ৰীত্ৰিলোচন দত্ত, শিৱসাগৰ কলেজ, শিৱসাগৰ ( অসম ) । পৰিবৰ্ত্তিত পৰিবৰ্দ্ধিত ৪ৰ্থ তাঙৰণ । ডাঃ সূৰ্য্যকুমাৰ ভূঞাৰ ভূমিকাৰে সৈতে । বেচ— কেঁচা- ২৲ পকাবন্ধা-২।৵০: বেটুপাতত তিনিৰঙীয়া ছবি । ভাল গীতৰ মহাৰ্ঘ্য অসমীয়া সাহিত্যত এতিয়াও আছে । চাৰিও পিনে সঙ্গীতৰ প্ৰতি জনসমাজৰ আদৰ বাঢ়িছে— তাৰ জোখাই উৎকৃষ্ট ভাৱ-ভাষাৰ গীত ওলোৱা নাই । চলিহা দেৱৰ ভক্তি, জাতি, শোক, প্ৰণয় আৰু ৰগৰ ফুলৰ এই ফুলনি অসমীয়া সঙ্গীতৰ অভাৱ পূৰণত এটি দীঘল খোজ । গীত সমুহে ৰাইজৰ আদৰ আগতে পাই আহিছে— নতুন তাঙৰণে নিশ্চয় আৰু পাব ।

লগতে লিখকৰ সঙ্গীত সম্বন্ধ আলোচনাটি পুথিখনিৰ এটি মূল্যবান সংযোগ ।

অসমৰ সঙ্গীতামোদী সকলে নতুন সংস্কৰণখন সহৃদয়তাৰে গ্ৰহণ কৰিব বুলি আশা কৰিছোঁ ।

শ্ৰীদীন নাথ শৰ্ম্মাৰ "সংগ্ৰাম"ৰ আলোচনা অহা সংখ্যাত ।

# চাহিত্য

কুমাৰ শ্ৰীমধুসূদন

গেথু বজাৰলৈ গ'ল, ধপাঁত কিনিবলৈ। অগত্যা ময়ো ওলাই গলোঁ— ওচৰতে থকা বন্ধুবৰৰ ঘৰলৈ— কাৰণ বন্ধুবৰো মোৰ দৰেই—

"কাপে কাপে খাওঁ চাহ
বাৰ মাহ
চৌকা মোৰ জ্বলে ৰাতি দিন
মিক্সাৰৰ টিন
টেবুলত বিৰাজে সদায়
তামোলৰো খতিখুন নাই।"

গৈ পোৱা মাত্ৰেই বন্ধুবৰে দীঘলীয়া টান এটা মাৰি হাঁহি ২ মাতিলে, "আহাঁ আহাঁ। লগ এজন লগা হৈছে, নহলে আৰু হজম নহয়।" মই বহিয়েই জেপৰ পৰা নলিচা ডাল উলিয়াই গুৰগুৰিত লগাই লৈ টান দি কলে।— "কোৱা কি হজম হোৱা নাই!"

বন্ধুবৰ প্ৰবেশিকাৰ পৰীক্ষক। তেওঁ বহী কেইখনমান লুটিয়াই বগৰাই মাজে মাজে কিছুমান কথা পঢ়ি শুনাই গ'ল।

"বুদ্ধদেৱে জৈনধৰ্ম্ম প্ৰচাৰ কৰিছিল।"

"বুদ্ধদেৱে বুঢ়া কালত ঐশ্বৰ্য্যশালী মহিলা বিশাক্ষক বিয়া কৰাইছিল আৰু দিবাদত্ত নামে লৰা হৈছিল।"

"এইয়া ইংৰাজীৰ অনুবাদ! প্ৰথম ফাকিটো হল "Lord Buddha was no exception." তাৰ পিছৰ খিনি প্ৰশ্ন কাকতত চাই লোৱা।"

They took with them 50 mules and some porters— "তেওঁলোকে পঞ্চাশ মাইল বাট গৈ এটা বন্দৰ পালেগৈ!"

আৰু বহুতো। বন্ধুৱে কেটামান নমুনা দিলে। তাৰ পিছত আহিল কুণ্ডিন নগৰৰ বৰ্ণনা।

"কুণ্ডিন নগৰ বৰ মনোহৰ আছিল··· ইত্যাদি। তাত বহুত ছবি অঁকা আছিল যেনে জবাহৰ লাল গান্ধী আদি।"

"কুণ্ডিনৰ ৰজা ভীষ্মৰ জীয়েক ৰুক্মিণী আছিল। ৰুক্মিনীৰ ককায়েকে ভনীয়েকক কোনোবা এটা বঙালী পাল'লৈ বিয়া দিব খোজাত বাপেকে মনে মনে ৰুক্মিনীৰ সখিয়েক উষাক দ্বাৰকালৈ পঠাই দিলে। উষাই হৰৎলুকি মায়া কৰি কৃষ্ণক লৈ আহিল আৰু কৃষ্ণই বঙালীটোক খেদি নিজে বিয়া কৰালে!"

"পালে বাপেকে বঙালীয়ে মজা!" —বন্ধুৱে কলে।

"সাগৰৰ তীৰত কপিসবলৰ প্ৰশ্নোত্তৰৰ এঠাইত দেখুৱালে— "ৰামে ৰাৱনে মিত্ৰতা কৰি সোণৰ হৰিণাটো খেদি নিয়াত ভৰতে সীতাক হৰণ কৰি লৈ গল।"

হনুমন্তৰ পুত্ৰ অঙ্গদ, স্বৰ্গীয় বিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীযুত হিতেশ্বৰ বৰুৱা, শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য, ধ্বনিকবি অতুল হাজৰিকা— ইত্যাদিবোৰৰ লেখ নিদিয়াই ভাল।

প্ৰত্যয় ভাঙি দেখুৱাইছে— দতাঁল-মাখুন্দী, ইত্যাদি।

আৰু বহুতো, সেইবোৰ তোমাক লেখ দি আমনি নিদিওঁ।

ধপাঁত চাহ তামোল চলি আছে!

এখন বহীৰ শেষত ওলাল— চিঠি এখন। বন্ধুৱে পঢ়িলে— "মহাশয়, মই এইবাৰ পঞ্চমবাৰ পৰীক্ষা দিছোঁ। আপুনি অলপ সদয় হলে পাছ কৰিব পাৰোঁ।। জানেই ছোৱালীবোৰে ফেল কৰিলে কোনো পিনে মূল্য নোহোৱা হয়। গতিকে অনুগ্ৰহ কৰি মোক যেন দয়া কৰে।"

বন্ধুক কলো— বোলো এখন চিঠি লিখি দি নহলে বিয়া খনকে কৰাই থোৱা— কুৰি নম্বৰ পাইছে যেতিয়া পাছটো নকৰেই।"

"ইস্ ৰাম, কি কোৱা! তুমিও এনে কথা কোৱানে? হোকা চিলিমজোৰৰ কি গতি হব?"

মই ইংৰাজী Happy Life কিতাপ এখনৰ পৰা কলো— "সুখী দাম্পত্য জীৱন যাপন কৰিবৰ হলে তিৰুতাই স্বামীয়ে চিগাৰেট খোৱাত, আৰু স্বামীয়ে তিৰুতাই প্ৰসাধন ঘহাত আপত্তি কৰিব নালাগিব। তাৰ বন্দবস্ত লাগিলে মই কৰি দিম।"

বন্ধুৱে মাত্ৰ হাঁহি এটা মাৰি হোকাত দীঘলীয়া টান এটা দিলে!

—•—

# এই মাহত আপোনাৰ ভাগ্য

ওঁ নমো ভগৱতে বাসুদেবায়

**শাওন মাহৰ ৰাশিফল**

১। **মেষ ৰাশি** – শাৰীৰিক আৰু মানসিক অৱস্থ বৰ বাৰু নহয়; এই মাহত (শাওনত) ভাতৃ বিৰোধ বা ভাতৃৰ অশুভ; অথবা ভাতৃৰ কাৰণে অৰ্থব্যয় দেখা হব। পাৰিবাৰিক অৱস্থা বৰ বাৰু নেযায় Supirior Officer ৰ লগত মতানৈক্য ঘটাৰ সম্ভাৱনা। পৰীক্ষাৰ্থীৰ ফল মধ্যম। ভ্ৰমণ যোগ দেখা যায়; অৰ্থৰ অপব্যৱহাৰৰ কাৰণে অৰ্থাভাৱ হব। কৃষিজাত দ্ৰব্য, ধাতু আৰু কাঠৰ ব্যৱসায়ত লাভবান হব। ২২ জুলাইৰ পৰা ২৪ জুলাইলৈ অশুভ সময়।

২। **বৃষৰাশি**— বৃষৰাশিৰ এইমাহত বন্ধু লাভ; সৌভাগ্য উদয়; কৰ্ম্মোন্নতি আৰু পৰীক্ষাৰ শুভফল দেখাযায়। নতুন চাকৰী; প্ৰণয় আদিৰ যোগ দেখা যায়; ভাৰ্য্যাৰ স্বাস্থ্য বৰ বাৰু দেখা নেযায়। নতুন সম্পত্তি লাভৰ যোগ আছে। শিল্পজাত দ্ৰব্যৰ পৰা আৰু মৰাপটৰ ব্যৱসায়ত অৰ্থলাভ হব। ২ আগষ্টৰ পৰা ৫ আগষ্টলৈ অশুভ সময়।

৩। **মিথুন ৰাশি** - এই মাহত মিথুন ৰাশিৰ কিছু শুভফল দেখা যায়। কিন্তু বহুদিনীয়া ৰোগৰ পৰা সময়ে সময়ে কষ্ট খাব। পিত্ত অথবা পেটৰ পীডাত সময়ে সময়ে ভূগিব। ধনাগম যোগ দেখা যায়। ভাতৃৰ লগত মনোমালিন্য ঘটিব পাৰে। পৰীক্ষাৰ্থীৰ ফল শুভ হব। ভাৰ্য্যাৰ স্বাস্থ্য বৰ বাৰু নহব, এনেকি ভাৰ্য্যাৰ গৰ্ভনষ্ট হবৰ সম্ভৱ। নতুন চাকৰীৰ যোগ দেখা যায়। বিদেশজাত দ্ৰব্যৰ পৰা লাভবান হব। হঠাৎ ৰাজকীয় অনুগ্ৰহ পাবপাৰে। ১৪ আগষ্টৰ পৰা ১৬ আগষ্টলৈকে অশুভ সময়।

৪। **কৰ্কট ৰাশি**— এই মাহত কৰ্কট ৰাশিৰ, যান-বাহনত; পানীত আৰু গছৰ পৰা ভয় দেখা যায়! জ্বৰ আৰু অন্যান্য ৰোগত ভূগিব। বন্ধুই শত্ৰু হব। ২৮ জুলাইৰ পৰা কিছু শুভ ফল হব। ভ্ৰমণ যোগ আছে। চাকৰীৰ যোগ দেখা যায়। পত্নীৰ স্বাস্থ্য ভাল ভাবে যাব। গৃহ নিৰ্মান আৰু যান-বাহন লাভৰ যোগ দেখা যায়। পৰীক্ষাৰ্থীৰ ফল শুভ হব। ৩১ জুলাইৰ পৰা ২ আগষ্টলৈকে অশুভ সময়। বগা আৰু জুলীয়া দ্ৰব্যৰ পৰা ধনাগম হব।

৫। **সিংহ ৰাশি**— এই মাহত সিংহ ৰাশিৰ ভ্ৰমণ যোগ দেখা যায়। পৰীক্ষাৰ্থীৰ ফল শুভ হব। ভাতৃৰ সাহাৰ্য্যত উন্নতিৰ যোগ দেখা যায়— ধনাগম হলেও খৰছ হেতুকে ধনাভাব থাকিব। পুত্ৰৰ উন্নতি যোগ দেখা যায়। ঠিকাদৰ্য্যৱসায়ত প্ৰচুৰ ধনাগম হব। পুৰণি পিত্ত ৰোগত আৰু বাত ৰোগত ভুগিব। মাতৃৰ অশুভ বা পীড়া যাব! অবিবাহিতৰ আৰু অবিবাহিতাৰ প্ৰণয় ঘটিবৰ সম্ভৱনা। ১৭।১৮ জুলাই, ১২।১৩।১৪ আগষ্টত অশুভ সময়।

৬। **কন্যা ৰাশি**— এই মাহত কন্যা ৰাশিৰ শাৰিৰীক অৱস্থা আৰু মানসিক অৱস্থা ভাল নহব। ধনাগমৰ যোগ দেখাযায়। বন্ধুবিৰোধ, মকৰ্দ্দমা, ৰাজদণ্ডাদিৰ সম্ভৱনা দেখা যায়। বায়ু আৰু পিত্ত ৰোগত কষ্ট খাব। চাকৰীৰ যোগ, পৰীক্ষাৰ শুভ ফল হব। মাতৃ আৰু মাতুল পক্ষৰ অশুভ। ২৬ জুলাইৰ পৰা ২৮ জুলাই লৈকে অশুভ সময়।

৭। **তুলা ৰাশি**— তুলা ৰাশিৰ এই মাহত কৰ্ম্মোন্নতিৰ যোগ দেখা যায়। পৰীক্ষাৰ্থীৰ ফল শুভ। বিদেশ ভ্ৰমণ যোগ দেখা যায়। উচ্চ কৰ্ম্মচাৰীৰ সহায় সহানুভূতিত কৰ্ম্মোন্নতি হব। ভাৰ্য্যাৰ স্বাস্থ্য বাৰু নহব পেটৰ পীড়াত সময়ে সময়ে কষ্ট খাব। এই মাহত বিশেষ কাৰণত Oparation হব পাৰে। ভাতৃৰ লগত সৎভাৱ নহব। ভাতৃৰ অশুভ আদি হব পাৰে। নিজ সাহস বুদ্ধিত ভূমিলাভ; বাণিজ্যত প্ৰচুৰ ধন লাভ হব। ১০ আষ্টৰ পৰা ১২ আগষ্টলৈ অশুভ সময়।

৮ **বৃশ্চিক ৰাশি**— এই মাহত মন্দৰ মাজেদি শুভ হব। পৰীক্ষাৰ্থীৰ ফল আশানুযায়ী দেখা নেযায় ধনাগম হলেও ধনাভাব বেচি অনুভব কৰিব। খিট খিটা মেজাজৰ কাৰণে শত্ৰু প্ৰৱল হব। পুৰণি মকৰ্দ্দমাত জয়লাভ হব। কৰ্ম বহুধৰণৰ চিন্তা কৰিব। চাকৰীয়লৰ পক্ষে সাবধানে চলা উচিত। পুত্ৰৰ পৰা সুখী হব। ২৪ জুলাইৰ পৰা ২৬ জুলাইলৈকে অশুভ সময়।

৯। **ধনু ৰাশি**— এই মাহত ধনুৰাশিৰ শুভ বুলব পাৰি। পৰীক্ষাৰ্থীৰ ফল শুভজনক বুলিব নোৱাৰি। মহৎ লোকৰ সাহায্যত ধনাগমৰ যোগ হব। ভ্ৰমণত নিস্ফল। নতুন চাকৰীৰ আশা আছে। বিবাহাদি শুভ কৰ্ম্মৰ আশা দেখা যায়। ভাৰ্য্যাৰ পৰা সুখ লাভ হব। পুত্ৰ লাভ আৰু সম্পত্তি লাভ হব। পেটৰপীড়া আৰু স্নায়ু দোষত কষ্ট খাব। ২০ জুলাইৰ পৰা ২২ জুলাইলৈকে অশুভ সময়।

১০। **মকৰ ৰাশি**— এই মাহত মকৰ ৰাশিৰ ভ্ৰমণ, ৰাজানুগ্ৰহ, ঔষধ, ধাতু আৰু জুলীয়া পদাৰ্থৰ দ্বাৰা ধনোপাৰ্জ্জন হব। ভাৰ্য্যাৰ স্বাস্থ্য আশানুৰূপ আশা

কৰা নেযায়। বন্ধু বিৰোধ আৰু গুপ্ত শত্ৰুৰ দ্বাৰা অনিষ্ট হব। চাকৰীত উচ্চ চাকৰীয়ালৰ কটাখ্য দৃষ্টিত পৰিব পাৰে। পৰীক্ষাৰ ফল শুভ হব। শাহুৰ পক্ষৰ লগত মতবিৰোধ হব। ৩১ জুলাইৰ পৰা ২ আগষ্টলৈ অশুভ সময়।

১১। **কুম্ভ ৰাশি**— কুম্ভ ৰাশিৰ এই মাহত শুভ ফল দেখা দিব। অস্থায়ী কৰ্ম্মত লিপ্ত থকাত মনৰ চাঞ্চল্য ঘটিব, শিৰ পিড়া, পেটৰ পীড়াত কষ্ট পাব। নতুন বন্ধু লাভৰ আশা, যান-বাহন আৰু গৃহনিৰ্ম্মান হব। ভাৰ্য্যাৰ দ্বাৰা লাভবান হলেও, ধনক্ষয় হব। ভাৰ্য্যাৰ সামান্য পীড়া যাব। চাকৰীত শুভ ফল। পৰীক্ষাৰ ফল মধ্যম। এই মাহত শত্ৰু পীড়া থাকিলেও জয় সুনিশ্চিৎ। ১০ আগষ্টৰ পৰা ১২ আগষ্টলৈকে অশুভ সময়।

১২। **মীনৰাশি**— মীনৰাশিৰ মানসীক, শাৰিৰীক অশুভ হলেও ধন লাভৰ আশা দেখা যায়। যান বাহনত সাৱধানে চলা ফুৰা কৰা উচিৎ। কৃষিজাত দ্ৰব্যৰ পৰা ধনোপাৰ্জ্জন হব। সোণ, ৰূপ, শিল্পজাত, কৰ্ম্মৰ পৰা ধন লাভৰ যোগ দেখা দিব। পৰীক্ষাৰ্থীৰ ফল আশানুৰূপ শুভ হব। উন্নত ধৰণৰ চাকৰীৰ সুযোগ ঘটিব। অকস্মাৎ পৰদেশলৈ যাত্ৰা কৰিব পাৰে। বিদ্যাৰ্থীৰ পক্ষে উচ্চধৰণৰ Trainingৰ সুযোগ মিলিব। মহৎ লোকৰ অনুগ্ৰহ লাভৰ আশা আছে। নতুন ঘৰত বাস বা নতুন কেৰেয়াৰ ঘৰত বাস হব। নিজৰ ঘৰ কেৰেয়াৰ পৰা উন্নতি হব। ১৮ জুলাইৰ পৰা ২০ জুলাই লৈ অশুভ সময়।

এইবোৰ ফল নিজ২ দশান্তৰ দশামতে তাৰতম্য হব। বয়স আৰু দশামতে এক ৰাশি মানুহৰ ভিন্ন ভিন্ন ফল ঘটি থাকে। গতিকে পাঠক সকলে নিজৰ দশাৰ লগত মিলাকেহে ফলাফল বুজি পাব।

পণ্ডিত— শ্ৰী গিৰীশ চন্দ্ৰ শৰ্ম্মা জ্যোতিষ সামুদ্ৰিক ৰত্ন

—


## EMBROIDERY BOOK

Enlarged edition. Modern designs for embroidery & drawing Rs 4/-. **Embroidery Machine** with 4 needles & direction book for making patterns & flowers of thread over cloth Rs 5/-. **Double set Embroidery Machine** with 5 needles, big size in a de-lux paking with a baby set too Rs. 9/- **Tailoring & Cutting** various modern principles & methods of Tailoring & Cutting Rs. 4/-.

**CROSs STITCH DESIGN BOOK 1/8/-**

**ART OF PHOTOGRAPHY Rs. 3/-**

**SELF HINDI TEACHER**

**To read, write & speak Hindi without a tutor Rs. 3/-**

POSTAGE CHARGE EXTRA.

**KUMAR BOTHERS, ALIGARH U. P**

শ্ৰীযুত মহেশ চন্দ্ৰ দেৱ গোস্বামীৰ সম্পাদিত—

## "গুৰুসেৱা আৰু ভক্তি

বেচ মাত্ৰ ॥০ অনা। ডাক খৰছ সুকীয়া ॥

শ্ৰীৰাধিকা মোহন গোস্বামীৰ—
দুটা ভাৰ্য্যা ছপাইছে

## ওলাল—

"পাঠচক্ৰ", পোঃ বিহলঙনি, নগাওঁ (অসম)

সকলো হাইস্কুলৰ আৰু মধ্য ইংৰাজী স্কুলৰ লাগতীয়াল **C & D Form Record book, Aquittance Roll, Grant in Aid Bill Form, Certificate form** আদি অতি কম দামত আৰু কম সময়ৰ ভিতৰত আমি যোগাব পাৰো। আগধন পঠালে মফচলীয়া স্কুললৈ V. P. যোগে পঠোৱা হয়।

মেনেজাৰ,
বিহলঙনি প্ৰেছ,
পোঃ অঃ বিহলঙনি, নগাওঁ আসাম।





# Prabuddha Bharata

## HOLY MOTHER CENTENARY NUMER

The ensuing March issue of the Prabuddha Bharata will be a special Number to commemorate the first Birth Centenary of the Holy Mother, the illustrious spiritual consort of Sri Ramakrishna. It will contain a good number of interesting and learned articles on the several aspects of the Life and Teachings of the Holy Mother and on the ideals and role of women in Indian national life down from the Vedic times.

**Among the COntributors to the Number:** Hon'ble Justice P. B. Mukherji; Dr. A. V. Rao, M. A., Ph. D.; Prof. Chintaharan Chakravarty. M. A.; Dr. Abinash Chandra Bose. M. A., Ph. D.; Dr. (Mrs.) Muthulakshmi Reddi, M. L. C; Dr. C. Kunhan Raja, M. A., Ph. D.; Sri R. R. Diwakar, Governor of Bihar; Srimati Lila Majumdar; Sri C. Sivaramamurti, M. A.; St. Nihal Singh; Swami Gambhiranand: Prof. P. S. Naidu, M. A.; Sri C. T. K. Chari, M. A.; Sri C. C. Biswas; Dr. S. C. Chatterjee, M. A., Ph. D.; Prof. S. N. L. Shrivastava, M. A. **and many other distinguished writers from all over India.**

PRINTED ON IMITATION ART PAPER

**Pages** 160 **Profusely Illustrated** **price Rs** 3 0-0

*Will be sent to subscribers of Prabuddha Bharata without extra charge*

**Annua Subscription: Rs,** 5-0-0, **Foreign** 14 **sh; U. S. . $** 4.00

*(Only Annual Subscriptions Accepted*

ADVAITA ASHRAMA, 4 Wellington Lane, Calcutta-13

## ভাগ্য গণনা

অসমৰ খ্যাতনামা জ্যোতিষী ভূতপূৰ্ব্ব প্ৰাচীন কামৰূপ পঞ্জিকাৰ প্ৰধান গণক পণ্ডিত প্ৰবৰ শ্ৰীযুত গিৰীশ চন্দ্ৰ শৰ্ম্মা জ্যোতিষ সামুদ্ৰিক ৰত্নৰ দ্বাৰা আপোনাৰ ভূত, ভৱিষ্যত আৰু বৰ্ত্তমানৰ এবাৰ ভাগ্য গণনা কৰক।

ম্যানেজাৰ— শ্ৰীগুণমনি শৰ্ম্মা।

পোৱাৰ ঠিকন

## "বৰপেটা জ্যোতিষ কাৰ্য্যালয়"

পোঃ বৰপেটা, দহটী।

# 'USHA MONTHLY'

(*NINTH YEAR OF PUBLICATION*)

A cultural Bengali Journal comprises most outstanding writings from the renowned writers in Bengali Literature

ANNUAL SUBSCRIPTION ......... Rs. 4/8/-

SINGLE COPY ...... /3/- ANNAS SIX ONLY.

**Best medium of Advertisement**

**Rates are very moderate.**

**Contact : Manager, Usha Monthly,**

**33, Amherst Street, Calcutta--9.**


# নিয়মাৱলী

১। 'বিহলঙনি' মাহেকীয়া আলোচনী অসমীয়া মাহৰ প্ৰথম পষত প্ৰকাশিত হব

২। ইয়াত সকলো প্ৰকাৰৰ গল্প, প্ৰবন্ধ, কবিতা, আলোচনা, কিতাপৰ সমালোচনা আদি প্ৰকাশ হব।

৩। গল্প আৰু প্ৰবন্ধ ১৫০০ শব্দৰ ভিতৰত হোৱা বাঞ্ছনীয়। একাদিক্ৰমে ছপাবলগীয়া প্ৰবন্ধ বা উপন্যাস একেলগে পঠাব লাগে।

৪। অমনোনীত কোনো প্ৰবন্ধ পাতি ঘূৰাই পঠোৱাৰ দায়িত্ব লোৱা নহয়।

৫। প্ৰবন্ধাদি প্ৰকাশ সম্পৰ্কে সম্পাদকৰ সিদ্ধান্তই চূড়ান্ত পৰিগণিত হব।

৬। সমালোচনাৰ কাৰণে পঠোৱা কিতাপ সদায় দুখন পঠাব লাগে।

৭। বছেৰেকীয়া বৰঙণি ৪৷০ টকা বা ছমহীয়া বৰঙণি ২৷০ টকা মনিঅৰ্ডাৰকৰি পঠালে গ্ৰাহক হব পাৰি। এজেণ্টৰ পৰা খনে ।৵০ অনা।

৮। প্ৰাইমেৰী আৰু মজলীয়া স্কুলৰ শিক্ষকৰ বাবে বছেৰেকীয়া বৰঙণি ৪৲ টকা আগেয়ে পঠাই গ্ৰাহক হব পাৰি।

৯। এজেণ্ট সকলৰ কাৰণে ভাল সুবিধা আছে।

Printed & Published by M. C. Dev Goswami at the BIHLANGANI PRESS Haibargaon (Nowgong) and issued, at the BIHLANGANI. P. O. (Nowgong).